www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

নিজকে সদায় আনন্দত ৰাখিবা, আনন্দময় উৎসাহী আৰু শক্তিমানৰ কাৰণেহে এই জগতখন, দুৰ্বলীৰ বাবে নহয়। – এমাৰ্চন

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ২৮৮ | শুকুৰবাৰ | ২৮ আগষ্ট, ২০২৬ চন | Volume/Year- I | Issue- 288 | Friday | 28th August, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8

■ তিব্বতৰ গিৰং এলেকাত সন্ধানহীন ৫৫৮ গৰাকী ব্যক্তি ■

# নেপালত মহাপ্ৰলয়ৰ পিছতেই মৃতদেহৰ দ'ম

## চীন চৰকাৰৰ আনুষ্ঠানিক তথ্য প্ৰকাশ ঃ গিৰঙত সন্ধানহীন ১৩০ গৰাকীৰো অধিক ভাৰতীয় তীৰ্থযাত্ৰী



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৭ আগষ্ট ঃ** মধ্য নেপালত সংঘটিত ভয়ংকৰ বানপানীয়ে ইতিমধ্যে ২৭৩জন লোকৰ প্ৰাণ কাঢ়ি লৈছে। ৩০০ গৰাকী ভাৰতীয় নাগৰিককে ধৰি মুঠ ১৪০০ৰো অধিক লোক এতিয়াও সন্ধানহীন হৈ আছে। তিব্বতৰ পৰা অহা আকস্মিক পানীৰ ধলটোৱে কেইবাখনো চহৰ-গাঁও, গুৰুত্বপূৰ্ণ দলং আৰু প্ৰায় ডজনখন জলবিদ্যুৎ প্ৰকল্প ধ্বংস কৰি পেলাইছে। নেপালৰ ৰাষ্ট্ৰীয় দুৰ্যোগ বিপদ হ্ৰাস আৰু ব্যৱস্থাপনা কৰ্তৃপক্ষৰ তথ্য অনুসৰি, এতিয়ালৈকে ১৬৫টা মৃতদেহ উদ্ধাৰ কৰা হৈছে আৰু চিনাক্তকৰণ প্ৰক্ৰিয়া চলি আছে। আনহাতে, নেপাল পৰ্যটন ব'ৰ্ডৰ প্ৰাথমিক প্ৰতিবেদন অনুসৰি, ৪৬৭জন বিদেশী পৰ্যটক আৰু ৪১২জন নেপালী নাগৰিক - মুঠ ৮৭৯জন লোক নিৰুদ্দেশ হৈ আছে। ❑ ৬ পৃষ্ঠাত

## নেপালৰ ধ্বংসাত্মক বানপানীৰ প্ৰতি ড° হিমন্ত বিশ্ব শৰ্মাৰ শোক

**১৬৫ নিহত, ৮৭৯জন নিৰুদ্দেশ ঃ উদ্ধাৰ কাৰ্যত সক্ৰিয় নেপাল সেনা**



**নিউজ ডেস্ক, অসম বাৰ্তা, ২৭ আগষ্ট ঃ** নেপালত সংঘটিত বিধ্বংসী বানপানী আৰু ভূমিস্খলনৰ প্ৰতি গভীৰ শোক আৰু উদ্বেগ প্ৰকাশ কৰিছে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সামাজিক মাধ্যম এক্সত পোষ্ট কৰি তেওঁ নেপালী ❑ ৬ পৃষ্ঠাত

**পৰিয়ালকেন্দ্ৰিক সমস্যাৰ সন্দেহ; পত্নী-সন্তান দিল্লীত থকা অৱস্থাতে সংঘটিত এই ঘটনা**

## বশিষ্ঠত নিজৰ চাৰ্ভিচ পিষ্টলেৰে মূৰত গুলীয়াই আত্মহত্যা আৰক্ষীৰ



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৭ আগষ্ট ঃ** গুৱাহাটী মহানগৰীৰ বশিষ্ঠ অঞ্চলত সংঘটিত হৈছে এক অত্যন্ত কৰুণ আৰু চাঞ্চল্যকৰ ঘটনা। নিজৰ ছাৰ্ভিচ পিষ্টলেৰে মূৰত গুলী মাৰি এজন আৰক্ষী কৰ্মীয়ে আত্মহত্যা কৰে। আত্মহত্যা কৰা আৰক্ষীগৰাকীৰ নাম পৰীক্ষিত বৈশ্য বুলি জানিব পৰা গৈছে। তেওঁ বশিষ্ঠস্থিত CID আৱাসিক এলেকাত বসবাস কৰিছিল। প্ৰাথমিক সূত্ৰই সন্দেহ প্ৰকাশ কৰিছে যে পাৰিবাৰিক সমস্যাৰ বাবেই তেওঁ এই চৰম পদক্ষেপ লৈছিল। পৰীক্ষিত বৈশ্যৰ পত্নী আৰু সন্তান বৰ্তমান ❑ ৬ পৃষ্ঠাত

## ডিব্ৰুগড়ক অসমৰ দ্বিতীয় ৰাজধানী গঢ়াৰ ৰূপৰেখা প্ৰস্তুত

**প্ৰস্তাৱিত ৰাজধানীখনে সামৰি ল'ব ২০ কিলোমিটাৰ অঞ্চল**



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৭ আগষ্ট ঃ** ডিব্ৰুগড়ক অসমৰ দ্বিতীয় ৰাজধানী গঢ়াৰ ৰূপৰেখা ইতিমধ্যে প্ৰস্তুত কৰা হৈছে। প্ৰস্তাৱিত ৰাজধানীখনে ডিব্ৰুগড় মহানগৰৰ ২০ কিলোমিটাৰ ব্যাসাৰ্ধৰ অঞ্চল সামৰি ল'ব বুলিও জানিব পৰা গৈছে। অসমৰ দ্বিতীয় ৰাজধানী হিচাপে ডিব্ৰুগড়ৰ পৰিকল্পিত উন্নয়নৰ বাবে ৰূপৰেখা প্ৰস্তুত কৰাৰ উদ্দেশ্যে ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ত দ্বিতীয় ৰাজধানী অঞ্চল উন্নয়ন কৰ্তৃপক্ষ- ডিব্ৰুগড় এচ চি আৰ ডি এ-ডি ৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত ডিব্ৰুগড়ৰ বিধায়ক তথা ❑ ৬ পৃষ্ঠাত

■ অবৈধ অস্ত্ৰধাৰীৰ বিৰুদ্ধে কঠোৰ হ'ব প্ৰশাসন ■

## কাংকোপিত নিৰীহ হত্যাকাণ্ডৰ তীব্ৰ নিন্দা মুখ্যমন্ত্ৰী খেমচান্দ সিঙৰ ঃ কঠোৰ ব্যৱস্থাৰ নিৰ্দেশ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৭ আগষ্ট ঃ** মণিপুৰৰ কাংকোপি (কাংপোকপি) জিলাত সংঘটিত ভয়ংকৰ আক্ৰমণত চাৰিগৰাকী নিৰীহ নাগৰিক নিহত হোৱা ঘটনাক লৈ ৰাজ্যখনত তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। মুখ্যমন্ত্ৰী যুমনাম খেমচান্দ সিঙে এই নৃশংস হত্যাকাণ্ডক কঠোৰ ভাষাৰে গৰিহণা দি দোষীসকলৰ বিৰুদ্ধে তৎক্ষণাত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰাপত্তা বিষয়াসকলক নিৰ্দেশ প্ৰদান কৰে। বৃহস্পতিবাৰে সন্ধিয়া ইম্ফলৰ মুখ্যমন্ত্ৰী সচিবালয়ত মুখ্যমন্ত্ৰীগৰাকীৰ সভাপতিত্বত এখন উচ্চ পৰ্যায়ৰ নিৰাপত্তা বৈঠক অনুষ্ঠিত হয়। এই বৈঠক বিশেষভাৱে গুৰুত্বপূৰ্ণ কাৰণ যোৱা ১২ আগষ্টত মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ সকলো অবৈধ অস্ত্ৰধাৰী ব্যক্তিক আত্মসমৰ্পণ কৰিবলৈ দিয়া ১৫ দিনৰ সময়সীমা ❑ ৬ পৃষ্ঠাত

**১৪ ছেপ্টেম্বৰত হাজিৰ হ'বলৈ গৃহ বিভাগক নিৰ্দেশ**

## এনএছএৰ অধীনত প্ৰণৱ দলেক আটক ৰখাক লৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৭ আগষ্ট ঃ** গুৱাহাটী উচ্চন্যায়ালয়ে বৃহস্পতিবাৰে ৰাষ্ট্ৰীয় নিৰাপত্তা আইন (এন এছ এ)ৰ অধীনত খিলঞ্জীয়া অধিকাৰ কৰ্মী প্ৰণৱ দলেৰ আটক ৰখাক প্ৰত্যাহ্বান জনাই দাখিল কৰা ৰিট আবেদনৰ শুনানি গ্ৰহণ কৰে। আবেদনখন দাখিল কৰিছিল দলেৰ পিতৃ লখি দলে। শুনানিৰ পৰিপ্ৰেক্ষিতত আদালতে অসম ❑ ৬ পৃষ্ঠাত

**আৰক্ষী-তদন্তকাৰী বিষয়া ঘটনাস্থলীত; অনুসন্ধান অব্যাহত**

## কানপুৰত প্ৰশিক্ষণ বিমান দুৰ্ঘটনা; দুজন পাইলটৰ মৃত্যু



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৭ আগষ্ট ঃ** আকৌ এবাৰ সংঘটিত হৈছে ভয়াবহ বিমান দুৰ্ঘটনা। উত্তৰ প্ৰদেশৰ কানপুৰত এই দুৰ্ঘটনাই সংঘটিত হয়। তথ্য অনুসৰি, বৃহস্পতিবাৰে বিয়লি কানপুৰৰ কটৰী অঞ্চলৰ নাথুপুৰৱা গাঁৱৰ সমীপত এখন প্ৰশিক্ষণৰত বিমানে হঠাৎ নিয়ন্ত্ৰণ হেৰুৱাই গাঁওখনৰ পথাৰত বাগৰি পৰে। এই ভয়ংকৰ দুৰ্ঘটনাত বিমানখনত থকা দুয়োজন প্ৰশিক্ষাৰ্থী পাইলটৰ মৃত্যু হয়। ❑ ৬ পৃষ্ঠাত

**ওদালবাক্ৰা আৰু ভগদত্তপুৰ আৰক্ষী চকী অন্তৰ্ভুক্ত, চাৰিসীমা নিৰ্ধাৰণ**

## দিছপুৰ থানা বিভাজন কৰি গঠন কাহিলীপাৰা আৰক্ষী থানা




**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৭ আগষ্ট ঃ** গুৱাহাটী মহানগৰীৰ আইন-শৃংখলা পৰিস্থিতি আৰু জনসংখ্যা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰে এখন নতুন আৰক্ষী থানা স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। গৃহ বিভাগে জাৰি কৰা নিৰ্দেশনামতে দিছপুৰ আৰক্ষী থানাক দুভাগ কৰি কাহিলীপাৰাত নতুন আৰক্ষী থানা গঠন কৰা হৈছে। এই নতুন থানাখন পূব গুৱাহাটী আৰক্ষী জিলাৰ অধীনত থাকিব। নতুন ❑ ৬ পৃষ্ঠাত

**কুকি সশস্ত্ৰ গোট জড়িত থকাৰ অভিযোগ**

## কাংপকপিত সশস্ত্ৰ আক্ৰমণত চাৰি নগা নাগৰিক নিহত



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৭ আগষ্ট ঃ** বৃহস্পতিবাৰে পুৱা মণিপুৰৰ কাংপকপি জিলাত সংঘটিত এক নৃশংস সশস্ত্ৰ আক্ৰমণত চাৰিগৰাকী নিৰীহ নগা নাগৰিকৰ প্ৰাণহানি ঘটে। এই আক্ৰমণত গুৰুতৰভাৱে আহত হোৱা এজন লোকক উদ্ধাৰ কৰি চিকিৎসালয়ত ভৰ্তি কৰোৱা ❑ ৬ পৃষ্ঠাত

**চিৰাম চাপৰিৰ আয়ুৰ্বেদিক চিকিৎসালয়ত তিনি মাহৰ ভিতৰত আৰম্ভ হ'ব আইপিডি সেৱা**

## মাজুলীৰ স্বাস্থ্যখণ্ডৰ বুজ ল'লে স্বাস্থ্যমন্ত্ৰী অশোক সিংহলে

**উত্তৰ কমলাবাৰী সত্ৰত ভকতীয়া সাজত নাম-প্ৰসংগত অংশগ্ৰহণ**



**অসম বাৰ্তা, উজনী মাজুলী, ২৭ আগষ্ট ঃ** মন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পিছত প্ৰথমবাৰৰ বাবে চৰকাৰী ভ্ৰমণসূচীৰে মাজুলীত উপস্থিত হয় স্বাস্থ্য মন্ত্ৰী অশোক সিংহল। কালি সন্ধিয়া আহি মাজুলীত উপস্থিত হোৱা মন্ত্ৰী গৰাকীয়ে আজি দিনজোৱা কাৰ্যসূচীৰ অংশ হিচাপে মাজুলীৰ বিভিন্ন স্বাস্থ্য প্ৰতিষ্ঠান পৰিদৰ্শন কৰাৰ লগতে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ পৰ্যালোচনা বৈঠকতো অংশগ্ৰহণ কৰে। ইয়াৰ মাজতে মাজুলীৰ ❑ ৬ পৃষ্ঠাত

**শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাৰ শিক্ষাৰ্থীৰ স্বাৰ্থত হস্তক্ষেপৰ অনুৰোধ**


## বানপীড়িত ছাত্ৰ-ছাত্ৰীৰ বাবে নামভৰ্তি আৰু মাচুল ৰেহাইৰ দাবী দেৱব্ৰত শইকীয়াৰ



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৭ আগষ্ট ঃ** উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাত সংঘটিত বিধ্বংসী বানপানীয়ে শিক্ষাৰ ক্ষেত্ৰত গুৰুতৰ প্ৰভাৱ পেলাইছে। এই পৰিপ্ৰেক্ষিতত জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা ৰাজ্য বিধানসভাৰ প্ৰাক্তন বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই বৃহস্পতিবাৰে অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যলৈ এখন পত্ৰ প্ৰেৰণ কৰি বানপীড়িত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে নামভৰ্তি আৰু অন্যান্য শিক্ষামূলক মাচুল ৰেহাই দিয়াৰ দাবী জনায়। ৰাজ্যপাললৈ প্ৰেৰণ কৰা পত্ৰখনত শইকীয়াই স্পষ্টভাৱে উল্লেখ কৰিছে যে এই তিনিওখন জিলাত বাৰে বাৰে সংঘটিত হোৱা বানপানীয়ে স্থানীয় পৰিয়ালসমূহৰ ❑ ৬ পৃষ্ঠাত

**যোগাযোগৰ বাবে বিশেষ টেলিফোন নম্বৰ মুকলি; আবাসিক আয়ুক্তৰ কাৰ্যালয়ৰ জৰুৰী জাননী**

## নেপালৰ বানপানীত আবদ্ধ অসমীয়াৰ বাবে নতুন দিল্লীৰ অসম ভৱনৰ জৰুৰী সহায়


GOVERNMENT OF ASSAM
OFFICE OF THE RESIDENT COMMISSIONER : ASSAM BHAWAN
No.1 LOKAPRIYA GOPINATH BORDOLOI MARG, CHANAKYAPURI : NEW DELHI – 110021

IMPORTANT NOTICE

In view of the prevailing flood situation in Nepal, all persons from Assam who are presently stranded in Nepal due to the ongoing floods/flash floods are hereby informed that they may contact the following telephone numbers of Assam Bhawan, New Delhi, for necessary assistance, support and coordination.

Yours faithfully,
Resident Commissioner
Govt. of Assam
Assam Bhawan, New Delhi

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৭ আগষ্ট ঃ** নেপালত হোৱা ভয়াবহ বানপানীৰ পৰিপ্ৰেক্ষিতত আবদ্ধ হৈ পৰা অসমৰ নাগৰিকসকললৈ সহায় আগবঢ়াবলৈ নতুন দিল্লীস্থিত অসম ভৱনে জৰুৰীকালীন ব্যৱস্থা গ্ৰহণ কৰিছে। অসম চৰকাৰৰ আবাসিক আয়ুক্তৰ কাৰ্যালয়ে আজি এখন গুৰুত্বপূৰ্ণ জাননী প্ৰকাশ কৰি এই সিদ্ধান্ত জনায়। জাননীখনত স্পষ্টভাৱে উল্লেখ কৰা হৈছে যে নেপালৰ বানপানীৰ বাবে আৱদ্ধ হৈ থকা অসমীয়া লোকসকলে প্ৰয়োজনীয় সহায়, সমন্বয় আৰু তথ্য লাভ কৰিবলৈ অসম ভৱনৰ সৈতে যোগাযোগ স্থাপন কৰিব পাৰে। এই উদ্দেশ্যে অসম ভৱনে কেইবাটাও যোগাযোগ নম্বৰ মুকলি কৰি দিছে। সহায়ৰ বাবে অসম ভৱনৰ এচিএছ বিষয়া অৰুণম মেধিৰ সৈতে ❑ ৬ পৃষ্ঠাত

**দহজনৰ পাঁচজনকেই গ্ৰেপ্তাৰ; SITৰ তদন্ত জোৰদাৰ**

## বীৰ লাচিত সেনাৰ নেতা মানসজ্যোতি চেতিয়াৰ মৃত্যু সম্পৰ্কত আৰক্ষীৰ পাঁচ অভিযুক্তক আটক

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৭ আগষ্ট ঃ** বীৰ লাচিত সেনাৰ বিশিষ্ট নেতা মানসজ্যোতি চেতিয়াৰ ৰহস্যজনক মৃত্যুৰ ঘটনাক লৈ অসমৰ ৰাজনৈতিক আৰু সামাজিক মহলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। এই ঘটনাৰ পুংখানুপুংখ তদন্তৰ বাবে আৰক্ষীয়ে গঠন কৰা বিশেষ তদন্তকাৰী দলটোৱে (SIT) কেইবাটাও দিশত অনুসন্ধান আৰম্ভ কৰিছে। শেহতীয়া প্ৰাপ্ত তথ্য অনুসৰি, সংগঠনটোৰ শিৱসাগৰ জিলা সমিতিয়ে দাখিল কৰা অভিযোগত নাম উল্লেখ থকা দহজন লোকৰ ভিতৰত এতিয়ালৈকে পাঁচজনক সোধা-পোছাৰৰ বাবে আটক কৰিবলৈ সক্ষম হৈছে আৰক্ষী। আৰক্ষীয়ে তদন্তৰ প্ৰাথমিক পৰ্যায়তে আবিদুৰ ৰহমান আৰু ছেলিমা বেগমক সোধা-পোছাৰ বাবে আটক কৰে। পৰৱৰ্তী সময়ত ঘটনাটোৰ সৈতে জড়িত থকাৰ সন্দেহত ছুবেৰা বেগম, ছেলিমুৰ ❑ ৬ পৃষ্ঠাত

**UCCৰ বিৰোধিতা, তিনি তালাক বিষয়ত কংগ্ৰেছৰ 'দ্বিচাৰিত নীতি'ৰ উল্লেখ**

## কংগ্ৰেছ 'মহিলা বিৰোধী দল' ঃ মুখ্যমন্ত্ৰী

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৭ আগষ্ট ঃ** গুৱাহাটীৰ পৰা প্ৰকাশিত এক গুৰুত্বপূৰ্ণ বিবৃতিত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছ দলক 'মহিলা বিৰোধী দল' বুলি অভিহিত কৰি তীব্ৰ সমালোচনা কৰে। গুজৰাটৰ গুৰুজাতৰ সোমনাথ মন্দিৰ দৰ্শনৰ সময়ত সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰীগৰাকীয়ে কংগ্ৰেছৰ মহিলা বিৰোধী মানসিকতা আৰু নীতিৰ বাবেই দেশত এতিয়ালৈকে ইউনিফৰ্ম চিভিল ক'ড (UCC) অৰ্থাৎ সম দেৱানী বিধি কাৰ্যকৰী কৰিব নোৱাৰা বুলি অভিযোগ উত্থাপন কৰে। ❑ ৬ পৃষ্ঠাত

**আত্মহত্যা ! শাৰীৰিক অসুস্থতা আৰু মানসিক চাপৰ সম্ভাৱনা**

## বিটিচিৰ উপাধ্যক্ষ বিজিৎ গৌৰা নাৰ্জাৰীৰ ৰহস্যজনক মৃত্যু



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৭ আগষ্ট ঃ** বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিল (বিটিচি)ৰ উপাধ্যক্ষ বিজিৎ গৌৰা নাৰ্জাৰীৰ ৰহস্যজনক মৃত্যুৱে ৰাজনৈতিক মহলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। বুধবাৰে সন্ধিয়া তামুলপুৰ জিলাৰ কুমাৰীকাটাস্থিত নিজা বাসগৃহত তেওঁৰ মৃতদেহ উদ্ধাৰ হয়। প্ৰাথমিকভাৱে আত্মহত্যাৰ সম্ভাৱনা উত্থাপিত হৈছে যদিও আনুষ্ঠানিকভাৱে একো নিশ্চিত কৰা হোৱা নাই। স্থানীয় সূত্ৰ অনুসৰি, নাৰ্জাৰী বিগত কিছুদিন ধৰি শাৰীৰিকভাৱে অসুস্থ আছিল। একে সময়তে তেওঁ তীব্ৰ মানসিক অশান্তিৰ মাজেৰেও পাৰ কৰিবলগীয়া হৈছিল বুলি জনা যায়। সেয়েহে অনেকে ধাৰণা কৰিছে যে এই দুয়োটা কাৰকেই হয়তো তেওঁক চৰম পদক্ষেপলৈ বাধ্য কৰাইছিল। কিন্তু পৰিয়াল, আৰক্ষী বা প্ৰশাসনৰ তৰফৰ পৰা এতিয়ালৈকে ❑ ৬ পৃষ্ঠাত

**গঠন অনুসন্ধান সমিতি ঃ KSUৰ লগত আলোচনা পাছতেই সিদ্ধান্ত**

## প্ৰস্তাৱিত চিমেণ্ট কাৰখানাৰ কাম স্থগিত ৰাখিলে মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড ছাংমাই



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৭ আগষ্ট ঃ** মেঘালয়ৰ ইষ্ট জয়ন্তীয়া হিলছ জিলাৰ ডাইষ্টং গাঁৱত প্ৰস্তাৱিত চিমেণ্ট কাৰখানাখনৰ সম্পৰ্কত বৃহস্পতিবাৰে গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে মুখ্যমন্ত্ৰী কনৰাড কে ছাংমাই। খাছি ষ্টুডেণ্টছ ইউনিয়ন (KSU)ৰ প্ৰতিনিধি দলৰ সৈতে অনুষ্ঠিত আলোচনাৰ পিছতে মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকল্পটোৰ বৰ্তমান অৱস্থা অপৰিৱৰ্তিত ৰাখিবলৈ নিৰ্দেশ প্ৰদান কৰে। তেওঁ স্পষ্টভাৱে উল্লেখ কৰে যে অনুসন্ধান কাৰ্য সম্পূৰ্ণ নোহোৱালৈকে প্ৰকল্পস্থলীত কোনো ধৰণৰ নতুন নিৰ্মাণ বা উন্নয়নমূলক কাম আগুৱাই নিবলৈ অনুমতি দিয়া নহ'ব। KSU-এ ❑ ৬ পৃষ্ঠাত

# অভয়াপুৰী মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা যোজনা গোটৰ উদ্যোগত "মাই ভাৰত-ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস ২০২৬, যুৱ সংযোগ" অনুষ্ঠানৰ সফল সামৰণি

**অসম বাৰ্তা, সৃজনগ্ৰাম,** ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰণালয়ৰ নিৰ্দেশমৰ্মে বঙাইগাঁও জিলাৰ অভয়াপুৰী মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা যোজনা গোটৰ উদ্যোগত ২৭ আগষ্ট, ২০২৬ তাৰিখ বৃহস্পতিবাৰে "মাই ভাৰত -ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস ২০২৬, যুৱ সংযোগ অনুষ্ঠান" শীৰ্ষক এটি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। বঙাইগাঁও জিলাৰ মাই ভাৰত শাখাৰ সহযোগত অনুষ্ঠিত কৰা এই অনুষ্ঠানত উপস্থিত অংশগ্ৰহণকাৰীসকলে ভাৰ্চুৱেল মাধ্যমেৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ যুৱকসকলৰ উদ্দেশ্যি দিয়া ভাষণ শুনে। এই অনুষ্ঠানৰ পিছতেই অনুষ্ঠিত হোৱা কাৰ্যসূচীটিৰ আঁত ধৰে অভয়াপুৰী মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা যোজনা গোটৰ স্বেচ্ছাসেৱিকা গৰিমা ৰায়, অনন্যা চন্দা আৰু চফিকা আফ্ৰুজে। এই অনুষ্ঠানত উপস্থিত থাকে ক্ৰীড়াৰ মাধ্যমেৰে বঙাইগাঁও জিলালৈ গৌৰৱ কঢ়িয়াই অনা ভালেকেইগৰাকী জ্যেষ্ঠ তথা কনিষ্ঠ খেলুৱৈ। তেওঁলোক ক্ৰমে ভবেন বৰ্মন, অনিল বায়ন, ললিত শৰ্মা আৰু দেৱজিৎ অধিকাৰী। খেলুৱৈ সকলৰ সৈতে অনুষ্ঠিত হোৱা মতবিনিময় অনুষ্ঠানটোৰ আঁত ধৰে অসমক প্ৰতিনিধিত্ব কৰি ৰাষ্ট্ৰীয় যুৱ সংসদত অংশগ্ৰহণ কৰা চন্দ্ৰমল্লিকা দাসে। অনুষ্ঠানৰ মাজত অভয়াপুৰী মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰাণজিৎ কলিতাই খেলৰ উপকাৰিতাৰ ওপৰত বক্তব্য ৰাখে। যুৱ সংবাদ অনুষ্ঠানত ১২ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে বক্তব্য ৰাখে। অনুষ্ঠানটিত 'বিকশিত ভাৰতৰ বাবে নিচামুক্ত যুৱসমাজ' শীৰ্ষক শপত বাক্য পাঠ কৰা হয়। অনুষ্ঠানটোত মহাবিদ্যালয়খনৰ ৰাষ্ট্ৰীয় সেৱা যোজনা গোটৰ কাৰ্যক্ৰম বিষয়া ড০ নৱজিৎ মজুমদাৰ আৰু ধৰমসিং ইংতি কাথাৰ উপস্থিত থকাৰ উপৰিও মহাবিদ্যালয়খনৰ সহকাৰী অধ্যাপক বিক্ৰম ৰঞ্জন ৰয়, মিণ্টু ৰাভা আৰু ৰাষ্ট্ৰীয় সেৱা যোজনাৰ স্বেচ্ছাসেৱকৰ উপৰিও অন্যান্য ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। ৰাষ্ট্ৰীয় সংগীতৰ মাধ্যমেৰে অনুষ্ঠানটিৰ সফল সামৰণি মৰা হয়।

## ২০ বছৰৰ সফলতাৰ পিছত অস্তিত্বৰ সংকটত লক্ষ্মীগঞ্জ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কলা শাখা

# দৰ্পণ পৰ্টেল বন্ধ হোৱাৰ পৰিণাম

**অসম বাৰ্তা, লক্ষ্মীগঞ্জ, ২৮ আগষ্ট ঃ** যি সময়ত ৰাজ্য চৰকাৰে শিক্ষা ব্যৱস্থাৰ সম্প্ৰসাৰণ আৰু শিক্ষাৰ গুণগত মান উন্নয়নৰ বাবে নতুন নতুন আঁচনি হাতত লৈছে, ঠিক তেনে সময়তে এক বিপৰীত ছবিয়ে চিন্তিত কৰি তুলিছে ধুবুৰী জিলাৰ অন্তৰ্গত লক্ষ্মীগঞ্জ অঞ্চলৰ শিক্ষাৰ্থী তথা অভিভাৱকসকলক। বিগত দুটা দশক ধৰি অঞ্চলটোৰ শৈক্ষিক ক্ষেত্ৰখনলৈ বিশেষ অৰিহণা যোগাই অহা ঐতিহাসিক লক্ষ্মীগঞ্জ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কলা শাখাটি এতিয়া বন্ধ হৈ পৰাৰ দিশে গতি কৰিছে। প্ৰাপ্ত বাতৰি মতে ২০০৫ চনত স্থানীয় ৰাইজৰ দীৰ্ঘদিনীয়া দাবী আৰু সক্ৰিয় প্ৰচেষ্টাত লক্ষ্মীগঞ্জ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কলা শাখাৰ সংযোজন কৰা হৈছিল। আৰম্ভণিৰে পৰাই বিদ্যালয়খনৰ কলা শাখাই সফলতাৰ ধাৰাবাহিকতা বজায় ৰাখিছিল। কেৱল ফলাফলৰ গুণগত মানেই নহয়, ছাত্ৰ-ছাত্ৰীৰ উল্লেখনীয় সংখ্যা আৰু উৎকৃষ্ট আন্তঃগাঁথনিৰ ওপৰত ভিত্তি কৰি ২০১৮ চনত শিক্ষা বিভাগে এই বিদ্যালয়খনক উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ চূড়ান্ত পৰীক্ষাৰ বাবে এক স্বতন্ত্ৰ পৰীক্ষা কেন্দ্ৰ হিচাপেও স্বীকৃতি দিছিল। যোৱা বছৰলৈকে এই শাখাত শিক্ষাৰ্থীৰ উপস্থিতি আৰু নামভৰ্তি আছিল লক্ষণীয়। ইপিনে অসম চৰকাৰৰ শিক্ষা বিভাগৰ নিৰ্দেশানুশৰি উচ্চতৰ মাধ্যমিক পৰ্যায়ত নামভৰ্তিৰ বাবে 'দৰ্পণ' (Darpan) পৰ্টেল বাধ্যতামূলক কৰা হৈছে। কিন্তু অত্যন্ত পৰিতাপৰ বিষয় যে, যোৱা বছৰৰ পৰা লক্ষ্মীগঞ্জ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কলা শাখাৰ নাম 'দৰ্পণ' পৰ্টেলত বন্ধ হৈ পৰাত সৃষ্টি হৈছে তীব্ৰ জটিলতাৰ। পৰ্টেলত নাম নথকাৰ বাবে অঞ্চলটোৰ সহস্ৰাধিক ইচ্ছুক ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়খনত নামভৰ্তি কৰিব পৰা নাই। পৰ্টেল বন্ধৰ বিভাগীয় নিৰ্দেশৰ ফলত এতিয়া বৃহৎ অঞ্চলটোৰ শিক্ষাৰ্থীসকলে এক অনিশ্চিত ভৱিষ্যতৰ সন্মুখীন হৈ যমৰ যাতনা ভুগিবলগীয়া হোৱা পৰিলক্ষিত হৈছে। স্থানীয় দুখীয়া আৰু মেধাৱী ছাত্ৰ-ছাত্ৰীসকল দূৰ-দূৰণিৰ আন বিদ্যালয়লৈ যাবলৈ বাধ্য হৈছে, যিটো বহু পৰিয়ালৰ বাবে আৰ্থিকভাৱে কষ্টকৰ হৈ পৰিছে। ২০ বছৰে সফলতাৰে চলি থকা এটা শাখা এনেদৰে বন্ধ হৈ পৰাৰ উপক্ৰম হোৱাত ক্ষোভিত হৈ পৰিছে অঞ্চলটোৰ ৰাইজ। বিদ্যালয়খনৰ কলা শাখাটো পুনৰ সজীৱ কৰি তোলাৰ স্বাৰ্থত এতিয়া একত্ৰিত হৈছে স্থানীয় ৰাইজ, অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীসকল। অতি শীঘ্ৰে 'দৰ্পণ' পৰ্টেলত লক্ষ্মীগঞ্জ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কলা শাখাৰ নাম অন্তৰ্ভুক্ত কৰি নামভৰ্তিৰ ব্যৱস্থা পুনৰ মুকলি কৰিবলৈ তেওঁলোকে অসম চৰকাৰৰ শিক্ষা বিভাগ তথা বিভাগীয় উৰ্ধতম কৰ্তৃপক্ষক কাতৰ অনুৰোধ জনাইছে। সময় থাকোঁতেই চৰকাৰে এই বিষয়ত হস্তক্ষেপ নকৰিলে অঞ্চলটোৰ শৈক্ষিক ভৱিষ্যত গভীৰ আন্ধাৰলৈ ঠেল খাই পৰিব বুলি আশংকা প্ৰকাশ কৰিছে সচেতন মহলে।

## ভয়-ভাবুকি আৰু ভুৱা গোচৰেৰে ত্ৰাস সৃষ্টি কৰা দম্পতীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থাৰ দাবী

# লখিমপুৰত এহাল দম্পতীৰ সন্ত্ৰাস; মুখ্যমন্ত্ৰী আৰু বিধায়কলৈ 'মাছ'ৰ স্মাৰক-পত্ৰ প্ৰেৰণ

**অসম বাৰ্তা, লীলাবাৰী, ২৮ আগষ্ট ঃ** লখিমপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত মৈদমীয়াৰ নিবাসী ভৰিত শইকীয়া ওৰফে প্যাৰীলাল আৰু তেওঁৰ পত্নীয়ে বিগত দুই দশকৰো অধিক সময় ধৰি বিভিন্ন অবৈধ কাৰ্যকলাপ, ভয়-ভাবুকি তথা আইনৰ অপ-প্ৰয়োগ কৰি সাধাৰণ জনতাৰ মাজত ত্ৰাস আৰু আতংকময় পৰিৱেশ সৃষ্টি কৰাৰ গুৰুতৰ অভিযোগ কৰি আজি মানৱ অধিকাৰ সংগ্ৰাম সমিতি চমুকৈ 'মাছ' চাউলধোৱা আঞ্চলিক সমিতিয়ে মুখ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মা আৰু লখিমপুৰ বিধানসভা সমষ্টিৰ বিধায়ক মানৱ ডেকাৰৈ পত্ৰ প্ৰেৰণ কৰে। মুখ্যমন্ত্ৰী আৰু বিধায়কলৈ প্ৰেৰণ কৰা পত্ৰখনত সংগঠনটোৱে অতি শীঘ্ৰে শইকীয়া দম্পতীৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। সংগঠনটোৱে অভিযোগ কৰা মতে, বিগত দুটা দশকৰো অধিক সময় ধৰি লখিমপুৰৰ বিভিন্ন অঞ্চলত অবৈধভাৱে চোৰাং কাঠৰ সৰবৰাহ, কাঠ ফলা মিল চলোৱাৰ লগতে বিভিন্ন অসামাজিক কাৰ্যত লিপ্ত হৈ আহিছে দম্পতীহালে। ইয়াৰ প্ৰতিবাদ কৰা ব্যক্তি বা বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা সংবাদকৰ্মীৰ ওপৰতো ভুৱা গোচৰ ৰুজু কৰি হাৰাশাস্তিৰ কৰাটো দম্পতীহালৰ নিচাত পৰিণত হৈছে বুলি পত্ৰখনত প্ৰকাশ কৰিছে সংগঠনটোৱে। দম্পতীহালে বিগত ৫-৬ বছৰত প্ৰায় ১৭জন ব্যক্তিৰ বিৰুদ্ধে বিভিন্ন থানাত ভুৱা গোচৰ তৰি সমাজত একপ্ৰকাৰৰ সন্ত্ৰাসৰ সৃষ্টি কৰিছে। সাধাৰণ লোকক হাৰাশাস্তি কৰাৰ উদ্দেশ্যে দাখিল কৰা গোচৰসমূহৰ সংক্ষিপ্ত তালিকা এনেধৰণৰ- পি.আৰ.চি. নং 418/2018, 622/2019, 904/2021, 130/2022, 522/2022, 7080/2022, 2027/2022, 966/2023 আৰু এম.ভি.আই. এক্ট- 344/2025। ঠিক একেদৰেই পিছপৰি থকা নাই ভৰিত শইকীয়া ওৰফে প্যাৰীলালৰ পত্নী বেলী শইকীয়া। প্যাৰীলালৰ পত্নী বেলী শইকীয়াই তৰা গোচৰসমূহৰ পি.আৰ.চি. 1672/2022, 1197/2022, 1112/2022, 1617/2022, 2508/2022, 444/2022, 418/2018, 1185/2015 আদালতত চলি আছে। উল্লেখযোগ্য যে, পি.আৰ.চি. 1197/২০২২ নম্বৰ গোচৰটো ND24 নিউজ চেনেলৰ লখিমপুৰ সাংবাদিকৰ ওপৰত ৰুজু কৰা গোচৰ। মুখ্যমন্ত্ৰী আৰু লখিমপুৰৰ বিধায়কক প্ৰেৰণ কৰা পত্ৰখনত আন কেতবোৰ গুৰুতৰ ঘটনাৰো তদন্তৰ দাবী জনাইছে সংগঠনটোৱে। উত্তৰ লখিমপুৰ চহৰৰ পানীন্দ্ৰ বিদ্যালয় পথৰ নেপালী সম্প্ৰদায়ৰ এগৰাকী নাবালিকাক ধৰ্ষণ কৰাৰ অভিযোগৰ উপযুক্ত তদন্ত নোহোৱা প্ৰসংগৰ সমান্তৰালকৈ প্যাৰীলালৰ মৈদমীয়াস্থিত কাঠৰ গুদাম ঘৰত সংঘঠিত হৈছিল ৫টাকৈ আত্মহননৰ ঘটনা, যিটো ঘটনাৰ সঠিক তদন্ত আজিও নহ'ল বুলি সংগঠটোৱে উল্লেখ কৰিছে। লখিমপুৰৰ চুতীয়াকাৰীত পিতৃয়ে বিক্ৰী কৰা মাটি পুত্ৰ প্ৰশান্ত শইকীয়াৰ পৰা ভয়-ভাবুকি দি কাঢ়ি লোৱাৰ অভিযোগ আৰু লখিমপুৰ মৈদমীয়াৰ সতী সাধনী তিনিআলিস্থিত চৰকাৰী মাটি অবৈধভাৱে দখল কৰি মাৰ্কেট কমপ্লেক্স নিৰ্মাণ অভিযোগ আৰু নকাৰী হাইস্কুল পথৰ ফৰিদুল ৰহমান তথা লখিমপুৰ জিলা হিন্দু যুৱ পৰিষদৰ সভাপতি জীষ্ণু দত্তৰ নামত ভুৱা ধন দাবীৰ গোচৰ ৰুজু কৰি সমাজত ত্ৰাস সৃষ্টি কৰা দম্পতীহালৰ বিৰুদ্ধে দৃষ্টান্তমূলক ব্যৱস্থা গ্ৰহণ বাবে 'মাছ'ৰ চাউলধোৱা আঞ্চলিক সমিতিৰ অধ্যক্ষ বুধি নাথ আৰু সচিব জিংকু শইকীয়াৰ দ্বাৰা স্বাক্ষৰিত স্মাৰক-পত্ৰৰ জৰিয়তে জনসাধাৰণক এনে দুস্কৃতিকাৰীৰ সন্ত্ৰাসৰ পৰা মুক্ত কৰিবলৈ চৰকাৰক কঠোৰ আইনী ব্যৱস্থা গ্ৰহণৰ বাবে দাবী উত্থাপন কৰে।

# মাদক দ্ৰব্যৰ বিৰুদ্ধে আটছাৰ অভিযান আৰম্ভ




**অসম বাৰ্তা, মাকুম, ২৮ আগষ্ট ঃ** আজিৰে পৰা বৃহত্তৰ মাকুম অঞ্চলত চলিব অসম চাহ জনজাতি ছাত্ৰ সন্থা (আটছা) মাকুম শাখা সমিতিৰ উদ্যোগত মাদক দ্ৰব্যৰ বিৰুদ্ধে অভিযান। সেই মৰ্মে আজি আৰম্ভণিৰ দিন হিচাপে মাকুম শুকানপুখুৰীস্থিত জগন্নাথ সামূহিক ভৱন আৰু দক্ষতা কেন্দ্ৰত লোহাৰী উপ-শাখা সমিতিৰ উদ্যোগত, আটছা মাকুম শাখা আৰু অসম চাহ জনজাতি মহিলা সমিতি (আটুৱা)ৰ সহযোগত চাহ বাগিচা আৰু গাঁও অঞ্চলত ড্ৰাগছ, মদ আৰু চুলাইৰ প্ৰচলন বন্ধ কৰাৰ উদ্দেশ্যে বিশেষ সজাগতা সভা অনুষ্ঠিত কৰা হয়। সভাখনৰ সভাপতিত্ব কৰাৰ লগতে আঁত ধৰে আটছা মাকুম শাখাৰ সভাপতি ৰবি কুৰ্মীয়ে। সভাত উপস্থিত থকা প্ৰশাসনিক বিষয়াৰ লগতে কেইবাগৰাকী সংগঠনটোৰ বিষয়ববীয়া সকলে ড্ৰাগছ, মদ আৰু চুলাইৰ ভয়াবহতা সম্পৰ্কে বক্তব্য প্ৰদান কৰি যুৱ প্ৰজন্মক এইসমূহৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনায়। ইয়াৰ পাছতে সভাস্থলীৰ পৰা শুকানপুখুৰী বাগিচাৰ লাইনে লাইনে এক বৃহৎ সজাগতা যাত্ৰা ৰূপায়ণ কৰে। উক্ত যাত্ৰাত অংশগ্ৰহণকাৰীসকলে "আটছা জিন্দাবাদ", "চুলাই মদ বন্ধ কৰক" আদি বিভিন্ন শ্লোগানেৰে ৰাইজৰ মাজত ড্ৰাগছ, মদ আৰু চুলাইবিৰোধী সজাগতাৰ বাৰ্তা প্ৰচাৰ কৰাৰ লগতে চুলাই মদ ব্যৱসায় কৰা সকলক ভৱিষ্যতলৈ এইসমূহ ব্যৱসায় বন্ধ কৰিবলৈ আহ্বান জনায়, অন্যথ্যা অনাগত দিনত আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য হ'ম বুলি সকীয়নী প্ৰদান কৰে। তদুপৰি গ্ৰাম্য বা বাগিচাৰ অঞ্চলত চৰকাৰে প্ৰদান কৰা বিলাতী সুৰা বিক্ৰী কৰা অনুজ্ঞাপত্ৰৰ বিৰুদ্ধে সৰৱ হোৱাৰ লগতে অনতিপলমে উচিত স্থানত এই সুৰাৰ বিপণি সমূহ স্থানান্তৰ কৰিব লাগিব অন্যথ্যা ৰাজপথত আন্দোলনৰ সন্মুখীন হ'বলৈ চৰকাৰ সাজোঁ থাকক বুলি সংবাদ মাধ্যমৰ যোগেদি সকীয়নী প্ৰদান কৰে আটছাৰ সাংগঠনিক সম্পাদক শৰৎ কুৰ্মীয়ে। আজিৰ এই কাৰ্যসূচীত মাকুম সম-জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক অৰূপজ্যোতি টেৰণ, মাকুম সম-জিলা আৱকাৰী বিভাগৰ পৰিদৰ্শক পংকজ কুমাৰ বৰুৱা, আটছাৰ কেন্দ্ৰীয় উপ-সভাপতি লাঝাৰ নন্দ, সাংগঠনিক সম্পাদক শৰৎ কুৰ্মী, কাৰ্যনিৰ্বাহক সদস্য কনক কুৰ্মী, জিলা সমিতিৰ কাৰ্ত্তিক তাঁতী, বিকাশ তাঁতী, দয়াৰাম ভক্তা, বিক্ৰম কুৰ্মীকে ধৰি আটছাৰ শাখা, উপ-শাখাৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

# মূল্যবৃদ্ধিৰ বিৰুদ্ধে বৰপেটা জিলা ছাত্ৰ সন্থাৰ বিক্ষোভ কাৰ্যসূচী

**অসম বাৰ্তা, বৰপেটাসদৰ, ২৮ আগষ্ট ঃ** অত্যাৱশ্যকীয় সামগ্ৰীৰ অভাৱনীয় মূল্যবৃদ্ধিৰ প্ৰতিবাদত আৰু মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ দাবীত আজি বৰপেটাত বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে বৰপেটা জিলা ছাত্ৰ সন্থা সন্থাই। ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ মৰ্মে অনুষ্ঠিত এই বিক্ষোভ কাৰ্যসূচীত ছাত্ৰ সন্থাৰ সদস্যসকলে চৰকাৰবিৰোধী বিভিন্ন শ্লোগান দি মূল্যবৃদ্ধি ৰোধৰ দাবী জনায়। বিক্ষোভকাৰীসকলে কয় যে চাবোন, দালি, মিঠাতেল, চেনি, পিঁয়াজকে ধৰি নিত্যপ্ৰয়োজনীয় সামগ্ৰীৰ মূল্য ক্ৰমাগতভাৱে বৃদ্ধি পোৱাত সাধাৰণ জনতা, বিশেষকৈ নিম্ন আৰু মধ্যবিত্ত পৰিয়ালসমূহ যথেষ্ট সমস্যাৰ সন্মুখীন হৈছে। সীমিত উপাৰ্জনেৰে পৰিয়াল চলোৱা লোকসকলৰ বাবে প্ৰতিদিনে জীৱন-যাপন কঠিন হৈ পৰিছে। ছাত্ৰ সন্থাৰ প্ৰতিবাদকাৰীসকলে অভিযোগ কৰে যে কিছুদিন পূৰ্বে প্ৰায় ৪৫ টকাত উপলব্ধ চেনিৰ দাম এতিয়া ৭০ টকালৈ বৃদ্ধি পাইছে। একেদৰে পিঁয়াজৰ দাম প্ৰায় ৫৫ টকা আৰু মিঠাতেলৰ দামো বৃদ্ধি পাইছে। এনে পৰিস্থিতিত চৰকাৰে কেৱল নিৰ্বাচনৰ সময়ত জনসাধাৰণৰ কথা চিন্তা নকৰি মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ বাবে কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিব লাগে বুলি দাবী জনায়। মূল্যবৃদ্ধি শীঘ্ৰে নিয়ন্ত্ৰণ নকৰিলে আগন্তুক দিনত ইয়াতকৈও অধিক তীব্ৰ গণআন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে বৰপেটা জিলা ছাত্ৰ সন্থাই।

## মৰঙি কনিষ্ঠ মহাবিদ্যালয়ত সজাগতা সভা, বাটৰ নাট আৰু সমদল

# নিচামুক্ত সমাজ গঢ়াৰ লক্ষ্যৰে মৰঙি আঞ্চলিক ছাত্ৰ সন্থাৰ সজাগতা অভিযান

**অসম বাৰ্তা, নুমলীগড়, ২৮ আগষ্ট ঃ** নিচাজাতীয় দ্ৰব্যৰ অপব্যৱহাৰৰ বিৰুদ্ধে যুৱ প্ৰজন্মক সজাগ কৰি এখন সুস্থ আৰু নিচামুক্ত সমাজ গঢ়াৰ লক্ষ্যৰে মৰঙি আঞ্চলিক ছাত্ৰ সন্থাই মৰঙি কনিষ্ঠ মহাবিদ্যালয়ত এক বিশেষ সজাগতা অভিযান ৰূপায়ণ কৰে। অভিযানৰ অংশ হিচাপে মহাবিদ্যালয়খনত এখন সজাগতা সভা অনুষ্ঠিত কৰাৰ লগতে নিচাবিৰোধী বাটৰ নাট প্ৰদৰ্শন আৰু সজাগতা সমদল উলিওৱা হয়। গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক প্ৰাচুৰ্য দুৱৰাই আঁত ধৰা সভাত মৰঙি কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ মৃণালিনী বৰদলৈ, মৰঙি স্নাতক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মামণি মহন্ত, নুমলীগড় গ্ৰাম্য আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নিপন দাস, জ্যেষ্ঠ সাংবাদিক বিনন ফুকন আৰু চবিত বিষ্টই বক্তব্য আগবঢ়ায়। সভাত বক্তাসকলে নিচাজাতীয় দ্ৰব্যৰ অপব্যৱহাৰে যুৱ প্ৰজন্মৰ লগতে পৰিয়াল আৰু সমাজ জীৱনত পেলোৱা ভয়াৱহ নেতিবাচক প্ৰভাৱৰ বিষয়ে আলোকপাত কৰে। যুৱ সমাজক নিচাৰ পৰা আঁতৰি শিক্ষা, ক্ৰীড়া আৰু সৃষ্টিশীল কাম-কাজৰ সৈতে জড়িত হ'বলৈ আহ্বান জনায় বক্তাসকলে। ইয়াৰ পিছতে নিচাবিৰোধী বিভিন্ন বাৰ্তা সম্বলিত প্লে-কাৰ্ড আৰু বেনাৰ লৈ এক সজাগতা সমদল উলিওৱা হয়। লগতে বাটৰ নাটৰ জৰিয়তে নিচাজাতীয় দ্ৰব্যৰ কবলত পৰিলে ব্যক্তি, পৰিয়াল আৰু সমাজে সন্মুখীন হ'বলগীয়া ভয়াৱহ পৰিণতি সহজ আৰু মনোগ্ৰাহীভাৱে তুলি ধৰা হয়। যুৱ প্ৰজন্মক নিচাৰ কবলৰ পৰা সুৰক্ষিত কৰি এখন সুস্থ, সবল আৰু নিচামুক্ত সমাজ গঢ়ি তোলাৰ বাবে মৰঙি আঞ্চলিক ছাত্ৰ সন্থাই সমাজৰ সকলো শ্ৰেণীৰ লোকক ঐক্যবদ্ধভাৱে আগবাঢ়ি আহিবলৈ আহ্বান জনায়।

# বিশ্বনাথত নথি-পত্ৰ বিহীন ই-ৰিক্সাৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান; ৪০খন ই-ৰিক্সা জব্দ

**অসম বাৰ্তা, জিনজিয়া, ২৮ আগষ্ট ঃ** বিশ্বনাথ জিলাত আৰক্ষীয়ে এক বৃহৎ অভিযান চলাই। অভিযানকালত আৰক্ষীৰ দলটোৱে ৪০খন নথি-পত্ৰ বিসংগতি থকা ই-ৰিক্সা জব্দ কৰি সদৰ থানালৈ লৈ আনে। উল্লেখ্য যে দুদিন পূৰ্বে জিলা আয়ুক্ত আৰু ই-ৰিক্সা সন্থাৰ যুটীয়া বৈঠক অনুষ্ঠিত হৈছিল য'ত সন্থাই আয়ুক্ত গৰাকীক নথি-পত্ৰ বিহীন আৰু চালকৰ অনুজ্ঞা পত্ৰ নথকা ই-ৰিক্সা চালকসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছিল। জিলা অতিৰিক্ত আৰক্ষী অধীক্ষক দেৱৰ্ষি চৌধুৰীয়ে কয়, অনাগত দিনতো এনে অভিযান অব্যাহত থাকিব, লগতে যিসকলৰ ই-ৰিক্সা জব্দ কৰা হৈছে তেওঁলোকৰ বিৰুদ্ধে বিধি অনুসৰি ব্যৱস্থা গ্ৰহণ কৰিব।

**LOST**

I have lost my H.S.L.C Admit Card, Roll No. B26-0603, No. 0119, issued by Assam State School Education Board (SEBA). Finder please contact.
Tupani Basumatary
D/O: Lakshinath Basumatary
Address:
Vill & PO - Laudanga,
VTC - Lawdanga,
SD - Dotoma, Pin - 783347
Dist. - Kokrajhar, Assam
Mobile: 7638026009
AB-133/2026

**NAME CORRECTION**

My actual and correct name is CHAMPA RAJBANSHI which has been recorded in my relevant all documents including Aadhar Card, vide No. 5918 6040 7489, PAN Card vide no BQMPR9013F but my Name has erroneously been recorded CHAMPA RAY in my bank passbook of Assam Gramin Vikash Bank having A/C no. 71500260031 15 Lakhiganj Branch as CHAMPA RAYinstead of CHAMPA RAJBANSHI
Sd/-
CHAMPA RAJBANSHI
W/O: Lankeshwar Roy
Vill: Futkibari (Medhipara)
PO: Futkibari, Pin: 783345
SD: Bilasipara
Dist: Dhubri, Assam.
AB-131/2026

**NAME CORRECTION**

Sworn before the Court of Judicial Magistrate 1st Class at Nazira, Assam, dated 25.08.2024, that I, BELU MOHAN DAS, S/O Gopendra Das, R/O Balighat Borduwar Mukh, P.O. Gargaon, P.S. Simaluguri, Dist. Sivasagar, Assam – 785685, do hereby declare that my correct name is BELU MOHAN DAS, my wife's correct name is BOGI RAJPUT DAS, and both are recorded in respective Aadhaar and PAN cards. In the school records of my daughter Gayatri Das (Class X, Kendriya Vidyalaya ONGC, Nazira, Admission No. 7733), our names have been mistakenly recorded as BELU DAS and BOBY DAS. This is to notify the general public that BELU MOHAN DAS / BELU DAS and BOGI RAJPUT DAS / BOBY DAS are one and the same persons, respectively.
AB-132/2026

## কুশল কোঁৱৰ বাল্যভৱনৰ সাৰাংগ ঋষি দাস আৰু আকাশ মণ্ডলৰ দললৈ শ্ৰেষ্ঠ দলৰ খিতাপ

# গোলাঘাটত শিক্ষাবিদ ড° ৰাজীৱলোচন বৰা সোঁৱৰণী কুইজ প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৭ আগষ্ট ঃ** গোলাঘাটস্থিত দণ্ডধৰ উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ উদ্যোগত, ড° ৰাজীৱ লোচন বৰা স্মৃতি ন্যাসৰ আৰ্থিক সাহায্যত চৰকাৰী বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীৰ মাজত 'তৃতীয় বাৰ্ষিক ড° ৰাজীৱ লোচন বৰা সোঁৱৰণী কুইজ প্ৰতিযোগিতা'খনি গাম্ভীৰ্যপূৰ্ণ কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। এই উপলক্ষে ড° ৰাজীৱ লোচন বৰাদেৱৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানত প্ৰজ্বলন কৰে বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভানেত্ৰী ৰূপা শইকীয়াই। প্ৰতিযোগিতাখনি উদ্বোধন কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষক হেমন্ত মেদকে। গোলাঘাটৰ চৰকাৰী বিদ্যালয়সমূহৰ মুঠ ২০টা প্ৰতিযোগী দলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনিত কুইজ মাষ্টৰৰ দ্বায়িত্ব সুচাৰুভাৱে পালন কৰে ফৰকাটিং মহাবিদ্যালয়ৰ অধ্যাপক শৰৎ চেতিয়া আৰু দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ ছাত্ৰ প্ৰত্যাশ প্ৰশান্ত তামোলীয়ে। কুইজ প্ৰতিযোগিতা খনিৰ সফল পৰিসমাপ্তিৰ পিছত ড°ৰাজীৱ লোচন বৰাৰ স্মৃতিচাৰণ সভা আৰু বঁটা বিতৰণী অনুষ্ঠানটি অনুষ্ঠিত হয়। উক্ত কুইজ প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হয় কুশল কোঁৱৰ বাল্য ভৱনৰ সাৰংগ ঋষি দাস আৰু আকাশ মণ্ডলৰ দলে। দ্বিতীয় স্থান লাভ কৰে দণ্ডধৰ উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ ছাত্ৰী অৰ্পনাশ্ৰী বৰকটকী আৰু ৰিয়া ৰয়ে। তৃতীয় শ্ৰেষ্ঠ দল হিচাপে বিবেচিত হয় গোলাঘাট চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ ক্ৰমে তৈয়াবু আয়ান আহাদ খান আৰু আকাশ বৰাই। বঁটা বিতৰণী সভাখনত সভাপতিত্ব কৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক নেকিবুৰ ৰহমান। বিদ্যালয়ৰ অন্য এগৰাকী জ্যেষ্ঠ শিক্ষক গংগাধৰ বড়াই উদ্দেশ্য ব্যাখ্যা আগবঢ়োৱা বঁটা বিতৰণ অনুষ্ঠানটি পৰিচালনা কৰে জ্যেষ্ঠ শিক্ষয়িত্ৰী ক্ৰমে পদ্মা ফুকন, দেৱযানী বৰুৱা আৰু হিৰণ্ময়ী চুতীয়াই। সভাত প্ৰয়াত ৰাজীৱ লোচন বৰাৰ কৰ্মৰাজিৰ বিষয়ে চমু আলোকপাত কৰে অৱসৰপ্ৰাপ্ত অধ্যাপক দিলীপ কুমাৰ গোস্বামী আৰু ৰাজীৱ শৰ্মাই। সভাত ন্যাসৰ সভাপতি তথা প্ৰয়াত ডঃ ৰাজীৱ লোচন বৰাৰ সহধৰ্মিণী পূবালি বৰদলৈয়ে তেখেতৰ বক্তব্যত ন্যাসৰ লক্ষ্য উদ্দেশ্য আৰু কুইজ প্ৰতিযোগিতাৰ প্ৰয়োজনীয়তা সম্পৰ্কে সাৱলীল বক্তব্য আগবঢ়ায়।

# মাজুলীৰ পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত অভিভাৱক সভা সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ২৮ আগষ্ট ঃ** মাজুলী জিলা শিক্ষা খণ্ডৰ অন্তৰ্গত মাধ্যমিক শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান পীতাম্বৰ দেৱ গোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত আজি এখন অভিভাৱক সভা অনুষ্ঠিত হয়। বিদ্যালয়ৰ প্ৰেক্ষাগৃহত আজি বিয়লি এক বজাৰ পৰা আৰম্ভ হোৱা উক্ত অভিভাৱক সভাত সভাপতিত্ব কৰে বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি নিৰণ শইকীয়াই। জ্যেষ্ঠ শিক্ষক যদু কলিতাই আঁত ধৰা উক্ত অভিভাৱক সভাত উদ্দেশ্য ব্যাখ্যা কৰি আদৰণী ভাষণ দিয়ে বিদ্যালয়ৰ অধ্যক্ষ অজিত সভাপণ্ডিতে। সভাত বিদ্যালয়ৰ পৰিচালনা সমিতি গঠনৰ সকলো চৰকাৰী নীতি নিৰ্দেশনা পাঠ কৰে অধ্যক্ষ অজিত সভাপণ্ডিতে। সভাত অভিভাৱকসকলৰ মাজৰ পৰা বিদ্যালয়ৰ অভিভাৱক সমিতিৰ সভাপতি মাণিক চন্দ্ৰ হাজৰিকা, কৃষ্ণ দাস, ৰাজীৱ কুমাৰ বৰা, বিদ্যা নাথ, মহেন্দ্ৰ বৰা, ৰেণু বৰা, ডালিমি পামেগাম, জয়ন্ত মেধি, আদিয়ে বিদ্যালয়ৰ শৈক্ষিক দিশ উত্তৰণৰ বাবে বিভিন্ন পৰামৰ্শ প্ৰদান কৰে। সভাত আগন্তুক কাৰ্যকালৰ বাবে বিদ্যালয় পৰিচালনা সমিতি গঠনৰ বাবে অভিভাৱক সমিতিৰ পৰা সভাপতি হিচাপে মাণিক চন্দ্ৰ হাজৰিকা, লক্ষ্য গায়ন, উপ-সভাপতি হিচাপে কৃষ্ণ দাস আৰু দালিমী পামেগামক লৈ ১৫ জনীয়া সদস্যৰে বিদ্যালয় পৰিচালনা সমিতিৰ প্ৰস্তাৱিত সমিতিখন গঠন কৰা হয়। উক্ত, সমিতিখন শিক্ষা বিভাগৰ অনুমোদনৰ বাবে প্ৰেৰণ কৰাৰ বাবে সভাত অধ্যক্ষ অজিত সভাপণ্ডিতক দায়িত্ব প্ৰদান কৰে। উক্ত, সভাত ছাত্ৰ-ছাত্ৰীসকলৰ অনুশাসন সন্দৰ্ভত বিদ্যালয়ৰ শিক্ষকসকলৰ মাজৰ পৰা জ্যেষ্ঠ শিক্ষয়িত্ৰী বিজু দেৱীয়ে বিভিন্ন পৰামৰ্শ প্ৰদান কৰে। সভাত শলাগ জ্ঞাপন কৰে অধ্যক্ষ অজিত সভাপণ্ডিতে।

# কলিয়াবৰ মহাবিদ্যালয়ত পথ সুৰক্ষা সজাগতা সভা

**অসম বাৰ্তা, কলিয়াবৰ, ২৮ আগষ্ট ঃ** পথ সুৰক্ষাৰ প্ৰতি জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধি কৰাৰ উদ্দেশ্যে কলিয়াবৰ মহাবিদ্যালয়ত এখন পথ সুৰক্ষা সজাগতা সভা অনুষ্ঠিত হয়। নগাঁও জিলা পথ সুৰক্ষা সমিতি আৰু জিলা পৰিবহণ বিভাগৰ উদ্যোগত দিনৰ ১ বজাত অনুষ্ঠিত সভাখনে পথ সুৰক্ষাৰ বিভিন্ন দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বৰ্তমান সময়ত পথ দুৰ্ঘটনা এক গুৰুতৰ সামাজিক সমস্যা হিচাপে পৰিগণিত হৈছে। দ্ৰুতগতিত বাহন চলোৱা, যান-বাহনৰ নিয়ম উলংঘা কৰা, হেলমেট আৰু ছিটবেল্ট ব্যৱহাৰ নকৰা, ম'বাইল ফোন ব্যৱহাৰ কৰি বাহন চলোৱা আদি কাৰণত বহু সময়ত দুৰ্ঘটনা সংঘটিত হয়। এনে পৰিস্থিতিত পথ সুৰক্ষাৰ নিয়মসমূহ মানি চলাৰ ক্ষেত্ৰত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰাটো অতি জৰুৰী। সভাত পথচাৰী, বাইক আৰোহী, চালক আৰু অন্যান্য পথ ব্যৱহাৰকাৰীসকলক যান-বাহনৰ নিয়ম-কানুন মানি চলিবলৈ আহ্বান জনায়। বিশেষকৈ বাইক চলোৱাৰ সময়ত হেলমেট পৰিধান কৰা, চাৰিচকীয়া বাহনত ছিটবেল্ট ব্যৱহাৰ কৰা, নিৰ্ধাৰিত গতিসীমা মানি চলা আৰু যান-বাহন চলোৱাৰ সময়ত ম'বাইল ফোন ব্যৱহাৰ নকৰাৰ দৰে সাৱধানতাসমূহৰ বিষয়ে জনসাধাৰণক সচেতন কৰাৰ প্ৰয়োজনীয়তাৰ বিষয়ে আলোচনা কৰা হয়। তদুপৰি পথ সমূহৰ কাষত গৰু-ছাগলী আদি এৰাল দিয়াৰ বাবেও যাত্ৰী সকলৰ যাতায়াতত বহু পৰিমাণে অসুবিধাৰ সৃষ্টি হোৱাৰ লগতে দুৰ্ঘটনাও সংঘটিত হয়। গতিকে কলিয়াবৰৰ সকলো ৰাইজকেই পথ সমূহৰ কাষত গৰু ছাগলী এৰাল নিদিবলৈ আহ্বান জনায় সভাত উপস্থিত ব্যক্তি সকলে। সভাখনত উপস্থিত আছিল নগাঁও জিলা পৰিবহণ বিষয়া, কলিয়াবৰ সমজিলা আৰক্ষী অধীক্ষক, কলিয়াবৰ সমজিলা আয়ুক্তৰ লগতে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা সকল আৰু ছাত্ৰ-ছাত্ৰী সকল উপস্থিত থাকে। কলিয়াবৰ মহাবিদ্যালয়ত অনুষ্ঠিত এই সজাগতা সভাই ছাত্ৰ-ছাত্ৰী আৰু যুৱ প্ৰজন্মৰ মাজতো পথ সুৰক্ষাৰ প্ৰতি দায়িত্ববোধ বৃদ্ধি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। পথ সুৰক্ষা কেৱল চৰকাৰ বা পৰিবহণ বিভাগৰ দায়িত্ব নহয়; প্ৰতিগৰাকী নাগৰিকেই দায়িত্বশীলভাৱে পথ ব্যৱহাৰ কৰিলেহে দুৰ্ঘটনা হ্ৰাস কৰি এখন সুৰক্ষিত সমাজ গঢ়ি তোলা সম্ভৱ। সভাখনে পথ সুৰক্ষাৰ ক্ষেত্ৰত জনসাধাৰণৰ সক্ৰিয় সহযোগিতাৰ প্ৰয়োজনীয়তাৰ কথাও উল্লেখ কৰে।

ব্যৱসায়ীৰ গুদামৰ পৰা প্ৰায় ২৫ লাখ টকাৰ ১,৫০০ টিন লালীগুড় জব্দ

# লংকাৰ লালুংডুবিত নিষিদ্ধ লালীগুড়ৰ বিৰুদ্ধে অভিযান



**অসম বাৰ্তা, লংকা, ২৭ আগষ্ট ঃ** হোজাই জিলাত সম্পূৰ্ণৰূপে নিষিদ্ধ লালীগুড়ৰ অবৈধ মজুত আৰু ব্যৱসায়ৰ বিৰুদ্ধে জিলা প্ৰশাসনে অভিযান তীব্ৰতৰ কৰি তোলাৰ সময়তে লংকাৰ লালুংডুবি অঞ্চলত সংঘটিত হৈছে এক উল্লেখযোগ্য অভিযান। হোজাই জিলা আয়ুক্তৰ নিৰ্দেশৰ পিছতে দেওবাৰে জিলা প্ৰশাসন আৰু আৰক্ষীৰ এটা দলে লালুংডুবি অঞ্চলৰ এজন ব্যৱসায়ীৰ গুদামত অভিযান চলাই বৃহৎ পৰিমাণৰ লালীগুড় জব্দ কৰে। জানিব পৰা মতে, লালুংডুবি অঞ্চলৰ ব্যৱসায়ী অনিল বিশ্বাসে তেওঁৰ গুদামত বৃহৎ পৰিমাণৰ লালীগুড় মজুত কৰি ৰখাৰ অভিযোগ উত্থাপিত হৈছিল। এই তথ্যৰ ভিত্তিত জিলা প্ৰশাসনৰ নিৰ্দেশত আৰক্ষী-প্ৰশাসনৰ দলে গুদামটোত অভিযান চলায়। অভিযানকালত গুদামটোৰ পৰা প্ৰায় ১, ৫০০ টিন লালীগুড় উদ্ধাৰ কৰি জব্দ কৰা হয়। জব্দ কৰা লালীগুড়ৰ আনুমানিক বজাৰমূল্য প্ৰায় ২৫ লাখ টকা বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে, হোজাই জিলাত লালীগুড়ৰ ব্যৱহাৰ আৰু বেচা-কিনা নিষিদ্ধ। এনে পৰিস্থিতিত নিষেধাজ্ঞা অমান্য কৰি বৃহৎ পৰিমাণৰ লালীগুড় মজুত কৰি ৰখাৰ ঘটনাই অঞ্চলটোত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰশাসনৰ সূত্ৰ অনুসৰি, নিষিদ্ধ সামগ্ৰীৰ অবৈধ মজুত, সৰবৰাহ আৰু ব্যৱসায়ৰ বিৰুদ্ধে আগন্তুক দিনতো অভিযান অব্যাহত থাকিব। স্থানীয় একাংশ লোকৰ অভিযোগ অনুসৰি, বাহিৰৰ ৰাজ্যৰ পৰা বৃহৎ পৰিমাণৰ লালীগুড় আনি স্থানীয় বজাৰত বিক্ৰী কৰা হৈছে। ইয়াৰ ফলত স্থানীয় কৃষক আৰু ক্ষুদ্ৰ গুৰ উৎপাদকসকলে প্ৰস্তুত কৰা গুৰৰ বজাৰতো নেতিবাচক প্ৰভাৱ পৰাৰ আশংকা দেখা দিছে। স্থানীয়ভাৱে উৎপাদিত গুৰৰ বিপৰীতে বাহিৰৰ পৰা অহা বৃহৎ পৰিমাণৰ সামগ্ৰী বজাৰত প্ৰৱেশ কৰিলে স্থানীয় কৃষকসকলৰ উৎপাদিত সামগ্ৰীৰ চাহিদা আৰু উচিত মূল্য দুয়োটাই ক্ষতিগ্ৰস্ত হ'ব পাৰে বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে। ইফালে, লালীগুড়ৰ অবৈধ মজুত আৰু ব্যৱসায়ৰ সৈতে জড়িত চক্ৰটোৰ বিৰুদ্ধে প্ৰশাসনে অধিক কঠোৰ পদক্ষেপ গ্ৰহণ কৰাৰ দাবী উত্থাপন হৈছে। কেৱল এজন ব্যৱসায়ীৰ গুদামত অভিযান চলাই সামগ্ৰী জব্দ কৰাই নহয়, এই নিষিদ্ধ সামগ্ৰী ক'ৰ পৰা আহিছে, কোনে সৰবৰাহ কৰিছে আৰু ক'লৈ বিতৰণ কৰা হৈছিল। সেই সমগ্ৰ যোগসূত্ৰ তদন্ত কৰাৰ প্ৰয়োজনীয়তা আছে বুলি স্থানীয় ৰাইজে মত প্ৰকাশ কৰিছে। অভিযানৰ সময়ত জব্দ কৰা প্ৰায় ১,৫০০ টিন লালীগুড়ৰ সন্দৰ্ভত ব্যৱসায়ী অনিল বিশ্বাসৰ বিৰুদ্ধে ইতিমধ্যে গোচৰ ৰুজু কৰা হৈছে। আৰক্ষীয়ে ঘটনাটোৰ তদন্ত আৰম্ভ কৰাৰ লগতে লালীগুড়ৰ সৰবৰাহ আৰু মজুতৰ আঁৰত কোনো বৃহৎ ব্যৱসায়িক চক্ৰ জড়িত আছে নেকি, সেই বিষয়টোও তদন্তৰ আওতালৈ অনাৰ সম্ভাৱনা আছে। হোজাই জিলা প্ৰশাসনৰ এই অভিযানক স্থানীয় ৰাইজে আদৰণি জনাইছে। বিশেষকৈ স্থানীয় কৃষক আৰু গুৰ উৎপাদকসকলৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ লগতে নিষিদ্ধ সামগ্ৰীৰ অবৈধ বেহা সম্পূৰ্ণৰূপে বন্ধ কৰিবলৈ প্ৰশাসনে নিয়মীয়াকৈ এনে অভিযান চলাই যাব লাগে বুলি ৰাইজে দাবী জনাইছে। ইতিমধ্যে লালুংডুবিৰ এই অভিযানক লৈ অঞ্চলটোত ব্যাপক চৰ্চা চলিছে। আগন্তুক দিনত আৰক্ষী-প্ৰশাসনৰ তদন্তত লালীগুড়ৰ এই বৃহৎ মজুতৰ আঁৰৰ সম্পূৰ্ণ তথ্য পোহৰলৈ আহিব বুলি আশা কৰা হৈছে।

১৫ কিলোমিটাৰ দূৰত্বৰ সলনি ৪০ কিলোমিটাৰ দূৰৈৰ বৰগাঙলৈ যাব লাগিব ৰাইজ

# নৱগঠিত বিহালী ৰাজহ চক্ৰত চামিল হ'ব হেলেম ৰাজহ চক্ৰৰ ছখন গাঁও পঞ্চায়ত

## ক্ষেত্ৰভিত্তিক দূৰত্বৰ অধ্যয়ন নকৰাকৈ স্থানান্তৰৰ প্ৰস্তুতি চলোৱাক লৈ অসন্তুষ্ট ৬০খন গাঁৱৰ ৰাইজ

**অসম বাৰ্তা, গহপুৰ, ২৮ আগষ্ট ঃ** নৱগঠিত বিহালী ৰাজহ চক্ৰত হেলেম ৰাজহ চক্ৰৰ ছখন গাঁও পঞ্চায়ত অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্তক লৈ অসন্তুষ্ট হৈ পৰিছে সংশ্লিষ্ট অঞ্চলৰ ৰাইজ। অহা ১৭ ছেপ্টেম্বৰত বৰগাঙত নৱগঠিত বিহালী ৰাজহ চক্ৰ কাৰ্যালয়টো শুভ উদ্বোধন কৰাৰ প্ৰস্তুতি চলি থকাৰ সময়তে হেলেম ৰাজহ চক্ৰৰ টকৌবাৰী, কাৰিবিল, আমজাৰণি, কেঁকুৰিজান, নলনীবাৰী আৰু বালিজান গাঁও পঞ্চায়তক নতুন ৰাজহ চক্ৰটোত চামিল কৰাৰ বিষয়টোৱে ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য যে, উক্ত ছখন গাঁও পঞ্চায়তৰ অন্তৰ্গত মুঠ ৬০খন গাঁও নৱগঠিত বিহালী ৰাজহ চক্ৰলৈ স্থানান্তৰিত হ'ব। ইয়াৰে ৫৯খন ৰাজহ গাঁও আৰু এখন বন গাঁও বুলি জানিব পৰা গৈছে। ৰাইজৰ অভিযোগ অনুসৰি, বৰ্তমান উক্ত গাঁও পঞ্চায়তসমূহৰ পৰা হেলেম ৰাজহ চক্ৰ কাৰ্যালয়লৈ দূৰত্ব প্ৰায় ৫ ৰ পৰা ২০ কিলোমিটাৰৰ ভিতৰত। কিন্তু নতুনকৈ বিহালী ৰাজহ চক্ৰত অন্তৰ্ভুক্ত হ'লে সংশ্লিষ্ট পঞ্চায়তসমূহৰ ৰাইজে নিজৰ ৰাজহ সম্পৰ্কীয় কাম-কাজৰ বাবে প্ৰায় ২০ৰ পৰা ৪০ কিলোমিটাৰ পৰ্যন্ত দূৰত্ব অতিক্ৰম কৰি বৰগাঙলৈ যাব লাগিব। বিশেষকৈ অসম-অৰুণাচল সীমান্তৱৰ্তী বালিজান গাঁও পঞ্চায়তৰ ৰাইজে অধিক সমস্যাৰ সন্মুখীন হোৱাৰ আশংকা প্ৰকাশ কৰিছে। বালিজান পঞ্চায়তৰ পৰা বৰগাঙলৈ দূৰত্ব প্ৰায় ৪০ কিলোমিটাৰ হোৱাত ৰাজহ সম্পৰ্কীয় সামান্য কামৰ বাবেও দীঘলীয়া পথ অতিক্ৰম কৰিবলগীয়া হ'ব। একেদৰে ভিতৰুৱা অঞ্চলৰ কাৰিবিল, আমজাৰণি, কেঁকুৰিজান আৰু নলনীবাৰী গাঁও পঞ্চায়তৰ ৰাইজেও যথেষ্ট দুৰ্ভোগ ভুগিব লাগিব বুলি অভিযোগ উঠিছে। আনহাতে, টকৌবাৰী গাঁও পঞ্চায়তৰ পৰা বৰ্তমান হেলেম ৰাজহ চক্ৰ কাৰ্যালয়ৰ দূৰত্ব মাত্ৰ প্ৰায় ৫ কিলোমিটাৰ। কিন্তু নতুন ব্যৱস্থাত টকৌবাৰীৰ ৰাইজে প্ৰায় ২০ৰ পৰা ২২ কিলোমিটাৰ পথ অতিক্ৰম কৰি বিহালী ৰাজহ চক্ৰ কাৰ্যালয়লৈ যাবলগীয়া হ'ব। ইপিনে, বৰগাঙত বিহালী ৰাজহ চক্ৰ বিষয়া কাৰ্যালয় স্থাপন হ'বলগীয়া স্থানৰ সমীপৰ ১৫নং ৰাষ্ট্ৰীয় ঘাইপথতো আন এক সমস্যাৰ সন্মুখীন হ'ব লাগিব বুলি ৰাইজে মত প্ৰকাশ কৰিছে। কাৰ্যালয়টো স্থাপন হ'বলগীয়া স্থানত ৰাষ্ট্ৰীয় ঘাইপথত ডিভাইডাৰ নথকাৰ বাবে প্ৰায় দুই কিলোমিটাৰ আগৰ কুঁহিয়াৰবাৰীত থকা ডিভাইডাৰৰ পৰা ঘূৰি আহিবলগীয়া হ'ব। ফলত যাতায়তৰ ক্ষেত্ৰত দূৰত্ব আৰু সময় দুয়োটাই বৃদ্ধি পাব বুলি ৰাইজে আশংকা কৰিছে। ৰাইজৰ অভিযোগ, নতুন ৰাজহ চক্ৰ গঠন কৰাটো প্ৰশাসনিকভাৱে আদৰণীয় পদক্ষেপ হ'লেও সংশি-ষ্ট গাঁওসমূহৰ পৰা ৰাজহ চক্ৰ কাৰ্যালয়লৈ যাতায়তৰ দূৰত্ব আৰু যোগাযোগ ব্যৱস্থাৰ ক্ষেত্ৰত পৰ্যাপ্ত ক্ষেত্ৰভিত্তিক অধ্যয়ন নকৰাকৈ গাঁওসমূহ স্থানান্তৰৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। ইয়াৰ ফলত হেলেম ৰাজহ চক্ৰৰ পৰা সহজে সেৱা লাভ কৰি অহা প্ৰায় ৬০খন গাঁৱৰ ৰাইজে ভৱিষ্যতে অযথা সময়, ধন আৰু শ্ৰম ব্যয় কৰিবলগীয়া হ'ব বুলি আশংকা কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰৰ নতুন ৰাজহ চক্ৰ গঠনৰ পদক্ষেপক লৈ আপত্তি নথকা বুলি উল্লেখ কৰি ৰাইজে কেৱল জনসাধাৰণৰ সুবিধা-অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি সিদ্ধান্ত পুনৰ বিবেচনা কৰিবলৈ আহ্বান জনাইছে। বিশেষকৈ সংশ্লিষ্ট ছখন গাঁও পঞ্চায়তৰ ভৌগোলিক অৱস্থান, বৰ্তমানৰ যাতায়ত ব্যৱস্থা আৰু ৰাজহ চক্ৰ কাৰ্যালয়লৈ প্ৰকৃত দূৰত্ব সম্পৰ্কে ক্ষেত্ৰভিত্তিক পৰ্যবেক্ষণ কৰি উপযুক্ত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে ৰাইজে। নৱগঠিত বিহালী ৰাজহ চক্ৰৰ উদ্বোধনৰ দিন চমু চাপি অহাৰ সময়তে এই বিষয়টোক লৈ সংশ্লিষ্ট অঞ্চলত অসন্তুষ্টি বৃদ্ধি পোৱাত চৰকাৰে বিষয়টো কেনেদৰে বিবেচনা কৰে সেয়া এতিয়া লক্ষণীয় হৈ পৰিছে।

ঠিকা শ্ৰমিক, দৈনিক শ্ৰমিক আৰু ছিলিণ্ডাৰ পৰিবহণকাৰী সংগঠনৰ অন্দোলন অব্যাহত

# কোম্পানী কৰ্তৃপক্ষৰ হঠকাৰী সিদ্ধান্ত; চাৰি দিনে স্তব্ধ গোপনাৰী বটলিং প্লাণ্টৰ উৎপাদন



**অসম বাৰ্তা বিশেষ, পেঙেৰী, ২৮ আগষ্ট ঃ** ঠিকা শ্ৰমিক, দৈনিক হাজিৰা কৰা শ্ৰমিক আৰু ছিলিণ্ডাৰ পৰিবহণকাৰীৰ বিৰুদ্ধে হঠকাৰী সিদ্ধান্ত গ্ৰহণ কৰাৰ বাবেই ভাৰতীয় তেল নিগম, (অসম তেল সংমণ্ডল), ডিগবৈৰ অন্তৰ্গত অন্যতম উৎপাদনী গোট গোপনাৰী বটলিং প-াণ্টৰ উৎপাদন বিগত চাৰি দিনে ব্যাহত হৈ পৰিছে। উল্লেখ্য যে ডিগবৈ তৈল নগৰীৰ পৰা প্ৰায় ১২ কিলোমিটাৰ নিলগত থকা গোপনাৰী চৰকাৰী চৰণীয়া পথাৰত বহু বিতৰ্কৰ মাজেৰে চৰকাৰৰ পৰা ২৫০ বিঘা মাটি আবণ্টন লৈ ১৯৯৮ চনতে বহু কোটিটকীয়া গেছভিত্তিক প্ৰকল্পটো স্থাপনৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। আলফা উগ্ৰপন্থীৰ উপৰি স্থানীয় দল-সংগঠনৰ প্ৰবল বাধাৰ মাজেদিয়ে কোম্পানীটোৱে প্ৰকল্পৰ কাৰ্য বিভিন্ন অনীতিৰ মাজেৰে সম্পন্ন কৰি যোৱা ২৫ ছেপ্টেম্বৰ, ২০০২ত উদ্বোধন কৰিবলৈ বিশাল আয়োজন চলাইছিল যদিও প্ৰকল্পটোৰ উদ্বোধনী অনুষ্ঠানটো সফল হোৱাত বাধাৰ সৃষ্টি কৰিছিল সদৌ অসম মৰাণ ছাত্ৰ সন্থাৰ ডিগবৈ আঞ্চলিক সমিতিয়ে। বহু ঘাত-প্ৰতিঘাতৰ অন্তত ২০০২ চনৰ শেষলৈ প্ৰকল্পটোত উৎপাদনী কাৰ্য আৰম্ভ হৈছিল। বিভিন্ন বিতৰ্ক আৰু ঘাত-প্ৰতিঘাতৰ মাজেৰে চলি থকা উক্ত বিতৰ্কিত প্লাণ্টটো পুনৰ বিতৰ্কৰ আৱৰ্তত সুমুৱাই পৰিছে। উল্লেখ্য যে যোৱা ২২ আগষ্ট তাৰিখে গোপনাৰী বটলিং প্লাণ্টৰ মুখ্য পৰিচালক এছ কুমৰাহে ঠিকা ভিত্তিক কৰ্মী যোগানৰ ঠিকা লাভ কৰা বৰহাপজানৰ ৰাজেন্দ্ৰ মৰাণলৈ দিয়া এক পত্ৰই শংকিত আৰু ক্ষুভিত কৰি তোলে ঠিকাভিত্তিক কৰ্মী, দৈনিক হাজিৰা কৰা শ্ৰমিক আৰু গোপনাৰী আইপিজি বটলিং প্লাণ্ট কোঅ'ৰ্ডিনেচন কমিটিক। পত্ৰখনত কোৱা হৈছে যে প্ৰয়োজনীয়তা হ্ৰাস পোৱাৰ প্ৰতি লক্ষ্য ৰাখি গোপনাৰী এলপিজিবিপিত ১ অক্টোবৰৰ পৰা কাৰ্যকৰী হোৱাকৈ এক নতুন নীতি প্ৰৱৰ্তন কৰা হ'ব। উক্ত নীতি অনুসৰি পূৰ্বৰে পৰা চলি অহা কামৰ 'ডাবল শ্বিফ্ট'ৰ পৰিসমাপ্তি ঘটাই সাধাৰণ শ্বিফ্টলৈ সলনি কৰা হ'ব। অৰ্থাৎ মানৱ শক্তি অৰ্দ্ধেকলৈ হ্ৰাস কৰা হ'ব। চুক্তিবদ্ধ মনৰ শক্তিৰ হ্ৰাসকৰণেৰে ৰাজেন্দ্ৰ মৰাণৰ নামত থকা ২৯ ডিচেম্বৰ, ২০২৫ তাৰিখৰ ৭১৮৩০১৩ নং ৱৰ্ক অৰ্ডৰখন সংশোধন ঘটোৱা হ'ব বুলি পত্ৰখনত উল্লেখ কৰিছে। কোৱা হৈছে যে যিহেতু চুক্তিবদ্ধ শ্ৰমিকসকল ৰাজেন্দ্ৰ মৰাণৰ দ্বাৰা নিযুক্ত হৈছে, গতিকে নিয়োগকৰ্তা হিচাপে এই কামৰ বাবে তেওঁৰেই একমাত্ৰ দায়বদ্ধতা মূৰ পাতি লব লাগিব। মানৱ শক্তি হ্ৰাসকৰণৰ ঔদ্যোগিক সম্পৰ্ক সংহিতাৰ বিধান, ২০২০ আৰু উদ্যোগিক সম্পৰ্ক (কেন্দ্ৰীয়) নিয়ম, ২০২৬ৰ দোহাই দি জাৰি কৰা হৈছে উক্ত জাননী। ইফালে উক্ত জাননীখনৰ খবৰ বিয়পি যোৱাৰ লগে লগে ক্ষোভত ফাটি পৰে ঠিকাদাৰ ৰাজেন্দ্ৰ মৰাণ, ৪৬জন ঠিকা শ্ৰমিক, প্ৰায় ১৫০ গৰাকী অন্যান্য শ্ৰমিক আৰু আইপিজি পৰিবহণৰ সমন্বয়ৰক্ষী কমিটি। যোৱা ২২ আগষ্টৰ পৰাই প্লাণ্টটোৰ মুখ্যদ্বাৰত অৱস্থান কৰি সংশ্লিষ্ট পক্ষসমূহে স্থানীয় ৰাইজৰ সহযোগত অৱস্থান কৰি উৎপাদনী কাৰ্যত বাধা আৰোপ কৰিছে। খবৰ অনুসৰি আজি পুৱা সহযোগী বিষয়াসহ প্লাণ্ট মেনেজাৰ এছ কুমৰাহ প্লাণ্টত প্ৰৱেশৰ চেষ্টা কৰিছিল যদিও বিক্ষোভকাৰীৰ প্ৰবল প্ৰতিৰোধৰ সন্মুখীন হৈ বিফল মনোৰথ লৈ উভতিব লগা হ'ল। উক্ত সমস্যা সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ কামনা কৰি সমন্বয়ৰক্ষী সমিতিখনে এক আলোচনাতো মিলিত হ'বলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। সংগঠনটোৰ মতে গোপানাৰী এল পি জি বটলিং প্লাণ্টৰ পৰা নিয়নীয়াকৈ অৰুণাচল প্ৰদেশৰ কিছু অংশ, সীমান্ত অঞ্চল আৰু উজনি অসমত এল পি জি যোগান ধৰি আহিছে। ডাবল-শ্বিফ্ট অপাৰেচন ব্যাহত হ'লে উদ্যোগটোৰ ঠিকা শ্ৰমিকসকলৰ উপৰি ইয়াৰে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে নিৰ্ভৰশীল বৃহৎ সংখ্যক স্থানীয় শ্ৰমিকৰ জীৱিকা আৰু নিয়োগৰ ক্ষেত্ৰত ব্যাপক প্ৰভাৱ পৰিব। প্ৰস্তাৱিত শ্বিফ্ হ্ৰাস কৰণে কু-প্ৰভাৱ পেলাব স্থানীয় নিয়োগ, পৰিবহণ, লোডিং আৰু আনলোডিং কাৰ্যকলাপ আৰু কেওফালৰ সম্প্ৰদায়সমূহৰ সামগ্ৰিক অৰ্থনৈতিক স্বাৰ্থত। এলপিজিৰ নিয়মীয়া আৰু পৰ্যাপ্ত যোগানতো ইয়াৰ প্ৰভাৱ পৰিব বুলিও সংগঠনটোৱে শংকা প্ৰকাশ কৰিছে। সংগঠনটোৰ মূল দাবী আইবিপি গোপানাৰীৰ ডাবল শ্বিফ্ট অপাৰেচন অব্যাহত ৰখা, উদ্যোগটোৰ উৎপাদন ক্ষমতা বৃদ্ধি কৰা, স্থানীয় শ্ৰমিক আৰু আশে-পাশে থকা শ্ৰমিকৰ জীৱিকা আৰু নিয়োগ সুৰক্ষিত কৰা আৰু উজনি অসম আৰু কাষৰীয়া অঞ্চললৈ এলপিজিৰ নীৰৱচ্ছিন্ন যোগান নিশ্চিত কৰা। সংগঠনটোৱে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে প্ৰমুখ্য কৰি জিলাখনৰ বিধায়কসকল আৰু সংগঠনবিশেষকো এই সমস্যা সমাধানৰ বাবে অনুৰোধ জনাই পত্ৰ প্ৰদান কৰিছে বুলিও জানিব পৰা গৈছে।

# জলহা সংকল্প দিৱস উদ্‌যাপন; OBC মৰ্যাদাৰ দাবীত বিটিচি চীফ হাগ্ৰামা মহিলাৰীক আহ্বান

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ২৭ আগষ্ট ঃ** কোকৰাঝাৰ জিলাৰ অগ্থাইবাৰী জলহা বস্তিত আজি অসম চাহ জনগোষ্ঠী জলহা যুৱ-ছাত্ৰ পৰিষদৰ বিটিচি সমিতিৰ উদ্যোগত আৰু কোকৰাঝাৰ জিলা সমিতিৰ সহযোগত জলহা সংকল্প দিৱস উদ্‌যাপন কৰা হয়। অনুষ্ঠানত ইউবিপিএফৰ সভাপতি ডাঃ বাবু বড়ো, অসম চাহ জনগোষ্ঠী জলহা যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি আজিজুল হুছেইন, বিটিচি সমিতিৰ সভাপতি মালেক মোমিনৰ লগতে সংগঠনটোৰ কৰ্মী আৰু স্থানীয় বুদ্ধিজীৱীসকল উপস্থিত থাকে। অনুষ্ঠানৰ অন্তত সংগঠনটোৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি আজিজুল হুছেইনে কয় যে, অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমৰ পাঁচটা জনগোষ্ঠীক খিলঞ্জীয়া হিচাপে চিনাক্ত কৰাৰ লগতে জলহা জনগোষ্ঠীক অসমত OBC শ্ৰেণীত অন্তৰ্ভুক্ত কৰিছে। সেয়েহে বিটিচি অঞ্চলত বসবাস কৰা জলহা জনগোষ্ঠীকো OBC শ্ৰেণীত অন্তৰ্ভুক্ত কৰাৰ বাবে বিটিচিৰ চীফ হাগ্ৰামা মহিলাৰীক আহ্বান জনায়। জলহা জনগোষ্ঠীৰ অধিকাৰ আৰু উন্নয়নৰ দাবীত সংগঠনটোৱে আগন্তুক দিনতো গণতান্ত্ৰিকভাৱে নিজৰ দাবীসমূহ উত্থাপন কৰি যাব বুলি অনুষ্ঠানত উল্লেখ কৰে।

# অসম প্ৰিমিয়াৰ ক্ৰিকেট টি-২০ ফৰ্মেটৰ চেম্পিয়নৰ খিতাপ অৰ্জন কৰা বৰপেটা ব্ৰেভছ দলক বৰপেটাত ৰাজহুৱা সম্বৰ্ধনা

**অসম বাৰ্তা, বৰপেটা সদৰ, ২৮ আগষ্ট ঃ** গুৱাহাটীৰ পৰা পোনে পোনে ঐতিহাসিক বৰপেটা সত্ৰত আৰু বৰপেটা চেণ্ট টেৰেছা ইংলিছ স্কুলৰ বিপুল সংখ্যক ৰাইজৰ মাজত আহি উপস্থিত হোৱা এইবাৰৰ প্ৰথম সংস্কৰণৰ অসম প্ৰিমিয়াৰ ক্ৰিকেট টি-২০ ফৰ্মেটৰ চেম্পিয়নৰ খিতাপ হস্তগত কৰি ইতিহাসৰ সাক্ষী বহন কৰা বৰপেটা ব্ৰেভছ দলটোৰ খেলুৱৈ সকলৰ লগতে স্বত্বাধিকাৰী সহ পৰিয়াল বৰ্গ আহি বৰপেটা সত্ৰত উপস্থিত হয়। স্বত্বাধিকাৰী পংকজ আগৰৱালাই চেম্পিয়ন ট্ৰফী হাতত লৈ দলৰ প্ৰশিক্ষক তথা খেলুৱৈ সমন্বিতে বৰপেটা সত্ৰত প্ৰৱেশ কৰি কলীয়া ঠাকুৰৰ চৰণত আঁঠু লৈ সেৱা জনায়। সত্ৰৰ মঠৰ চোতালত আঁঠু লৈ সেৱা জনোৱাৰ পাছত বুঢ়া সত্ৰীয়া ডম্বাবুল চন্দ্ৰ দাস আৰু ডেকা সত্ৰীয়া গৌতম পাঠক বাপ দুজনাৰ পৰা মালা নিৰ্মালী লৈ আশীৰ্বাদ গ্ৰহণ কৰে। তাৰ পিছত বৰপেটা বাসী ৰাইজৰ সহযোগত উদীয়মান ক্ৰিকেটাৰ তথা সমৰ্থক সকলৰ সৈতে মুখ্য পথেৰে শোভাযাত্ৰা কৰি আহি বৰপেটা জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত বৰপেটা জিলা ক্ৰীড়া সংস্থাৰ দ্বাৰা আয়োজিত ৰাজহুৱা সম্বৰ্ধনাত অংশগ্ৰহণ কৰে। জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত প্ৰৱেশ কৰা সময়ত আতচ বাজী প্ৰদৰ্শন কৰি আদৰণি জনোৱা হয়। বৰপেটা জিলা ক্ৰীড়া সংস্থাৰ তৰফৰ পৰা উৎপল কুমাৰ দাসে আত ধৰা অনুষ্ঠানত বৰপেটা ব্ৰেভছ'ৰ স্বতাধিকাৰী, মুখ্য প্ৰশিক্ষক, বেটিংপ্ৰশিক্ষক, বাউলিং প্ৰশিক্ষক, ফিল্ডিং প্ৰশিক্ষক, মেনেজাৰ তথা খেলুৱৈ আটাইকে জিলা ক্ৰীড়া সংস্থাৰ তৰফৰ পৰা ফুলৰ থোপা আৰু অন্যান্য উপহাৰেৰে উষ্ম সম্বৰ্ধনা আগবঢ়োৱা হয়। আনহাতে বৰপেটা জিলাৰ বিভিন্ন ক্লাব, অনুষ্ঠান, দল তথা সংগঠনৰ তৰফৰ পৰাও সম্বৰ্ধনা জনোৱা হয়। এই সম্বৰ্ধনা অনুষ্ঠানত বৰপেটা ৰঙালী বিহু উদযাপন সমিতি, নৱৰত্ন ক্লাব, ক্লাব ৰাইনো, ক্লাব ত্ৰিৰংগ, ক্লাব ৰাইজিং, বৰপেটা জিলা শৰীৰ চৰ্চা সংস্থা, ডায়মণ্ড ক্লাব, ইনভিক্টাছ ক্লাব, বৰপেটা জিলা হিন্দু জাগৰণ মঞ্চ, বৰপেটা জিলা ছাত্ৰ সন্থা, বৰপেটা জিলা আঞ্চলিক ছাত্ৰ সন্থা, বাৰাদি ইউনাইটেড ক্লাব, নৱমিলন ক্ৰিকেট একাডেমী (বিলাসীপাৰা), খিলঞ্জীয়া সুৰক্ষা বাহিনী, ভাইপাৰ সাংস্কৃতিক গোষ্ঠী (বৰপেটা), বুদৰুৰটুপ ফুটবল ক্লাব, বৰপেটা জিলা বিজেপি নগৰ মণ্ডল সমিতি আদি কুৰিটাৰো অধিক ক্লাব, সংগঠন, অনুষ্ঠান, প্ৰতিষ্ঠান তথা দল সংগঠনেও সম্বৰ্ধনা আগবঢ়োৱা হয়। আনহাতে বৰপেটা চহৰত থকা চেণ্ট টেৰেছা ইংলিছ স্কুলৰ তৰফৰ পৰাও সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানত বৰপেটা জিলা ক্ৰীড়া সংস্থাৰ প্ৰাক্তন সম্পাদক তথা এতিয়াৰ অসম ক্ৰিকেট সন্থাৰ সম্পাদক সনাতন দাস, উপ-সভাপতি ক্ৰমে প্ৰদীপ কুমাৰ দাস (জ্যেষ্ঠ), প্ৰদীপ দাস (কনিষ্ঠ), মনোজ কুমাৰ পাঠক সমন্বিতে মঞ্চত উপৱিষ্ট ব্যক্তি সকলকো ফুলাম গামোচাৰে আদৰণি জনোৱা হয়। এই গৌৰৱময় অনুষ্ঠানত উপস্থিত থাকে বৰপেটা জিলা আয়ুক্ত নৱদ্বীপ পাঠক। জিলা আয়ুক্ত গৰাকীকো গৌৰৱময় ক্ষণত আদৰণি জনায়। অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে উপ সভাপতি প্ৰদীপ দাসে (কনিষ্ঠ)।

# দৰিদ্ৰ মেধাৱী ৫০ শিক্ষাৰ্থীক বছৰি বিনামূলীয়া শিক্ষাৰ সুযোগ

## কেইবাখনো ব্যক্তিগত বিদ্যালয়ৰ সৈতে BEG Educational Instituteৰ চুক্তি স্বাক্ষৰ

**অসম বাৰ্তা, লংকা, ২৮ আগষ্ট ঃ** আৰ্থিক দুৰৱস্থাৰ বাবে যাতে কোনো দৰিদ্ৰ আৰু মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে উন্নতমানৰ বিদ্যালয়ত শিক্ষাগ্ৰহণৰ সুযোগৰ পৰা বঞ্চিত নহয়, তাৰ বাবে এক প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰিছে লংকাৰ ফৰমাৰপাৰস্থিত BEG Educational Institute-এ। প্ৰতিষ্ঠানটোৱে প্ৰতিবছৰে লংকা আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলৰ ৫০জন দৰিদ্ৰ মেধাৱী শিক্ষাৰ্থীক বিভিন্ন ব্যক্তিগত খণ্ডৰ উন্নতমানৰ বিদ্যালয়ত সম্পূৰ্ণ বিনামূলীয়াকৈ শিক্ষাগ্ৰহণৰ সুযোগ প্ৰদান কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছে। এই কথা ঘোষণা কৰে BEG Educational Instituteৰ প্ৰতিষ্ঠাপক তথা পৰিচালন সঞ্চালক আবু ছোফিয়ান বেগে। তেওঁ জানিবলৈ দিয়া মতে, টকাৰ অভাৱত বহু প্ৰতিভাৱান শিক্ষাৰ্থীয়ে নিজৰ পছন্দৰ উন্নত বিদ্যালয়ত নামভৰ্তি কৰি শিক্ষা গ্ৰহণৰ সুযোগ লাভ কৰিব নোৱাৰে। এনে শিক্ষাৰ্থীসকলক আগুৱাই নিয়াৰ উদ্দেশ্যেই এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই উদ্দেশ্যে প্ৰতিষ্ঠানটোৱে লংকাৰ কেইবাখনো ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ সৈতে সহযোগিতামূলক ভাৱে কাম কৰাৰ পৰিকল্পনা কৰিছে। নিৰ্বাচিত শিক্ষাৰ্থীসকলক বিদ্যালয়ৰ শিক্ষাৰ ক্ষেত্ৰত সম্পূৰ্ণ বিনামূলীয়া সুবিধা প্ৰদান কৰা হ'ব। ইয়াৰ উপৰি, পিতৃ-মাতৃহীন আৰু অতি অসহায় শিক্ষাৰ্থীসকলৰ ক্ষেত্ৰত কেৱল শিক্ষাৰ দায়িত্বই নহয়, কিতাপ, বহী আৰু পোছাকৰ বাবদো প্ৰয়োজনীয় সহায় আগবঢ়োৱাৰ পৰিকল্পনা কৰা হৈছে বুলি আবু ছোফিয়ান বেগে জানিবলৈ দিয়ে। শিক্ষাৰ সুযোগৰ পৰা আৰ্থিকভাৱে পিছপৰা শিক্ষাৰ্থীসকলক বঞ্চিত নকৰাই এই পদক্ষেপৰ মূল লক্ষ্য বুলি তেওঁ উল্লেখ কৰে। শিক্ষা লাভৰ জৰিয়তে দৰিদ্ৰ পৰিয়ালৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতে আত্মনিৰ্ভৰশীল কৰি তোলাৰ ক্ষেত্ৰত এই উদ্যোগে সহায় কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে। এই সুবিধাৰ বাবে ইচ্ছুক শিক্ষাৰ্থীসকলে ১ ছেপ্টেম্বৰৰ পৰা ১৫ নৱেম্বৰ ২০২৬লৈকে আবেদন কৰিব পাৰিব। অধিক তথ্যৰ বাবে 9957303851 নম্বৰত যোগাযোগ কৰিব পাৰিব। ঠিকনা: BEG Educational Institute, ফৰমাৰপাৰ, আমতলা বজাৰ, লংকা, হোজাই, অসম।

# পাব্লিচাৰ্ছ এণ্ড বুক চেলাৰ্চ গিল্ড, নৰ্থইষ্টৰ উদ্যোগত নাজিৰা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ বানাক্ৰান্ত ৩০০ ছাত্ৰীক শৈক্ষিক সামগ্ৰী বিতৰণ

**অসম বাৰ্তা, নামতি, ২৭ আগষ্ট ঃ** শেহতীয়া বিধ্বংসী বানৰ কবলত পৰি সৰ্বস্বান্ত হৈ পৰা ছাত্ৰ-ছাত্ৰী সকলৰ কাষত থিয় দি শৈক্ষিক দিশত সহায়ৰ হাত আগবঢ়াইছে বিভিন্ন দল সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে ৰাইজে। নাজিৰা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ বহুসংখ্যক ছাত্ৰী বানত সৰ্বস্বান্ত হৈ পৰাৰ পিছত তেওঁলোকক সহায়ৰ উদ্দেশ্যে বিদ্যালয় খনত উপস্থিত হয় "পাব্লিচাৰ্ছ এণ্ড বুক চেলাৰ্চ গিল্ড, নৰ্থ ইষ্ট"ৰ এটি সজাতি দল। সমাজকৰ্মী প্ৰশান্ত বৰঠাকুৰ আৰু স্বৰাজ একাডেমীৰ অধ্যক্ষা ড° অসমী গগৈ বৰুৱাৰ বিশেষ তৎপৰতাত ৰূপায়ণ কৰা এই সাহায্য কাৰ্যসূচীত বিদ্যালয়খনৰ প্ৰায় ৩০০ গৰাকী বানাক্ৰান্ত ছাত্ৰীক শৈক্ষিক সামগ্ৰী বিতৰণ কৰা হয়। বিদ্যালয় কৰ্তৃপক্ষই জানিবলৈ দিয়া মতে, বিদ্যালয়খনৰ ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে অধ্যয়নৰত ক্ষতিগ্ৰস্ত ছাত্ৰীসকলৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকক স্কুল বেগ, বহী, কলম, চেণ্ডেল আৰু অন্যান্য আৱশ্যকীয় সামগ্ৰী যোগান ধৰে পাব্লিচাৰ্ছ এণ্ড বুক চেলাৰ্চ গিল্ড নৰ্থ ইষ্টে। বিদ্যালয়খনৰ ছাত্ৰীসকলেও এই সহায় লাভ কৰি আনন্দ প্ৰকাশ কৰাৰ লগতে মনোবল অটুট ৰাখি ভৱিষ্যতে ভাল ফলাফল প্ৰদৰ্শন কৰাৰ সংকল্প লয়। এনে সংকটকালত ছাত্ৰীসকলৰ শিক্ষাৰ্থে আগবঢ়োৱা এই মানৱীয় আৰু প্ৰশংসনীয় পদক্ষেপক বিদ্যালয়খনৰ শিক্ষক শিক্ষয়িত্ৰী সকলৰ লগতে অভিভাৱকে "পাব্লিচাৰ্ছ এণ্ড বুক চেলাৰ্চ গিল্ড, নৰ্থ ইষ্ট"ক ধন্যবাদ আৰু কৃতজ্ঞতা জনায়।

# ৰংদৈ দ-গাঁও বৰ নামঘৰত দিহানাম আৰু বৰগীত প্ৰতিযোগিতা আয়োজন

**অসমবাৰ্তা, নিমাতীঘাট, ২৭ আগষ্ট ঃ** ৰংদৈ দ গাঁৱৰ সমূহ ৰাইজৰ উদ্যোগত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৮ তম জন্মোৎসৱ ভাগি অহা ২১ আৰু ২২ চেপ্তেম্বৰত (৩ আৰু ৪ আহিন) দুদিনীয়া কাৰ্যসূচীৰে ৰংদৈ দ গাঁও বৰ নামঘৰত আয়োজন কৰা হৈছে। জন্মোৎসৱ ভাগিৰ লগত সংগতি ৰাখি ২২ চেপ্তেম্বৰ পুৱা ১০ বজাৰ পৰা বৰগীত প্ৰতিযোগিতা (নিম্ন/উচ্চ দুটা শাখাত অনুষ্ঠিত হ'ব) আৰু দুপৰীয়া ১২ বজাৰ পৰা দিহানাম প্ৰতিযোগিতা আয়োজন কৰা হৈছে। দুয়োটা প্ৰতিযোগিতা যোৰহাট জিলা ভিত্তিত অনুষ্ঠিত হ'ব। ইচ্ছুক প্ৰতিযোগী সকলে ৯৩৬৫০০০৪৬৬, ৮৬৩৮০৭৫৪৭৮, ৯১০১৩৮২৬৯৩ নাম্বাৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

জিলা সাংবাদিক সংস্থাৰ মুখ্য কাৰ্যালয়ত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি

# গোলাঘাটৰ যুৱ ফটো সাংবাদিক দ্বীপন ৰাজবংশীৰ অকাল বিয়োগত শোকস্তব্ধ সাংবাদিক মহল

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৮ আগষ্ট ঃ** গোলাঘাটৰ যুৱ ফটো সাংবাদিক দ্বীপন ৰাজবংশী (৪০)ৰ অকাল বিয়োগত সমগ্ৰ সাংবাদিক মহল শোকস্তব্ধ হৈ পৰিছে। কালি গোলাঘাটস্থিত নিজা ব্যৱসায়িক প্ৰতিষ্ঠানত হঠাৎ অসুস্থ হৈ পৰা দ্বীপন ৰাজবংশীক তত্তাতৈয়াকৈ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। ইয়াৰ পূৰ্বেও কিছুদিন ধৰি তেওঁ চিকিৎসাধীন হৈ আছিল। ২০০৪ বৰ্ষৰ পৰা সাংবাদিকতাৰ ক্ষেত্ৰত ভৰি দিয়া ফটো সাংবাদিকজনে অসমৰ কেইবাটাও আগশাৰীৰ ব্যক্তিগত ইলেক্ট্ৰনিক মাধ্যমত সংবাদ সেৱা আগবঢ়াইছিল। উদীয়মান আৰু সক্ৰিয় ফটো সাংবাদিক হিচাপে দ্বীপন ৰাজবংশীয়ে গোলাঘাটৰ বিভিন্ন সামাজিক, সাংস্কৃতিক আৰু জনজীৱনৰ সৈতে জড়িত ঘটনা সংবাদ মাধ্যমত তুলি ধৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। তেওঁৰ অকাল বিয়োগৰ খবৰে সাংবাদিক সমাজৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু দল-সংগঠনৰ মাজতো গভীৰ শোকৰ ছাঁ পেলাইছে। তেওঁৰ মৃত্যুত গোলাঘাট জিলা সাংবাদিক সংস্থা, গোলাঘাট প্ৰেছ ক্লাব, গোলাঘাট মিডিয়া ফ'ৰাম, গোলাঘাট কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন, কৃষক মুক্তি সংগ্ৰাম সমিতি, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি, সদৌ তাই আহোম ছাত্ৰ সন্থা, সদৌ অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, সদৌ অসম চুতীয়া ছাত্ৰ সন্থা, টাই আহোম যুৱ পৰিষদ, সন্মিলিত মটৰ পৰিবহণ সন্থা, বীৰ লাচিত সেনা অসম, সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থা, অসম যুৱ পৰিষদ, অসম জাতীয়তাবাদী যুৱ পৰিষদ, সদৌ অসম কলিতা জাতি ছাত্ৰ সন্থা, সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থা আৰু সদৌ অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ গোলাঘাট জিলা সমিতিয়ে গভীৰ শোক প্ৰকাশ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইফালে গোলাঘাট জিলা সাংবাদিক সংস্থাৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত গোলাঘাট, দেৰগাঁও, সৰুপথাৰ, বৰপথাৰ, কমাৰগাঁও, মেৰাপানী আৰু বোকাখাত আদি বিভিন্ন স্থানৰ পৰা অহা সাংবাদিকসকলৰ লগতে বিভিন্ন সংগঠনৰ প্ৰতিনিধিয়ে উপস্থিত থাকে। সকলোৱে প্ৰয়াত সাংবাদিকগৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। অনুষ্ঠানত সাংবাদিক সংস্থাৰ সভাপতি নগেন শইকীয়া উপদেষ্টা ৰোহিত গগৈ, সম্পাদক প্ৰণৱ চক্ৰৱৰ্তী, উপ-সভাপতি জয়দীপ গুপ্তা, সহকাৰী সম্পাদক অৰনী শৰ্মা, গোলাঘাট প্ৰেছ ক্লাবৰ সম্পাদক প্ৰবীণ দাস, মিডিয়া ফৰামৰ সম্পাদক দ্বয় ক্ৰমে পঙ্কজ হাজৰিকা, মুস্তাক হুছেইন, সন্মিলিত মটৰ পৰিবহণ সন্থাৰ সভাপতি পূৰ্ণ ৰাজখোৱা, কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সম্পাদক বিদ্যুৎ শইকীয়া, তাই আহোম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক ধ্ৰুৱজ্যোতি শইকীয়া, সদৌ অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সম্পাদক নিপন গগৈ, গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সভাপতি মিণ্টু গগৈ, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় কেন্দ্ৰীয় নেতা আব্দুল হাচিম, দ্বীপন ৰাজবংশীৰ স্মৃতি ৰোমন্থন কৰি আৱেগিক হৈ পৰে।

# নিৰ্বাচনী উৎসৱত উদূলি-মুদুলি কমলাবাৰী একাডেমি; উদ্বোধন হ'ল বিদ্যালয়ৰ গৱেষণাগাৰ

ব্যতিক্ৰমী পদক্ষেপক ভূয়সী প্ৰশংসা জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকৰ

**অসম বাৰ্তা, উজনী মাজুলী, ২৮ আগষ্ট ঃ** পুৱাৰ পৰা ভোটদানৰ দীঘলীয়া শাৰী ভোট কেন্দ্ৰত। দুৱাৰ মুখৰ নিৰাপত্তা ৰক্ষীৰ পৰা পুলিং এজেণ্ট, প্ৰথম পুলিং, দ্বিতীয় পুলিং, তৃতীয় পুলিং অফিচাৰ, প্ৰিজাইডিং অফিচাৰ, তিনিজনকৈ অবজাৰ্ভাৰ, নিৰ্বাচনী বিষয়া সহ বৃহৎ দলটোৰ মুৰ তুলি চোৱাৰ অৱকাশ নাই। হঠাতে ভোট কেন্দ্ৰত উপস্থিত হ'লহি জিলা আয়ুক্ত। গণতন্ত্ৰৰ ঘাই শিপা নিৰ্বাচন আৰু নিৰ্বাচন সম্বন্ধীয় পোষ্টাৰ লগতে মাজুলীৰ নায়কসকলৰ প্ৰতিচ্ছবিয়ে বিদ্যালয়খন সজাই তোলা আদি ব্যতিক্ৰমী পদক্ষেপ - তেখেতে প্ৰথমবাৰলৈ প্ৰত্যক্ষ কৰা বুলি ব্যক্ত কৰে। এয়া মাজুলীৰ কমলাবাৰীত অৱস্থিত এখনি উচ্চ মাধ্যমিক বিদ্যালয় কমলাবাৰী একাডেমিৰ ছাত্ৰ সংসদৰ নিৰ্বাচন। ভাৰতৰ সংসদীয় গণতন্ত্ৰৰ নিৰ্বাচন পদ্ধতিৰ সকলো আচাৰ সংহিতা অনুসৰণ কৰি বিদ্যালয় খনিত প্ৰথমবাৰলৈ ছাত্ৰ সংসদৰ নিৰ্বাচন অনুষ্ঠিত হয়। বিদ্যালয় খনিৰ এই পদক্ষেপক অগতানুগতিক আৰু ব্যতিক্ৰমী বুলি উল্লেখ কৰি আয়ুক্ত গৰাকীয়ে অন্যান্য বিদ্যালয়সমূহেও এনে পদক্ষেপ ল'লৈ সুস্থ গণতন্ত্ৰৰ সুন্দৰ পাঠ ছাত্ৰ ছাত্ৰীসকলে লাভ কৰিব পাৰিব। আয়ুক্ত গৰাকীৰ পূৰ্বে ভোটদান কেন্দ্ৰত উপস্থিত হয় জিলা বিদ্যালয় সমূহৰ পৰিদৰ্শক লিপিকা বুঢ়াগোহাঁই। বিষয়া গৰাকীয়ে কমলাবাৰী একাডেমিয়ে আৰম্ভ কৰা ব্যতিক্ৰমী কাৰ্যসূচীক শলাগ লয় আৰু তেখেতে বিদ্যালয় খনিৰ বিভিন্ন পদক্ষেপৰ বিষয়ে শৈক্ষিক সভা সমিতিত উল্লেখ কৰা বুলি কয়। উল্লেখযোগ্য, বিদ্যালয় খনৰ ছাত্ৰ সংসদৰ ছয়টা পদৰ বাবে হোৱা প্ৰত্যক্ষ নিৰ্বাচনত ২২ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। নিৰ্বাচন প্ৰক্ৰিয়া সুচাৰুৰূপে পৰিচালনা কৰিবলৈ স্নাতক শিক্ষক নিলমণি শইকীয়াক মুখ্য নিৰ্বাচনী বিষয়া, চেক্টৰ বিষয়া ৰূপে ৰাণু বৰুৱা পাঠক, প্ৰিজাইডিং বিষয়া গীতাঞ্জলি বৰা, প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুলিং বিষয়া ফুলমতি দাস, সংগীতা ভূঞা, মৌচুমী দাস, চিকিৎসা শাখাত জ্যোৎস্না দেৱী দায়িত্ব দিয়া হয়। ভোট গণনাৰ কাম ৰাজীৱ ৰাজখোৱা, হিৰক জ্যোতি বৰা, উত্তম শইকীয়া, পম্পী হাজৰিকা, লিকুমা শইকীয়া, বিকাশ হাজৰিকা, ৰিংকু শইকীয়া আৰু মৰমী শইকীয়াই সম্পন্ন কৰে। পুৱা ৯ বজাত আৰম্ভ হোৱা ভোট গ্ৰহণ কাৰ্যসূচী শুভাৰম্ভ কৰে জিলা নিৰ্বাচনী বিষয়া সীমান্ত বুঢ়াগোহাঁয়ে। বিষয়া গৰাকীয়ে বিদ্যালয়খনৰ এই পদক্ষেপক শলাগ জনাই আৰু ছাত্ৰ-ছাত্ৰীক এনে কাৰ্যসূচীৰ মহত্ত্বৰ বিষয়ে কয়। ভোটদানৰ হাৰ আছিল ৯৬.৩০। নিৰ্বাচনী পৰ্যবেক্ষক আছিল চিআৰচি মনোজ্যোতি ৰেগন, বিদ্যালয় সমূহৰ কাৰ্যালয়ৰ কৰ্মচাৰী কুশদীপ হাটীমতা আৰু অৱসৰপ্ৰাপ্ত শিক্ষক অতুল হাজৰিকা। মুঠ চাৰিটা ৰাউণ্ডত হোৱা ভোট গণনাৰ অন্তত সাধাৰণ সম্পাদক পদত অৰ্চিতা শইকীয়া, সহ সম্পাদক পদত কণমানি ৰেইন, ক্ৰীড়া সম্পাদক পদত চিদানন্দ পেগু সাংস্কৃতিক সম্পাদক ৰ পদত মালবিকা পাহাদি, স্বচ্ছতা সম্পাদক ৰ পদত মামু পায়েং আৰু সাহিত্য সম্পাদকৰ পদত সুকন্যা শইকীয়া বিজয়ী হয়। কালিলৈ বিজয়ী প্ৰাৰ্থী সকলে মুখ্য নিৰ্বাচনী বিষয়া ৰ পৰা জয়ী হোৱা প্ৰমাণ পত্ৰ লাভ কৰাৰ পিছত শপত গ্ৰহণৰ জৰিয়তে পূৰ্ণাংগ ছাত্ৰ একতা সভা গঠন কৰা হ'ব। ভোট গ্ৰহণ পৰ্ব সামৰণি পৰাৰ পিছতেই বিদ্যালয়ৰ চৌহদত এখনি উদ্বোধনী সভা অনুষ্ঠিত হয়। বিদ্যালয় খনিত নিৰ্মাণ হোৱা গণিত আৰু বিজ্ঞানৰ সংহত গৱেষণাগাৰৰ শুভ উদ্বোধনী সভাখনিত জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, জিলা বিদ্যালয় সমূহৰ পৰিদৰ্শক লিপিকা বৰগোহাঁইৰ লগতে বহু কেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। বিদ্যালয় প্ৰধান কমল দত্তৰ আদৰণি ভাষণৰ পিছতেই জিলা বিদ্যালয় সমূহৰ পৰিদৰ্শকে বন্তি প্ৰজ্বলন আৰু আয়ুক্ত গৰাকীয়ে ফিতা কাটি নৱ নিৰ্মিত গৃহটিৰ শুভ উদ্বোধন কৰে। আয়ুক্ত গৰাকীয়ে ভাষণ প্ৰসংগত কয় এসময়ত মাৰ্কচিটত কিমান নম্বৰ আছিল সেয়া কাৰো মনত নাথাকে, মনত থাকে শিক্ষা লাভ কৰি তেওঁ কি হ'ল। গতিকে আমাৰ শিক্ষা সেই দিশেৰে আগুৱাই নিব লাগিব। বিদ্যালয় পৰ্যায়তেই সেই গাঁঠনিৰ সূচনা শিক্ষকসকলে আৰম্ভ কৰিব পাৰে। আয়ুক্ত গৰাকীয়ে সেইদিনত কিছু পৰামৰ্শ আগবঢ়ায়। বন্তি প্ৰজ্বলক বিদ্যালয় পৰিদৰ্শক গৰাকীয়ে মাজুলীৰ পৰাই এটি সুন্দৰ পথৰ সূচনা হ'ব বুলি আশা প্ৰকাশ কৰে। সভাত অতিথি ৰূপে মাজুলী জিলাৰ দুৰ্যোগ প্ৰশমন বিভাগৰ জিলা আঁচনি বিষয়া দিব্যজ্যোতি শইকীয়াই আয়ুক্ত গৰাকীৰ পৰামৰ্শ কমলাবাৰী একাডেমিৰ পৰাই আৰম্ভ হ'ব বুলি নিজৰ বক্তব্যত উল্লেখ কৰে। সভাত জিলা প্ৰকল্প অভিযন্তা দেৱজিৎ কলিতা, অৱসৰপ্ৰাপ্ত শিক্ষক কিশোৰী মোহন পাল, মাজুলী কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড০ আনন্দ হাজৰিকা, অৱসৰপ্ৰাপ্ত শিক্ষক লোহিত বৰা, নিৰ্বাচনী পৰ্যবেক্ষক মনোজ্যোতি ৰেগন, কুশদীপ হাটীমতাই ভাষণ প্ৰদান কৰে। বিদ্যালয়খনিৰ সোণালী জয়ন্তী বৰ্ষ ক্ষণত নৱ নিযুক্ত প্ৰধান শিক্ষকৰ নেতৃত্বত পৰিবৰ্তনৰ ইতিহাসৰ সোণালী যাত্ৰাৰ শুভাৰম্ভ হৈছে বুলি ব্যক্ত কৰি ৰাইজে ইয়াত পূৰ্ণ সহযোগিতা আগবঢ়াই যাব। সভাত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী আশা ৰাণী হাজৰিকা, অৱসৰপ্ৰাপ্ত শিক্ষক ডিম্বেশ্বৰ শইকীয়া, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক যোগেন শইকীয়া, অৱসৰপ্ৰাপ্ত শিক্ষক যতীন শইকীয়া, ৰত্নেশ্বৰ বৰা, সূৰ্য বৰুৱা, ছাত্ৰ নেতা দীপক নেওগ, কমলাবাৰী পঞ্চায়তৰ সভানেত্ৰী ৰূপা বৰুৱা, সমাজকৰ্মী ইন্দ্ৰেশ্বৰ বৰুৱা, গোলাপ বৰুৱা, প্ৰমোদ বৰুৱাৰ লগতে বহু সংখ্যক অভিভাৱক অভিভাৱিকাই অংশগ্ৰহণ কৰে। সভাৰ আঁত ধৰে সহ শিক্ষয়িত্ৰী পম্পী হাজৰিকাই। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সমবেত সংগীতেৰে সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

# আৰোহণ আঁচনিৰ অধীনত কামৰূপ জিলাৰ ২৭৬ গৰাকী মেণ্টি ছাত্ৰ-ছাত্ৰীৰ দল শিক্ষামূলক ভ্ৰমণৰ বাবে ৰাওনা



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৮ আগষ্ট ঃ** ৰাজ্য চৰকাৰৰ ধ্বজাবাহী 'আৰোহণ' আঁচনিৰ অধীনত ২০২৬-২৭ বৰ্ষৰ বাবে কামৰূপ জিলাৰ ২৭৬ গৰাকী মেণ্টি ছাত্ৰ-ছাত্ৰীৰ চাৰিদিনীয়া শিক্ষামূলক ভ্ৰমণ কাৰ্যসূচীৰ বুধবাৰে শুভাৰম্ভ কৰা হয়। আমিনগাঁৱস্থিত লোক নিৰ্মাণ বিভাগৰ পৰিদৰ্শন বঙলাৰ পৰা কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই পতাকা জোকাৰি অনুষ্ঠানৰ শুভাৰম্ভ কৰে। ২৬ আগষ্টৰ পৰা ২৯ আগষ্টলৈ অনুষ্ঠিত হ'বলগীয়া এই কাৰ্যসূচীৰ মূল উদ্দেশ্য হৈছে জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা নিৰ্বাচিত কৃতী দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক কেৰিয়াৰ পৰামৰ্শ, দক্ষতা বিকাশ আৰু অনুপ্ৰেৰণামূলক সহায় আগবঢ়োৱা। আৰোহণ আঁচনিৰ চতুৰ্থ বেচ (Batch-4)ৰ অংশ হিচাপে মুঠ ২৭৬গৰাকী মেণ্টিয়ে এই ভ্ৰমণত অংশগ্ৰহণ কৰিছে। ইয়াৰে Group Aত ৯৮ গৰাকী ছাত্ৰ আৰু ৪০ গৰাকী ছাত্ৰী থকাৰ বিপৰীতে Group Bত ১৩৮ গৰাকী ছাত্ৰী অন্তৰ্ভুক্ত হৈছে। অনুষ্ঠানৰ শুভাৰম্ভণি কৰি জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই কয় যে এই শিক্ষামূলক ভ্ৰমণ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এক মূল্যৱান আৰু স্মৰণীয় শিক্ষণীয় অভিজ্ঞতা হ'ব। তেওঁ শিক্ষাৰ্থীসকলক এই সুযোগৰ পূৰ্ণ সদ্ব্যৱহাৰ কৰি নতুন জ্ঞান আহৰণৰ লগতে নিজৰ ভৱিষ্যৎ লক্ষ্য স্পষ্টভাৱে নিৰ্ধাৰণ কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে উল্লেখ কৰে যে আৰোহণ আঁচনিয়ে ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন কেৰিয়াৰ সম্ভাৱনা আৰু উচ্চ শিক্ষাৰ ক্ষেত্ৰসমূহৰ বিষয়ে বিস্তৃত ধাৰণা লাভ কৰাত সহায় কৰিব। এই কাৰ্যসূচীয়ে তেওঁলোকৰ উজ্জ্বল আৰু সম্ভাৱনাময় ভৱিষ্যৎ গঢ়ি তোলাত ইতিবাচক ভূমিকা পালন কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে। উল্লেখ্য যে কাৰ্যসূচীৰ প্ৰথম দিনা মেণ্টিসকলে গুৱাহাটী প্লেনেটেৰিয়াম আৰু সতী ৰাধিকা শান্তি উদ্যান পৰিদৰ্শন কৰিব। ইয়াৰ পিছত তেওঁলোকৰ আবাসিক ব্যৱস্থা ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (IIT) গুৱাহাটীত কৰা হৈছে। দ্বিতীয় দিনা ছাত্ৰ-ছাত্ৰীসকলে আধুনিক বিজ্ঞান, প্ৰযুক্তি আৰু চিকিৎসা বিজ্ঞানৰ বিভিন্ন ক্ষেত্ৰৰ সৈতে পৰিচিত হোৱাৰ সুযোগ লাভ কৰিব। এই উপলক্ষে AIIMS গুৱাহাটী, IIT গুৱাহাটী, IIIT বঙৰা আৰু বঙৰাস্থিত টেক চিটিত আন্তঃক্ৰিয়ামূলক অধিৱেশন আৰু কেম্পাছ পৰিদৰ্শন কৰিব। তৃতীয় দিনা সংৰক্ষণ, প্ৰতিৰক্ষা আৰু সংস্কৃতিৰ সৈতে জড়িত বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব। মেণ্টিসকলে অসম ৰাজ্যিক চিৰিয়াখানা আৰু নাৰেংগী সামৰিক ষ্টেচন পৰিদৰ্শন কৰাৰ লগতে বিশেষ আৰ্টিলাৰী প্ৰদৰ্শন আৰু অনুপ্ৰেৰণামূলক ভাষণত অংশগ্ৰহণ কৰিব। দিনটোৰ অন্তত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এক সাংস্কৃতিক সন্ধিয়াত অংশ গ্ৰহণ কৰিব। অন্তিম দিনটোত ভৱিষ্যতৰ কেৰিয়াৰ আৰু সম্ভাৱনাময় পথসমূহৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। ছাত্ৰ-ছাত্ৰীসকলে অসম প্ৰশাসনিক কৰ্মচাৰী মহাবিদ্যালয়ত বিশেষ কেৰিয়াৰ কাউন্সেলিং অধিৱেশনত অংশগ্ৰহণ কৰাৰ লগতে নেচনেল চাইন্স চেণ্টাৰত বিভিন্ন আন্তঃক্ৰিয়ামূলক প্ৰদৰ্শনী পৰিদৰ্শন কৰিব। সমগ্ৰ শিক্ষা, কামৰূপৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচীৰ মূল লক্ষ্য হৈছে ছাত্ৰ-ছাত্ৰীসকলৰ দৃষ্টিভংগী বিস্তৃত কৰাৰ লগতে আগশাৰীৰ শৈক্ষিক, বৈজ্ঞানিক আৰু প্ৰশাসনিক প্ৰতিষ্ঠানসমূহৰ সৈতে পোনপটীয়া পৰিচয় আৰু সংযোগ স্থাপনৰ সুযোগ প্ৰদান কৰা। শুভাৰম্ভণি অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত (শিক্ষা) গীতাশ্ৰী লাচিত, কামৰূপ জিলাৰ সদৰ মহকুমাধিপতি দেৱাশিস বৰঠাকুৰ, বিদ্যালয়সমূহৰ পৰিদৰ্শক তপন কলিতা, সংগী শিক্ষক-শিক্ষয়িত্ৰী আৰু জিলা শিক্ষা বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

# ছয়দুৱাৰৰ মিছামাৰী গাঁও পঞ্চায়তত উত্তপ্ত পৰিস্থিতি; দোকান গৃহ আবণ্টনত স্বজন-তোষণৰ অভিযোগ

পঞ্চায়ত সভাপতি দেৱ কান্ত শৰ্মাৰ বিৰুদ্ধে স্থানীয় যুৱকৰ ক্ষোভৰ পূঞ্জীভূত উদগীৰণ

**অসম বাৰ্তা, গহপুৰ, ২৮ আগষ্ট ঃ** গহপুৰ সমজিলাৰ ছয়দুৱাৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত মিছামাৰী গাঁও পঞ্চায়তত পঞ্চায়তৰ কাম-কাজ আৰু দোকান গৃহ আবণ্টনক কেন্দ্ৰ কৰি সৃষ্টি হৈছে তীব্ৰ উত্তেজনাৰ। পঞ্চায়ত সভাপতি দেৱ কান্ত শৰ্মাৰ বিৰুদ্ধে স্বেচ্ছাচাৰিতা, মইমতালি আৰু পক্ষপাতিত্বৰ অভিযোগ উত্থাপন কৰি স্থানীয় একাংশ যুৱকে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। অভিযোগ অনুসৰি, পঞ্চায়তৰ অধীনত থকা দোকান গৃহসমূহ আবণ্টনৰ ক্ষেত্ৰত স্থানীয় যুৱ ব্যৱসায়ীসকলক অগ্ৰাধিকাৰ নিদি পঞ্চায়ত এলেকাৰ বাহিৰৰ লোকক দোকান গৃহ আবণ্টন দিয়াৰ ঘটনাই ক্ষোভৰ সৃষ্টি কৰিছে। স্থানীয় যুৱকসকলৰ অভিযোগ—নিজৰ অঞ্চলত ব্যৱসায় কৰি জীৱিকা নিৰ্বাহৰ সুযোগ বিচৰা বহু যুৱকক বঞ্চিত কৰি দূৰণিৰ লোকক দোকান গৃহ দিয়াৰ আঁৰত স্বচ্ছতাৰ অভাৱ আছে। এই বিষয়টোক কেন্দ্ৰ কৰিয়েই কালি পঞ্চায়ত কাৰ্যালয়ৰ ভিতৰত একাংশ প্ৰতিবাদী যুৱক আৰু পঞ্চায়ত কৰ্তৃপক্ষৰ মাজত উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি হয়। প্ৰতিবাদী যুৱকসকলে পঞ্চায়ত সভাপতিৰ ওচৰত দোকান গৃহ আবণ্টনৰ প্ৰক্ৰিয়া, যোগ্যতা নিৰ্ধাৰণ আৰু আবণ্টনৰ ভিত্তি সম্পৰ্কে জবাবদিহি কৰে। স্থানীয় একাংশ লোকৰ অভিযোগ, পঞ্চায়তৰ দোকান গৃহৰ ভাড়া আৰু অন্যান্য ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰতো পৰ্যাপ্ত স্বচ্ছতা ৰক্ষা কৰা হোৱা নাই। সংগৃহীত ৰাজহৰ হিচাপ-নিকাচ ৰাজহুৱা কৰা, আবণ্টনৰ তালিকা প্ৰকাশ কৰা আৰু পঞ্চায়তৰ সভাত সিদ্ধান্ত গ্ৰহণৰ দাবী উত্থাপন কৰে প্ৰতিবাদকাৰীসকলে। ইয়াৰ উপৰিও, একাংশ নিৰ্দিষ্ট ব্যৱসায়িক অতিৰিক্ত কোঠালি নিৰ্মাণৰ অনুমতি দিয়াৰ অভিযোগো উত্থাপন হৈছে। অভিযোগকাৰীসকলৰ দাবী—এই অনুমতি পঞ্চায়তৰ সংশি-ষ্ট সদস্য, পঞ্চায়ত সমিতি, গাঁও সভা তথা স্থানীয় ৰাইজৰ জ্ঞাতসাৰে আৰু নিয়মৰ মাজেৰে দিয়া হৈছিল নে নাই, সেই বিষয়টো তদন্তৰ আওতালৈ অনা উচিত। কেৱল দোকান গৃহ আবণ্টনেই নহয়, পঞ্চায়ত এলেকাত ৰূপায়ণ হৈ থকা বিভিন্ন চৰকাৰী আঁচনি, বিশেষকৈ প্ৰধানমন্ত্ৰী আৱাস যোজনা আৰু এমজিএনৰেগাৰ কাম-কাজতো অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উত্থাপন কৰিছে একাংশ স্থানীয় লোকে। অৱশ্যে এই অভিযোগসমূহৰ সত্যতা নিৰপেক্ষ তদন্তৰ পাছতহে নিশ্চিত হ'ব। প্ৰতিবাদী যুৱকসকলৰ অভিযোগ, পঞ্চায়তৰ দৰে তৃণমূল পৰ্যায়ৰ গণতান্ত্ৰিক প্ৰতিষ্ঠানত সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত ৰাইজৰ মতামত, গাঁও সভাৰ ভূমিকা আৰু নিৰ্ধাৰিত নীতি-নিয়মক গুৰুত্ব দিয়াটো অত্যন্ত প্ৰয়োজনীয়। তেওঁলোকৰ অভিযোগ অনুসৰি, এই ক্ষেত্ৰত স্বচ্ছতা আৰু উপযুক্ত নিয়মৰ অভাৱৰ ফলত পঞ্চায়তখনত দিনকদিনে অসন্তুষ্টি বৃদ্ধি হৈছে। অভিযোগসমূহৰ সত্যতা নিৰূপণৰ বাবে সংশ্লিষ্ট উন্নয়ন খণ্ডৰ বিষয়াই বিষয়টো পৰীক্ষা কৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনাইছে স্থানীয় ৰাইজে। স্থানীয় ৰাইজৰ প্ৰশ্ন এতিয়া এটাই—পঞ্চায়তৰ দোকান গৃহ কাৰ স্বাৰ্থত, কেনেদৰে আৰু কোন নীতিৰ আধাৰত আবণ্টন দিয়া হ'ল? লগতে চৰকাৰী আঁচনিৰ কাম-কাজ আৰু পঞ্চায়তৰ ৰাজহ সংগ্ৰহৰ সম্পূৰ্ণ হিচাপ ৰাইজৰ সন্মুখত প্ৰকাশ কৰা হ'বনে? মিছামাৰী গাঁও পঞ্চায়তক লৈ উদ্ভৱ হোৱা এই অভিযোগ আৰু প্ৰতিবাদে এতিয়া পঞ্চায়ত প্ৰশাসনৰ স্বচ্ছতা, জবাবদিহিতা আৰু নিয়ম-নীতি মানি চলাৰ ওপৰতেই ডাঙৰ প্ৰশ্নচিহ্নৰ সৃষ্টি কৰিছে।

# হৰিশিঙাৰ লাংডাং চুবুৰীত বয়ন শিল্পীৰ উদ্যোগ 'জুংথি উইভিং কো-অপাৰেটিভ ছচাইটি' উদ্বোধন ৰিহণ দৈমাৰীৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২৮ আগষ্ট ঃ** নাৰী নেতৃত্বাধীন হস্তশিল্প সমবায় সমিতি তথা পৰম্পৰাগত বোৱা-কটা সংস্কৃতিক সংৰক্ষণ আৰু জীৱিকা শক্তিশালী কৰাৰ লক্ষ্যৰে গঠিত 'জুংথি উইভিং কো-অপাৰেটিভ ছচাইটি'ৰ নতুন কাৰ্যালয়টো ওদালগুৰি জিলাৰ হৰিশিঙাৰ লাংডাং চুবুৰীত আনুষ্ঠানিকভাৱে মুকলি কৰে বিটিচিৰ উপ-মুখ্য তথা ওদালগুৰি সমষ্টিৰ বিধায়ক ৰিহণ দৈমাৰীয়ে। 'দ্যা আণ্ট' ( এ'ন নৰ্থ ইষ্ট) নামৰ অনুষ্ঠানটোৰ সহযোগিতাত অনুষ্ঠিত কাৰ্যসূচীৰ অনুষ্ঠানত মুখ্য অতিথি হিচাপে বিটিচিৰ উপ-মুখ্য তথা ওদালগুৰি সমষ্টিৰ বিধায়ক ৰিহন দৈমাৰী আৰু বিশেষ অতিথি হিচাপে বিটিচিৰ পৰিষদীয় অধ্যক্ষ তথা হৰিশিঙাৰ এমচিএলএ ত্ৰিদীপ দৈমাৰী উপস্থিত থাকে। ইয়াৰোপৰি ওদালগুৰিৰ হস্তশিল্প আৰু বস্ত্ৰশিল্প বিভাগৰ সহকাৰী সঞ্চালক, সমবায় সমিতিৰ উপ-পঞ্জীয়ক (DRCS) কাৰ্যালয়ৰ বিষয়া, বিআৰএলএফৰ কাৰ্যসূচী প্ৰবন্ধক হিমাংশু দাস, 'দ্যা আণ্ট'ৰ কাৰ্যনিৰ্বাহী সঞ্চালক নেতাজী বসুমতাৰী, 'কাবিল' এনজিঅ'ৰ প্ৰতিনিধি আৰু হৰিশিঙাৰ ভিচিডিচিৰ চেয়াৰমেনৰ লগতে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। উল্লেখ্য যে, এই সমবায় সমিতিগৰাকী ৫৩ গৰাকী মহিলা সদস্যাৰে গঠিত আৰু ইয়াৰ পৰিচালনাৰ বাবে সভাপতি-সম্পাদিকা সহ ১৫ জনীয়া এখন পৰিচালনা সমিতিৰে পৰিচালিত হব লগা বয়ন শিল্পীৰ উদ্যোগটোত প্ৰাকৃতিক আঁহেৰে তৈয়াৰী হস্তশিল্প সামগ্ৰী প্ৰচাৰ আৰু প্ৰসাৰ কৰাৰ জৰিয়তে সাংস্কৃতিক ঐতিহ্য ৰক্ষা কৰাৰ লগতে এক বহনক্ষম জীৱিকাৰ পথ মুকলি কৰাই এই সমিতিৰ মূল উদ্দেশ্য বুলি উদ্যোগতাই জানিবলৈ দিয়ে। অনুষ্ঠানৰ আৰম্ভণিতে মুখ্য অতিথি বিটিচিৰ উপ-মুখ্য তথা ওদালগুৰি সমষ্টিৰ বিধায়ক ৰিহন দৈমাৰী ফিতা কাটি কাৰ্যালয়টো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে আৰু আমন্ত্ৰিত অতিথিসকলক ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। সমিতিৰ সভানেত্ৰীয়ে নিজৰ ভাষণত সমবায়খনৰ যাত্ৰা, উদ্দেশ্য আৰু ভৱিষ্যত পৰিকল্পনাৰ বিষয়ে আলোকপাত কৰে। 'দ্য আণ্ট'ৰ কাৰ্যনিৰ্বাহী সঞ্চালক নেতাজী বসুমতাৰীয়েও ৰাইজক উদ্দেশ্যি বক্তব্য ৰাখে। বিটিচিৰ পৰিষদীয় অধ্যক্ষ ত্ৰিদীপ দৈমাৰীয়ে এই প্ৰচেষ্টাক শলাগ লয় আৰু সমিতিখনক সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে। মুখ্য অতিথি ৰিহন দৈমাৰীয়ে ওদালগুৰি সমষ্টিৰ বিধায়ক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত এয়াই প্ৰথম কাৰ্যালয় উদ্বোধন অনুষ্ঠান বুলি উল্লেখ কৰি আনন্দ প্ৰকাশ কৰে। তেওঁ যুৱপ্ৰজন্মৰ স্বাস্থ্য, নিচাজাতীয় দ্ৰব্যৰ অপব্যৱহাৰ আৰু শিক্ষাৰ দৰে গুৰুত্বপূৰ্ণ সামাজিক সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত সামাজিক অনুষ্ঠান আৰু এনজিঅ'সমূহক আগবাঢ়ি আহিবলৈ আহ্বান জনায়। হস্তশিল্প আৰু বস্ত্ৰশিল্প বিভাগ তথা সমবায় বিভাগৰ বিষয়াসকলেও সমিতিক সকলো প্ৰকাৰৰ চৰকাৰী সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে।

দিন-দুপৰতে চোৰে লুটি নিলে লক্ষাধিক টকাৰ সোণ-ৰূপৰ গহনা, নগদ ধন

# চামগুৰিত সাংবাদিকৰ বাসগৃহত চুৰিকাণ্ড

**অসম বাৰ্তা, পুৰণিগুদাম, ২৭ আগষ্ট ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানা আৰু খাটোৱাল আৰক্ষী থানাৰ অন্তৰ্গত বিভিন্ন অঞ্চলত দিনকদিনে বৃদ্ধি পাইছে চুৰিকাণ্ডৰ ঘটনা। বিগত দিনকেইটাত আৰক্ষী থানা দুখনৰ অন্তৰ্গত বিভিন্ন অঞ্চলৰ বহুলোকৰ ঘৰত চোৰে বাধাহীনভাৱে চাফাই অভিযান চলোৱাৰ পাছত আজি আমনি তিনিআলিৰ মাধৱদেৱ হাইস্কুলৰ সন্মুখৰ এজন সাংবাদিকৰ ঘৰত দিন দুপৰতে চুৰিকাণ্ড সংঘটিত হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, এটা চেটেলাইট চেনেলৰ চামগুৰিস্থিত সাংবাদিক যোগেশ শৰ্মাৰ বাসগৃহত আজি কোনো লোক নথকাৰ সুবিধা গ্ৰহণ কৰি দিন দুপৰতে এটা চোৰৰ দলে প্ৰবেশ কৰে। চোৰৰ দলটোৱে ঘৰৰ পিছফালৰ দুৱাৰ ভাঙি ভিতৰত প্ৰৱেশ কৰি ঘৰৰ আঁচবাব লণ্ডভণ্ড কৰাৰ লগতে কেইবা লক্ষাধিক টকাৰ মূল্যৰ সোণ, ৰূপৰ আ-অলংকাৰসহ নগদ দহ হাজাৰ টকা লৈ উধাও হয় বুলি অভিযোগ উঠিছে। পৰৱৰ্তী সময়ত ঘটনাস্থলীত চামগুৰি আৰক্ষী থানাৰ আৰক্ষী উপস্থিত হৈ উক্ত চুৰিকাণ্ডৰ সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে বুলি জানিব পৰা গৈছে। আনহাতে, খাটোৱাল আৰক্ষী থানা আৰু চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত বহুঠাইত চৰকাৰী পঞ্জীয়নভুক্ত গাঁওৰক্ষী বাহিনী থকাৰ পাছতো মানুহৰ সা-সম্পত্তি সুৰক্ষিত নোহোৱাত সৰ্বসাধাৰণ ৰাইজক চিন্তিত হৈ পৰিছে বুলি অভিযোগ উঠিছে। আনহাতে, আজি সংঘটিত হোৱা উক্ত চুৰিকাণ্ডৰ সন্দৰ্ভত চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে তদন্ত অব্যাহত ৰখাৰ লগতে স্থানীয় এজন যুৱকক সোধাপোছাৰ কাৰণে আটক কৰিছে বুলি জানিব পৰা গৈছে। ❐

# বিশ্বনাথ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ SRD শিক্ষকৰ দৰমহা কেন্দ্ৰিক আসোঁৱাহ সন্দৰ্ভত আবেদন দাখিল



**অসম বাৰ্তা, জিনজিয়া, ২৮আগষ্ট ঃ** 'অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনী'ৰ শেহতীয়াকৈ দিয়া নিৰ্দেশ মৰ্মে ২৬ আগষ্টত বিশ্বনাথ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীয়ে বিহালী শিক্ষা খণ্ডত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। বিশেষ নিযুক্তি প্ৰক্ৰিয়াৰে নিযুক্ত (SRD) শিক্ষক-শিক্ষয়িত্ৰীসকলে তেওঁলোকৰ দৰমহা প্ৰদানৰ শেহতীয়া নীতিবহিৰ্ভূত প্ৰক্ৰিয়াক লৈ তীব্ৰ অসন্তুষ্টি ব্যক্ত কৰি এই প্ৰতিবাদ সাব্যস্ত কৰে। 'বিশ্বনাথ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনী'ৰ সম্পাদক প্ৰেম বৈষ্ণৱে কাৰ্যসূচীটোৰ আঁত ধৰি এছ আৰ ডি (SRD) শিক্ষকসকলৰ দৰমহা কেন্দ্ৰিক আসোঁৱাহৰ সন্দৰ্ভত এক বলিষ্ঠ বক্তব্য আগবঢ়ায়। কাৰ্যসূচীত অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ তৰফৰপৰা যুগুত কৰা বিশেষ আবেদন পত্ৰখন পাঠ কৰে বৰগাং কেন্দ্ৰ প্ৰাথমিক শিক্ষক সন্মিলনীৰ সম্পাদক ৰাজু গিৰিয়ে। আবেদন পত্ৰখনত উল্লেখ কৰা তথ্য অনুসৰি, বিহালী শিক্ষা খণ্ডৰ অন্তৰ্গত এছ আৰ ডি (SRD) শিক্ষকসকলে চলিত বৰ্ষৰ বিগত জুলাই মাহলৈকে তেওঁলোকৰ নিয়মীয়া বেতন বিশ্বনাথ জিলা কোষাগাৰৰ জৰিয়তে লাভ কৰি আহিছিল। কিন্তু দুৰ্ভাগ্যজনকভাৱে, আগষ্ট মাহৰ পৰা তেওঁলোকৰ দৰমহা জিলা কোষাগাৰৰ পৰিৱৰ্তে ৰাজ্যিক কোষাগাৰৰ 'SNA-SPARSH' মডিউলৰ জৰিয়তে 'সমগ্ৰ শিক্ষা অভিযান'ৰ আঁচনিভুক্ত ধন হিচাপে মুকলি কৰাৰ প্ৰক্ৰিয়া চলিছে বুলি জানিব পাৰি শংকিত হৈ পৰিছে। এছ আৰ ডি শিক্ষকসকলে ক্ষোভেৰে জনায় যে, তেওঁলোকে ইতিপূৰ্বে 'সমগ্ৰ শিক্ষা অভিযান'ৰ পদৰ পৰা ইস্তফা দি শিক্ষা সঞ্চালকৰ নিযুক্তি পত্ৰৰ ভিত্তিতহে নিয়মীয়া শিক্ষক হিচাপে যোগদান কৰিছিল। গতিকে তেওঁলোকৰ একাউণ্টত পুনৰ আঁচনিভুক্ত ধন সুমুৱাই দিয়াটো কোনো কাৰণতে মানি লোৱা নহ'ব। বৰ্তমান 'FIN ASSAM' প'ৰ্টেলত এছ আৰ ডি (SRD) শিক্ষকসকলৰ সঞ্চালকৰ নাম "সমগ্ৰ শিক্ষা অসম" আৰু DDO হিচাপে 'BMC' প্ৰদৰ্শিত হৈ থকাত শিক্ষকসকলে গভীৰ ষড়যন্ত্ৰৰ সন্দেহ ব্যক্ত কৰিছে। তেওঁলোকৰ আশংকা যে চৰকাৰে পুনৰ তেওঁলোকক সমগ্ৰ শিক্ষাৰ অধীনলৈ নি ঠিকাভিত্তিক শিক্ষকৰ দৰে বেতন প্ৰদানৰ পৰিকল্পনা কৰিছে। বিহালী খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ অনুপস্থিতিত কাৰ্যালয়ৰ খণ্ড সমল ব্যক্তি (BRP) হৃদয় বৈশ্যৰ হাতত এই আবেদন দাখিল কৰা হয়। শিক্ষক সমাজে স্পষ্ট কৰি দিয়ে যে, শিক্ষকসকলৰ সন্মতি অবিহনে দৰমহাৰ একাউণ্টৰ তথ্য সলনি কৰি আঁচনিভুক্ত কৰিলে তেওঁলোকে ভাৰতীয় ন্যায় সংহিতাৰ অধীনত আইনৰ আশ্ৰয় ল'বলৈ বাধ্য হ'ব। উক্ত কাৰ্যসূচীত বিশ্বনাথ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সম্পাদক প্ৰেম বৈষ্ণৱ, সহঃ সম্পাদক জীৱন নেপাল, ন্যাস সম্পাদক সঞ্জীৱ কুমাৰ দাস, বৰগাং কেন্দ্ৰ প্ৰাথমিক শিক্ষক সন্মিলনীৰ সম্পাদক ৰাজু গিৰিকে ধৰি প্ৰায় অৰ্ধ শতাধিক এছ আৰ ডি (SRD) শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকে।

# নেপালত মহাপ্ৰলয়ৰ পিছতেই

বুধবাৰে পুৱা পাহাৰীয়া অঞ্চলৰ পৰা নামি অহা পানীৰ সোঁতাই ৰাছুৱা, নুৱাকোট আৰু সিন্ধুপালচোক জিলাত ধ্বংসলীলা চলায়। এই বানপানীক যোৱা কেইবাবছৰৰ ভিতৰতে নেপালৰ আটাইতকৈ মাৰাত্মক প্ৰাকৃতিক দুৰ্যোগ বুলি গণ্য কৰা হৈছে। বানপানীৰ ফলত এতিয়ালৈকে ১৫৭জন লোকৰ মৃত্যু নিশ্চিত কৰা হৈছে আৰু প্ৰায় ৪০০ লোক নিৰুদ্দেশ। নেপাল আৰক্ষীৰ উদ্ধৃতি দি চিএনএনে এই সংখ্যা প্ৰকাশ কৰে। আটাইতকৈ চিন্তাজনক কথাটো হ'ল যে অঞ্চলটোত বৰষুণ নথকাত ৰাইজে আগতীয়াকৈ কোনো সতৰ্কবাণী পোৱা নাছিল। চীন সীমান্তৰ ৰাছুৱাগাধিৰ টাইমুৰে অঞ্চলত হিমস্খলনে ভোটেকোশী নদীৰ উপনৈ লেণ্ডেৰ প্ৰবাহ বন্ধ কৰি দিয়ে, আৰু পিছত সেই বন্ধ পানী হঠাৎ খহি তলৰ বসতিস্থলবোৰক গ্ৰাস কৰে। প্ৰধানমন্ত্ৰী কাৰ্যালয়ৰ এক বিবৃতি অনুসৰি, ৩৯১জন বিদেশী আৰু ৪৪জন নিৰাপত্তাৰক্ষীকে ধৰি শতাধিক লোক নোহোৱা হৈছে। বানপানীয়ে আন্তঃগাঁথনিৰ যথেষ্ট ক্ষতি সাধন কৰিছে। প্ৰাথমিক মূল্যায়ন অনুসৰি, ৯টা জলবিদ্যুৎ প্ৰকল্প, বাণিজ্যিক বেংকৰ ৯টা শাখা সম্পূৰ্ণ ধ্বংস হৈছে, লগতে ১৯খন মটৰচালিত দলং আৰু প্ৰায় ৪০ কিলোমিটাৰ ঘাইপথ জাহ গৈছে। সাহায্য অভিযানৰ সমান্তৰালকৈ ভাৰতে নেপাললৈ মানৱীয় সাহায্য প্ৰেৰণ কৰিবলৈ সত্বৰ হয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰে জানিবলৈ দিয়ে যে ভাৰতৰ এইচ এ ডি আৰ (মানৱীয় সাহায্য আৰু দুৰ্যোগ সাহায্য) সামগ্ৰী আৰু চিকিৎসা সাহায্য কাঠমাণ্ডুত উপস্থিত হৈছে। তেওঁ এক্সত লিখে, “অধিক সাহায্য সংগঠিত কৰা হৈছে।” ভাৰতীয় বায়ুসেনাৰ C130J বিমানে ১০ টন জৰুৰীকালীন সামগ্ৰী-অস্থায়ী আশ্ৰয় শিবিৰ, কম্বল, পৰিষ্কাৰ-পৰিচ্ছন্নতা কিট, সৌৰ লেম্প আৰু ঔষধ-কড়িয়াই লৈ যায়। বানপানীৰ কাৰণ সম্পৰ্কে নেপালৰ জলবিজ্ঞান আৰু বতৰ বিজ্ঞান বিভাগে প্ৰাথমিকভাৱে কয় যে বৰফৰ হিমস্খলন আৰু তাৰ পিছত সৃষ্টি হোৱা ধ্বংসাৱশেষ হ্ৰদৰ বিস্ফোৰণৰ ফলত ভোটেকোশী নদীত হঠাৎ বানপানীৰ সৃষ্টি হয়। নেপালৰ ৰাষ্ট্ৰীয় দুৰ্যোগ কৰ্তৃপক্ষই প্লেনেট লেবছৰ উপগ্ৰহ চিত্ৰ বিশ্লেষণ কৰি এই সিদ্ধান্তত উপনীত হয় যে নেপাল-চীন সীমান্তৰ লেণ্ডে নদীত হিমবাহ সম্পৰ্কীয় বানৰ সৃষ্টি হৈছিল। মুখপাত্ৰ শান্তি মহতে অৱশ্যে কয়, “এয়া প্ৰাৰম্ভিক অনুমান; বৰ্তমান আমি উদ্ধাৰ অভিযানত গুৰুত্ব দিছো, কাৰণ ক্ৰমান্বয়ে স্পষ্ট হৈ পৰিব।” আন্তৰ্জাতিক সংহত পৰ্বত উন্নয়ন কেন্দ্ৰ (আইচিআইএমঅ'ডি)য়ে চীনৰ সূত্ৰৰ পৰা লাভ কৰা তথ্য নেপালৰ কৰ্তৃপক্ষৰ সৈতে ভাগ-বতৰা কৰে। অৱশ্যে উদ্ধাৰ অভিযান চলি থকাৰ বাবে আনুষ্ঠানিক কাৰণ নিৰ্ণয় পিছলৈ থৈ দিয়া হৈছে। এই বানপানী নেপালৰ আধুনিক ইতিহাসৰ অন্যতম প্ৰাণঘাতী দুৰ্যোগ হ'ব পাৰে বুলি আশংকা কৰিছে দ্য কাঠমাণ্ডু পোষ্টে। ইফালে, ভাৰত আৰু নেপালৰ উদ্ধাৰকাৰী দলসমূহে যৌথভাৱে কাম কৰি আছে, আৰু নেপাল সেনাই সকাহ অভিযান ত্বৰান্বিত কৰিছে। অসম, বিহাৰকে ধৰি সীমান্তৱৰ্তী ৰাজ্যবোৰেও সংকটৰ সময়ত প্ৰয়োজনীয় সহায় আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিছে।

# ডিব্ৰুগড়ক অসমৰ দ্বিতীয় ৰাজধানী

এচ চি আৰ ডি এ-ডিৰ অধ্যক্ষ প্ৰশান্ত ফুকনে সভাপতিত্ব কৰে। বৈঠকত আন্তঃগাঁথনি, প্ৰশাসনিক ব্যৱস্থা, অঞ্চল নিৰ্ধাৰণ আৰু নৱগঠিত কৰ্তৃপক্ষৰ ভৱিষ্যৎ কাৰ্যপন্থাকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰা হয়। আলোচনাৰ অন্যতম মুখ্য বিষয় আছিল অধিসূচিত ৰাজ্যিক ৰাজধানী অঞ্চলটোৰ চিনাক্তকৰণ, পৰীক্ষণ আৰু সীমা নিৰ্ধাৰণ। অঞ্চলটোৰ সঠিক পৰিসৰ নিৰ্ধাৰণৰ বাবে যুটীয়া ক্ষেত্ৰ পৰীক্ষণ, সীমা মানচিত্ৰ প্ৰস্তুত কৰা আৰু গাঁওভিত্তিক তথ্য সংকলনৰ প্ৰয়োজনীয়তাৰ ওপৰত বিষয়াসকলে আলোচনা কৰে। প্ৰস্তাৱিত ৰাজ্যিক ৰাজধানী অঞ্চলটোৱে ডিব্ৰুগড় কেপিটেল কমপ্লেক্সৰ পৰা ২০ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰৰ অঞ্চল সামৰি ল'ব। অসম কেবিনেটে ৫ জুনত ডিব্ৰুগড়ত দ্বিতীয় ৰাজ্যিক ৰাজধানী অঞ্চল আৰু এচ চি আৰ ডি এ-ডি গঠনৰ অনুমোদন জনাইছিল। এই কৰ্তৃপক্ষৰ ওপৰত আঞ্চলিক আৰু খণ্ডভিত্তিক উন্নয়ন পৰিকল্পনা প্ৰস্তুত, উন্নয়নৰ সম্ভাৱনাময় কৰিডৰ চিনাক্ত আৰু ভৱিষ্যৎ নগৰ সম্প্ৰসাৰণক দিক- নিৰ্দেশনা দিয়াৰ দায়িত্ব অৰ্পণ কৰা হৈছে। প্ৰশান্ত ফুকনে কয় যে ডিব্ৰুগড়ৰ সম্প্ৰসাৰণ যাতে সুপৰিকল্পিতভাৱে হয় আৰু পৰ্যাপ্ত আন্তঃগাঁথনিৰ দ্বাৰা সমৰ্থিত হয়, সেয়া নিশ্চিত কৰাৰ বাবে কৰ্তৃপক্ষই কাম কৰিব। ডিব্ৰুগড়ক অসমৰ দ্বিতীয় ৰাজ্যিক ৰাজধানী হিচাপে প্ৰতিষ্ঠা কৰাৰ দিশত উন্নয়নৰ এক নতুন অধ্যায়ৰ আৰম্ভণি হৈছে। আমাৰ মূল লক্ষ্য হ'ব পৰিকল্পিত উন্নয়ন, সমন্বিত পদক্ষেপ আৰু নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত প্ৰকল্পসমূহ ৰূপায়ণ কৰা বুলিও ফুকনে উল্লেখ কৰে। বৈঠকত পথ, নলা-নৰ্দমা ব্যৱস্থা, পানী যোগান, ৰাজহুৱা সুবিধা আৰু অন্যান্য অত্যাৱশ্যকীয় নাগৰিক আন্তঃগাঁথনিকে ধৰি চলি থকা আৰু প্ৰস্তাৱিত বিভিন্ন আন্তঃগাঁথনি প্ৰকল্পৰো পৰ্যালোচনা কৰা হয়। ডিব্ৰুগড়ৰ সম্প্ৰসাৰিত প্ৰশাসনিক ভূমিৰ প্ৰতি লক্ষ্য ৰাখি এই সুবিধাসমূহ অধিক শক্তিশালী কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰতো বিষয়াসকলে আলোচনা কৰে। বৈঠকৰ আন এটা গুৰুত্বপূৰ্ণ বিষয় আছিল আঞ্চলিক আৰু খণ্ডভিত্তিক উন্নয়ন পৰিকল্পনা প্ৰস্তুত কৰা। অধিসূচিত অঞ্চলটোৰ ভিতৰত সম্ভাৱনাময় উন্নয়ন কৰিডৰ সমূহ চিনাক্ত কৰাৰ বিষয়েও আলোচনা কৰা হয়, যাতে নগৰ সম্প্ৰসাৰণ পৰিকল্পিত আৰু বহনক্ষমভাৱে সম্পন্ন হয়। বিভিন্ন চৰকাৰী বিভাগ আৰু স্থানীয় সংস্থাসমূহৰ মাজত সমন্বয়ৰ গুৰুত্বৰ ওপৰত ফুকনে বিশেষ গুৰুত্ব আৰোপ কৰে। ডিব্ৰুগড়ক এখন আধুনিক আৰু সুসংগঠিত দ্বিতীয় ৰাজধানীলৈ ৰূপান্তৰ কৰিবলৈ সকলো অংশীদাৰৰ সামূহিক প্ৰচেষ্টাৰ প্ৰয়োজন। প্ৰতিটো বিভাগে সমন্বয়ৰ সৈতে কাম কৰিব লাগিব আৰু গুৰুত্বপূৰ্ণ কামসমূহ নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সম্পূৰ্ণ হোৱাটো নিশ্চিত কৰিব লাগিব বুলি প্ৰশান্ত ফুকনে সদৰি কৰে। বৈঠকত খোৱাং সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈ, ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰী, ডিব্ৰুগড় জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া দীপু কুমাৰ ডেকা, ডিব্ৰুগড় পৌৰ নিগমৰ আয়ুক্ত শিৱানী জেৰংগাল আৰু জিলা উন্নয়ন আয়ুক্ত নন্দিতা বৰুৱা উপস্থিত থাকে। ইয়াৰ উপৰি অতিৰিক্ত জিলা আয়ুক্তসকল, ৰাজহ চক্ৰ বিষয়াসকল, সহকাৰী আয়ুক্তসকল, বিভিন্ন বিভাগৰ বিষয়াসকল আৰু জিলা পৰ্যায়ৰ সমিতিৰ সদস্যসকলো বৈঠকত উপস্থিত থাকে। অসম চৰকাৰে ডিব্ৰুগড়ক ৰাজ্যখনৰ দ্বিতীয় ৰাজধানী অঞ্চল হিচাপে গঢ়ি তোলাৰ উদ্যোগৰ অংশ হিচাপে এচ চি আৰ ডি এ-ডি গঠন কৰিছে। অঞ্চলটোৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে চৰকাৰে পাঁচ বছৰৰ ভিতৰত ৫০০ কোটি টকা ধাৰ্য কৰিছে। ইয়াৰ উপৰি ইতিমধ্যে চলি থকা প্ৰকল্পসমূহৰ বাবেও পৃথকভাৱে পুঁজি যোগান ধৰা হ'ব বুলিও সূত্ৰত প্ৰকাশ।

# কাংকোপিত নিৰীহ হত্যাকাণ্ডৰ তীব্ৰ

অন্ত পৰাৰ পাছতে এই সভা আহ্বান কৰা হয়। বৈঠকত কাংপোকপি জিলাৰ আই টি ৰোডৰ কাষত সাধাৰণ নাগৰিকসকলৰ ওপৰত সংঘটিত আক্ৰমণৰ বিষয়টোও বিস্তাৰভাৱে আলোচনা কৰা হয়। চৰকাৰে ঘটনাটোক ৰাজ্যৰ আইন-শৃংখলাৰ বাবে এক চূড়ান্ত প্ৰত্যাহ্বান বুলি গণ্য কৰি ইয়াৰ পুনৰাবৃত্তি ৰোধ কৰিবলৈ কঠোৰ পদক্ষেপ ল'বলৈ সিদ্ধান্ত গ্ৰহণ কৰে। বৈঠকত গ্ৰহণ কৰা অন্যতম গুৰুত্বপূৰ্ণ সিদ্ধান্ত হ'ল-যিকোনো ব্যক্তি বা সম্প্ৰদায় নিৰ্বিশেষে, যদি কাৰো ওচৰত অবৈধ অস্ত্ৰ-শস্ত্ৰ পোৱা যায়, তেন্তে তেওঁৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা লোৱা হ'ব। ইয়াৰ লগতে ছাচপেনচন অৱ অপাৰেচন (SoO)ৰ অধীনত থকা বা চৰকাৰৰ সৈতে শান্তি আলোচনাত লিপ্ত হোৱা সংগঠনসমূহৰ কেডাৰসকলক নিজ নিজ শিবিৰৰ বাহিৰলৈ অস্ত্ৰ লৈ যোৱাত সম্পূৰ্ণ নিষেধাজ্ঞা জাৰি কৰা হয়। যদি কোনো কেডাৰ শিবিৰৰ বাহিৰত অস্ত্ৰসহ দেখা যায়, তেন্তে তেওঁক গুৰুতৰ আইনী ব্যৱস্থাৰ সন্মুখীন কৰোৱা হ'ব বুলি স্পষ্টকৈ উল্লেখ কৰা হয়। ইফালে, এই উচ্চ পৰ্যায়ৰ নিৰাপত্তা বৈঠকত মণিপুৰৰ গৃহমন্ত্ৰী গোবিন্দাস কনথৌজাম, মুখ্য সচিব ড° পুনীত কুমাৰ গোৱেল, নিৰাপত্তা উপদেষ্টা কুলদীপ সিং, আৰক্ষী মহানিৰ্দেশক মুকেশ সিং, গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ যুটীয়া সচিব (উত্তৰ-পূব), এডিজিপি (চোৰাংচোৱা, আইন-শৃংখলা), ৰাজ্যিক গৃহ আয়ুক্ত, চিআৰপিএফৰ মহাপৰিদৰ্শক, অসম ৰাইফলছ (পূব আৰু দক্ষিণ)ৰ মহাপৰিদৰ্শক, ৫৭ নং মাউণ্টেইন ডিভিজনৰ ডেপুটি জি অ'চি, লগতে এছআইবি, বিএছএফ, এছএছবি আৰু অন্যান্য নিৰাপত্তা সংস্থাৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। মুখ্যমন্ত্ৰীয়ে বৈঠকত নিৰাপত্তা বাহিনীসমূহক সজাগ আৰু সক্ৰিয় হৈ থকাৰ নিৰ্দেশ দিয়ে, বিশেষকৈ সেই অঞ্চলসমূহত যিবোৰত সাম্প্ৰদায়িক সংঘাতৰ পুনৰাবৃত্তি ঘটিব পাৰে। ইতিমধ্যে ঘটনাস্থলীত তদন্ত আৰম্ভ কৰা হৈছে আৰু দোষীক সোনকালে বিচাৰি উলিয়াবলৈ বিশেষ দল গঠন কৰা হৈছে বুলি জানিবলৈ দিয়ে মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ সূত্ৰই। উল্লেখযোগ্য যে, ২০২৩ চনৰ মে' মাহৰ পৰা মণিপুৰত চলি থকা জাতিগত সংঘাতৰ মাজতে এই ধৰণৰ আক্ৰমণে ৰাজ্যখনৰ নিৰাপত্তা পৰিস্থিতিক পুনৰ সংকটপূৰ্ণ কৰি তুলিছে। মুখ্যমন্ত্ৰী খেমচান্দ সিঙে এই ঘটনাৰ পুনৰাবৃত্তি নঘটাবলৈ সকলো পক্ষক আহ্বান জনোৱাৰ লগতে চৰকাৰে শান্তি স্থাপনৰ বাবে কঠোৰ পদক্ষেপ ল'ব বুলি পুনৰবাৰ প্ৰতিশ্ৰুতি দিয়ে। নিহতসকলৰ পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰি তেওঁ আহতজনৰ দ্ৰুত আৰোগ্য আৰু সন্ধানহীনজনক উদ্ধাৰৰ বাবেও প্ৰয়োজনীয় নিৰ্দেশ প্ৰদান কৰে।

# নেপালৰ ধ্বংসাত্মক বানপানীৰ প্ৰতি

জনসাধাৰণৰ সৈতে অসমবাসীৰ সম্পূৰ্ণ সংহতি থকা বুলি স্পষ্ট কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই লিখিছে, “নেপালৰ ভয়ংকৰ বানপানী আৰু ইয়াৰ ফলত হোৱা মানৱীয় বিপৰ্যয় আৰু সম্পত্তিৰ ক্ষয়ক্ষতিত মই অত্যন্ত মৰ্মাহত। এই মুহূৰ্তত অসমৰ ৰাইজ নেপালৰ ভাই-ভনীসকলৰ লগত দৃঢ়ভাৱে থিয় দিছে। শোকসন্তপ্ত পৰিয়ালবোৰলৈ আমাৰ সমবেদনা আৰু ক্ষতিগ্ৰস্ত অঞ্চলবাসীৰ বাবে প্ৰাৰ্থনা জনালোঁ যে সোনকালে তেওঁলোকে স্বাভাৱিক জীৱনলৈ ঘূৰি আহিব পাৰক।” ইপিনে, নেপালৰ বানপানীৰ পৰিসংখ্যা অতি শংকাজনক। বৃহস্পতিবাৰলৈকে মুঠ ১৬৫জন লোকৰ মৃত্যু হৈছে বুলি নিশ্চিত কৰা হৈছে। ইয়াৰ উপৰি ৮৭৯জন লোক এতিয়াও নিৰুদ্দেশ হৈ আছে, যাৰ ভিতৰত প্ৰায় ৩০০জন ভাৰতীয় নাগৰিক অন্তৰ্ভুক্ত। নেপালৰ বৈদেশিক মন্ত্ৰী শিশিৰ খানালে এই তথ্য প্ৰকাশ কৰি উদ্ধাৰ অভিযান তীব্ৰতৰ কৰা বুলি জানিবলৈ দিয়ে। উল্লেখনীয় যে, বানপানীৰ প্ৰভাৱত অসমৰ কোনো লোক আৱদ্ধ বা হতাহত হোৱাৰ খবৰ এতিয়ালৈকে পোৱা হোৱা নাই। অৱশ্যে অসম চৰকাৰে নেপালত অৱস্থান কৰা অসমীয়া নাগৰিকসকলৰ সুৰক্ষা সম্পৰ্কে নিয়মীয়াভাৱে পৰ্যবেক্ষণ কৰি আছে।

# প্ৰস্তাৱিত চিমেণ্ট কাৰখানাৰ কাম

উত্থাপন কৰা পৰিৱেশগত বিষয় আৰু ৰাজহুৱা শুনানিত অংশগ্ৰহণ কৰা বিভিন্ন পক্ষৰ মতামত গভীৰভাৱে পৰীক্ষা কৰিবলৈ এখন তথ্য অনুসন্ধান সমিতি গঠন কৰিবলৈও সিদ্ধান্ত লোৱা হৈছে। এই সমিতিখনৰ নেতৃত্ব জিলাখনৰ প্ৰশাসনৰ সৈতে কোনো প্ৰত্যক্ষ সম্পৰ্ক নথকা এগৰাকী জ্যেষ্ঠ বিষয়াক দিয়া হ'ব। লগতে ন্ত্ৰহু-ৰ অভিযোগসমূহ সঠিকভাৱে মূল্যায়ন কৰিবলৈ সমিতিখনত আন সদস্যসকলকো নিযুক্তি দিয়া হ'ব বুলি মুখ্যমন্ত্ৰীয়ে নিশ্চিত কৰে। সাংবাদিকসকলৰ আগত মুখ্যমন্ত্ৰী ছাংমাই কয় যে অনুসন্ধান সমিতিয়ে নিজৰ কাম সমাপ্ত কৰি প্ৰতিবেদন দাখিল নকৰালৈকে প্ৰকল্পটোৰ আটাইবোৰ কাম বন্ধ থকা অৱস্থাত থাকিব। অৰ্থাৎ, এই মুহূৰ্তত প্ৰস্তাৱিত চিমেণ্ট কাৰখানাক লৈ কোনো নতুন পদক্ষেপ লোৱা নহ'ব আৰু প্ৰকল্পস্থলীত পূৰ্বৰ অৱস্থাই অক্ষুণ্ণ থাকিব। মুখ্যমন্ত্ৰী ছাংমাই লগতে কয় যে ৰাজ্যখনৰ অৰ্থনৈতিক বিকাশৰ বাবে ব্যক্তিগত বিনিয়োগ অতি প্ৰয়োজনীয় বুলি বিবেচনা কৰি চৰকাৰে আৰম্ভণিতে প্ৰস্তাৱিত চিমেণ্ট কাৰখানাটোক সমৰ্থন কৰিছিল। শ্ৰী চিমেণ্টৰ এই প্ৰকল্পটোৱে আইন অনুসৰি প্ৰয়োজনীয় প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ লগতে নিৰ্ধাৰিত ৰাজহুৱা শুনানিও অনুষ্ঠিত কৰিছিল বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। কিন্তু ন্ত্ৰহু-এ উত্থাপন কৰা অভিযোগ আৰু জনসাধাৰণৰ উদ্বেগৰ প্ৰতি গুৰুত্ব দি এতিয়া সমগ্ৰ প্ৰক্ৰিয়াটো পুনৰ পৰীক্ষা কৰাৰ সিদ্ধান্ত লোৱা হৈছে। মুখ্যমন্ত্ৰীৰ এই সিদ্ধান্তক আদৰণি জনাইছে KSUৰ নেতা ড'নাল্ড ভি থাবাহে। অৱশ্যে তেওঁ স্পষ্ট ভাষাত সতৰ্কবাণী উচ্চাৰণ কৰি কয় যে যদি চৰকাৰে জনজাতীয় মাটি সম্পূৰ্ণৰূপে বিক্ৰী কৰাৰ দিশত আগবাঢ়ে, তেন্তে সংগঠনটোৱে নিজৰ আন্দোলন অধিক তীব্ৰতৰ কৰি তুলিব আৰু প্ৰয়োজনীয় প্ৰতিবাদ চলাই যাব। এই প্ৰতিশ্ৰুতিয়ে আগন্তুক দিনবোৰত এই প্ৰকল্পক লৈ ৰাজ্যখনত নতুন বিতৰ্কৰ সৃষ্টি কৰিব পাৰে বুলি ৰাজনৈতিক মহলত চৰ্চা চলি আছে।

# মাজুলীৰ স্বাস্থ্যখণ্ডৰ বুজ

ঐতিহ্য আৰু আধ্যাত্মিকতাৰ সৈতেও একাত্ম হোৱা দেখা যায় মন্ত্ৰীগৰাকীক। প্ৰথমে পুৱাৰ ভাগতে মাজুলীৰ চিৰাম চাপৰিত থকা ৫০খন বিছনাযুক্ত আয়ুৰ্বেদিক চিকিৎসালয়ত উপস্থিত হৈ স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে চিকিৎসালয়খনৰ আন্তঃগাঁথনি, চিকিৎসা সেৱা আৰু সামগ্ৰিক ব্যৱস্থাপনাৰ বুজ লয়। পৰিদৰ্শনকালত চিকিৎসালয়খনক অতি সোনকালে পূৰ্ণাংগ চিকিৎসালয় হিচাপে গঢ়ি তোলাৰ আশ্বাস প্ৰদান কৰাৰ লগতে আগন্তুক তিনি মাহৰ ভিতৰত চিকিৎসালয়খনত IPD সেৱা আৰম্ভ কৰা হ'ব বুলি ঘোষণা কৰে। ইয়াৰ উপৰি স্বাস্থ্য বিভাগে আইআইটিৰ সৈতে যৌথভাৱে চিকিৎসা খণ্ডত এক নতুন সংযোজন আনিবলৈ আগবাঢ়িছে বুলিও মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। ইফালে ইয়াৰ পিছতেই ঐতিহ্যমণ্ডিত উত্তৰ কমলাবাৰী সত্ৰত উপস্থিত হয় স্বাস্থ্যমন্ত্ৰী অশোক সিংহল। ভাদ মাহৰ পৱিত্ৰ ক্ষণত সত্ৰখনত সৃষ্টি হোৱা আধ্যাত্মিক পৰিৱেশৰ মাজত ভকতীয়া সাজ পৰিধান কৰি মন্ত্ৰীগৰাকীয়ে ভকত-বৈষ্ণৱৰ সৈতে একেশাৰীতে বহি নাম-প্ৰসংগত অংশগ্ৰহণ কৰে। হাত চাপৰি বজাই হৰি নামত বিলীন হোৱা মন্ত্ৰীগৰাকীৰ এই দৃশ্যই উপস্থিত লোকসকলৰ দৃষ্টি আকৰ্ষণ কৰে। নাম-প্ৰসংগত অংশ লৈ স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে কয় যে দৈনিক নামঘৰলৈ গৈ নাম-প্ৰসংগত অংশগ্ৰহণ কৰি আধ্যাত্মিক ভাৱ জাগ্ৰত কৰিব পাৰিলে মানুহ মানসিক ৰোগৰ পৰা মুক্ত হ'ব পাৰে। তেওঁৰ মতে, নামঘৰীয়া সংস্কৃতিয়ে মানুহৰ মানসিক স্বাস্থ্য সুস্থ কৰি ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কেৱল ঔষধৰ জৰিয়তেই নহয়, ভক্তি আৰু নাম-প্ৰসংগৰ জৰিয়তেও মানুহক সুস্থ কৰি ৰাখিব পাৰি বুলি মন্তব্য কৰে মন্ত্ৰীগৰাকীয়ে। মহাপুৰুষ গুৰুজনাই অসমবাসীক দি যোৱা সংস্কৃতি, পৰম্পৰা, বিধান, নীতি-নিয়মৰ প্ৰসংগ উল্লেখ কৰি স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে কয়, “মহাপুৰুষ গুৰুজনাই যি সংস্কৃতি-পৰম্পৰা আৰু আমাক যি বিধান, নীতি-নিয়ম প্ৰদান কৰি গ'ল, মই ভাবোঁ বিশ্বৰ ভিতৰত শ্ৰেষ্ঠ। এই শ্ৰেষ্ঠতাটো বজাই ৰাখি আমি আগবাঢ়িব লাগে।” ৰাজনীতিৰ মঞ্চৰ পৰা আধ্যাত্মিকতাৰ বাটলৈ মন্ত্ৰীগৰাকীৰ এই যাত্ৰাই মাজুলী ভ্ৰমণত এক বিশেষ মাত্ৰা সংযোজন কৰে। সত্ৰৰ ভকত-বৈষ্ণৱৰ সৈতে সমানে বহি নাম-প্ৰসংগত অংশগ্ৰহণ কৰাৰ পিছত সত্ৰাধিকাৰৰ চ'ৰাত বহি মাজুলীৰ পৰম্পৰাগত কোমল চাউল, দৈ আৰু গাখীৰেৰে মা-প্ৰসাদ গ্ৰহণ কৰে স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে। উত্তৰ কমলাবাৰী সত্ৰ পৰিদৰ্শনৰ সময়ত মন্ত্ৰীগৰাকীৰ সৈতে মাজুলীৰ বিধায়ক ভুৱন গামৰ লগতে মাজুলী জিলা ক্ৰিকেট সন্থাৰ সম্পাদক মনোজ কুমাৰ বৰাও উপস্থিত থাকে। ইয়াৰ পিছতে মন্ত্ৰী অশোক সিংহলে মাজুলীৰ শ্ৰী শ্ৰী পীতাম্বৰ দেৱগোস্বামী জিলা অসামৰিক চিকিৎসালয় পৰিদৰ্শন কৰে। চিকিৎসালয়খনৰ চলিত চিকিৎসা সেৱা, আন্তঃগাঁথনি আৰু অন্যান্য সামগ্ৰিক দিশৰ বুজ লোৱাৰ লগতে চিকিৎসক, স্বাস্থ্যকৰ্মী, ৰোগী আৰু অভিভাৱকসকলৰ সৈতে পোনপটীয়াকৈ মত-বিনিময় কৰে। তেওঁলোকৰ চিকিৎসা-অভিজ্ঞতা, সমস্যাৰাজি আৰু প্ৰয়োজনীয়তাৰ বিষয়েও মন্ত্ৰীগৰাকীয়ে বুজ লয়। পৰিদৰ্শনৰ সময়ত দৃষ্টিগোচৰ হোৱা সমস্যাসমূহ শীঘ্ৰে সমাধানৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশ্বাস দিয়ে। মাজুলীৰ প্ৰতিগৰাকী নাগৰিকে যাতে নিজৰ জিলাতে উন্নত আৰু মানসম্পন্ন স্বাস্থ্যসেৱা লাভ কৰে, সেই লক্ষ্যৰে স্বাস্থ্য বিভাগে নিৰন্তৰ প্ৰয়াস অব্যাহত ৰাখিব বুলিও তেওঁ উল্লেখ কৰে। জিলা চিকিৎসালয় পৰিদৰ্শনৰ পিছতে মাজুলীৰ জিলা আয়ুক্ত কাৰ্যালয়ত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে। বৈঠক অন্তত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মাজুলীৰ স্বাস্থ্যখণ্ডৰ এক গুৰুত্বপূৰ্ণ সমস্যাৰ কথাও উল্লেখ কৰে মন্ত্ৰীগৰাকীয়ে। তেওঁ কয় যে মাজুলীলৈ চিকিৎসক আহে যদিও বহু সময়ত দুই-তিনি মাহতকৈ অধিক দিন নাথাকে। এই সমস্যা সমাধানৰ বাবে মাজুলীৰ বিধায়কক এখন তালিকা প্ৰস্তুত কৰিবলৈ কোৱা হৈছে, য'ত মাজুলীৰ পৰা ওলোৱা চিকিৎসকসকলক চিনাক্ত কৰি তেওঁলোকক মাজুলীতে দুই-তিনি বছৰ চিকিৎসা সেৱা আগবঢ়োৱাৰ সুযোগ দিয়াৰ বিষয়ত চিন্তা-চৰ্চা চলি আছে। ইয়াৰ পিছতহে তেওঁলোকক অন্য স্থানত নিযুক্তি দিয়াৰ ব্যৱস্থা কৰাৰ বিষয়তো আলাপ-আলোচনা চলি থকা বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। লগতে শীঘ্ৰেই মাজুলীৰ জিলা চিকিৎসালয়খনলৈ এগৰাকী চৰ্মৰোগ বিশেষজ্ঞ (Dermatologist) নিযুক্তি দিয়া হ'ব বুলিও ঘোষণা কৰে স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে। স্বাস্থ্যমন্ত্ৰীগৰাকীৰ সমগ্ৰ মাজুলী ভ্ৰমণসূচীত মাজুলীৰ বিধায়ক ভুৱন গাম, জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক উপস্থিত থাকে।

# কাংপকপিত সশস্ত্ৰ আক্ৰমণত

হৈছে যদিও আন এজন লোক এতিয়াও সন্ধানহীন হৈ আছে। সংঘটিত এই ঘটনাই অঞ্চলটোত তীব্ৰ আতংক আৰু ক্ষোভৰ সৃষ্টি কৰিছে। ঘটনাটো সংঘটিত হয় মাকুই আশাং আৰু থানাম্বা নগাৰ মাজৰ আই টি পথত পুৱা প্ৰায় আঠাই বাজি তিনি মিনিট সময়ত। প্ৰাথমিক তথ্য অনুসৰি, ভুক্তভোগীসকল বাহনেৰে উক্ত পথেৰে গৈ থকা অৱস্থাতে সশস্ত্ৰ লোকৰ এটা দলে তেওঁলোকক লক্ষ্য কৰি গুলীবৰ্ষণ আৰম্ভ কৰে। এই আক্ৰমণত ঘটনাস্থলীতে চাৰিজন লোকৰ মৃত্যু হয়। আহতজনক স্থানীয় লোকসকলে ততাতৈয়াকৈ উদ্ধাৰ কৰি চিকিৎসাৰ বাবে নিকটৱৰ্তী চিকিৎসালয়লৈ প্ৰেৰণ কৰে, আনহাতে আক্ৰমণৰ পিছৰে পৰা অন্য এজন লোক নিৰুদ্দেশ হৈ আছে। নিহতসকল হৈছে- তাডছংবৌ ৰিংকাংমাই, মাৰিয়াকদিবৌ উইজুনামাই, জাপৌ এম কে আৰু অনিল উইজুনামাই। তাডছংবৌ ৰিংকাংমাই টি খু-লেনস্থিত ‘ৰাইট পাথ’ নামৰ বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক তথা অধ্যক্ষ আছিল। মাৰিয়াকদিবৌ উইজুনামাই আৰু অনিল উইজুনামাই মাকুই যুৱ ক্লাবৰ কাৰ্যবাহী সদস্য হিচাপে কাম কৰিছিল, আৰু জাপৌ এম কে আছিল থংলাং আকুটপাৰ এগৰাকী সক্ৰিয় ছাত্ৰনেতা। আহতজনক গাইকামাং ৰিংকাংমাই বুলি চিনাক্ত কৰা হৈছে। অন্যহাতে, সন্ধানহীন হৈ থকা লোকগৰাকী হৈছে চাৰাংকিনিং গাঁও কৰ্তৃপক্ষৰ অধ্যক্ষ ৰিছোবৌ চাৰেনামাই। তেওঁৰ সন্ধানত নিৰাপত্তা বাহিনীয়ে তীব্ৰ অভিযান অব্যাহত ৰাখিছে। এই আক্ৰমণৰ কাৰণ সম্পৰ্কত ইতিমধ্যে নানা জল্পনা-কল্পনা আৰম্ভ হৈছে। স্থানীয় সূত্ৰৰ উদ্ধৃতি দি সংবাদমাধ্যমসমূহে প্ৰকাশ কৰা প্ৰাথমিক তথ্য অনুসৰি, আক্ৰমণটোৰ আঁৰত কুকি সশস্ত্ৰ গোটৰ সদস্যসকল জড়িত থকাৰ অভিযোগ উত্থাপিত হৈছে। কিছুমান প্ৰতিবেদনে কুকি নেচনেল ফ্ৰণ্টৰ বিভিন্ন শাখা আৰু কুকি বিপ্লৱী সেনাৰ নামো উল্লেখ কৰিছে। কিন্তু আক্ৰমণকাৰীৰ প্ৰকৃত পৰিচয়, এই হত্যাকাণ্ডৰ উদ্দেশ্য আৰু কোনটো সংগঠন প্ৰত্যক্ষভাৱে জড়িত-সেই সম্পৰ্কে আৰক্ষী বা জিলা প্ৰশাসনৰ তৰফৰ পৰা এতিয়ালৈকে কোনো নিশ্চিত আনুষ্ঠানিক বক্তব্য প্ৰকাশ পোৱা নাই। গতিকে এই অভিযোগসমূহক বৰ্তমান অস্থায়ী বুলি ধৰি লোৱা হৈছে, যেতিয়ালৈকে তদন্তে সঠিক বাস্তৱ পোহৰলৈ নানে। ইফালে, চাৰিজন নিৰীহ নগা নাগৰিকৰ এই হত্যাকাণ্ডে সমগ্ৰ অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ঘটনাটোৰ প্ৰতিবাদত সেনাপতি অঞ্চলৰ কেইবাটাও নগা সংগঠনে ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ ৰাখিবলৈ আহ্বান জনোৱা বুলি জানিব পৰা গৈছে। স্থানীয় ৰাইজৰ মাজত এক ভয় আৰু অবিশ্বাসৰ বতাবৰণেৰে ভৰি পৰিছে, কিয়নো দীঘলীয়া এই সংঘাতৰ মাজতো আই টি পথৰ দৰে মুখ্য পথত এই ধৰণৰ আক্ৰমণে যে সাধাৰণ নাগৰিক কোনো দিনেই নিৰাপদ নহয়, সেই কথাই পুনৰবাৰ প্ৰমাণিত কৰিলে। উল্লেখযোগ্য যে, ২০২৩ চনৰ মে' মাহৰ পৰা মণিপুৰত মেইতেই আৰু কুকি সম্প্ৰদায়ৰ মাজত চলি থকা জাতিগত সংঘাতৰ বাবে ৰাজ্যখন ইতিমধ্যে অস্থিৰ। তাৰ মাজতে এই আক্ৰমণে আইন-শৃংখলা পৰিস্থিতিৰ ওপৰত গুৰুতৰ প্ৰশ্নচিহ্ন তুলিছে। নিৰস্ত্ৰ নাগৰিকসকল, যিসকলৰ নিজৰ দৈনন্দিন কামত ব্যস্ত হৈ পথ পাৰ হৈছিল, তেওঁলোকক কেনেকৈ সশস্ত্ৰ গোটে নিশান বান্ধিলে-এই প্ৰশ্নই সকলোকে উদ্বিগ্ন কৰি তুলিছে। এই পটভূমিত, নিৰপেক্ষ আৰু দ্ৰুত তদন্তৰ দাবী জোৰদাৰ হৈ উঠিছে। নিহতসকলৰ পৰিয়াললৈ সমবেদনা জনাই বিভিন্ন মহলে আহতজনৰ চিকিৎসা আৰু সন্ধানহীনজনক শীঘ্ৰে উদ্ধাৰ কৰিবলৈ প্ৰশাসনৰ তৎপৰতা দাবী কৰিছে। ইতিমধ্যে নিৰাপত্তা বাহিনীয়ে অঞ্চলটোত সতৰ্কতা বৃদ্ধি কৰাৰ লগতে অপৰাধীসকলক বিচাৰি উলিয়াবলৈ বিশেষ অভিযান অব্যাহত ৰাখিছে। ঘটনাটোৰ সমাধান একান্তভাৱে কামনা কৰিছে সমগ্ৰ জনসাধাৰণে।

# এনএছএৰ অধীনত প্ৰণৱ দলেক আটক

গৃহ আৰু ৰাজনৈতিক বিভাগক আগন্তুক ১৪ ছেপ্টেম্বৰত আদালতত হাজিৰ হ'বলৈ নিৰ্দেশ প্ৰদান কৰে। শুনানিগ্ৰহণকালত আদালতে প্ৰাথমিকভাৱে কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় লক্ষ্য কৰে। প্ৰথমতে, প্ৰতিবাদকাৰীয়ে আৰক্ষী জোৱানক পোনপটীয়াকৈ আক্ৰমণ কৰা বুলি দাবী কৰা সত্ত্বেও এতিয়ালৈকে কোনো ভিডিঅ' প্ৰমাণ পোৱা নাই বুলি আদালতে উল্লেখ কৰে। ইয়াৰ লগতে প্ৰতিবাদকাৰীসকলে কড়িয়াই অনা বুলি অভিযোগ কৰা দা আৰু লাঠি তদন্তকাৰীয়ে উদ্ধাৰ কৰিব পৰা নাই বুলিও আদালতৰ পৰ্যবেক্ষণত উঠি আহে। আন এটা উল্লেখযোগ্য অভিযোগ আছিল যে প্ৰতিবাদকাৰীসকলে চিমেণ্ট মিক্সাৰত জুই লগাবলৈ চেষ্টা কৰিছিল। এই প্ৰসংগত আদালতে উপলব্ধ ভিডিঅ' ফুটেজ পৰীক্ষা কৰি কয় যে ফুটেজত এগৰাকী মহিলাই মেচিনটোত ডিজেল ঢালি দিয়া দেখা গ'লেও তেওঁ জুই জ্বলোৱাৰ চেষ্টা কৰা নাছিল। গতিকে এই অভিযোগ সন্দৰ্ভতো আদালত সন্তুষ্ট নহ'ল। ইয়াৰ উপৰি প্ৰতিবাদকাৰীসকলে মহিলা আৰক্ষী কৰ্মীৰ ওপৰত কৰা অভিযোগসমূহক আদালতে ‘সাধাৰণ’ বুলি আখ্যা দিয়ে। আদালতৰ মতে, এই অভিযোগসমূহ বিশেষভাৱে কোনো নিৰ্দিষ্ট দল বা চিনাকি ব্যক্তিৰ সৈতে জড়িত নাছিল, যাৰ বাবে ইয়াক গুৰুত্বসহকাৰে ল'বলৈ যথেষ্ট তথ্য উপলব্ধ নাই। দলেৰ পিতৃ লখি দলে আদালতত যুক্তি দাঙি ধৰে যে এন এছ এৰ দৰে কঠোৰ আইন প্ৰয়োগ কৰাৰ আগতে প্ৰাথমিকভাৱে সেই পৰিমাণৰ প্ৰমাণ নাই যিয়ে দলেক বিপদজনক বুলি প্ৰমাণিত কৰে। ইফালে, ৰাজ্য চৰকাৰৰ ফালৰ পৰা অভিযোগ কৰা হয় যে দলে আইন-শৃংখলা ভংগ কৰাত প্ৰত্যক্ষভাৱে জড়িত আছিল আৰু তেওঁক মুকলি কৰি দিলে পুনৰ অশান্তি সৃষ্টি হ'ব পাৰে। আদালতে দুয়োপক্ষৰ যুক্তি শুনি গৃহ বিভাগক পৰৱৰ্তী শুনানিত প্ৰয়োজনীয় নথি-পত্ৰ আৰু তদন্ত প্ৰতিবেদন আগবঢ়াবলৈ নিৰ্দেশ দিয়ে। আগন্তুক ১৪ ছেপ্টেম্বৰত এই মামলাৰ পুনৰ শুনানি অনুষ্ঠিত হ'ব। ইতিমধ্যে প্ৰণৱ দলে তেওঁৰ আটক ৰখাক অবৈধ আখ্যা দি উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছে, আৰু এই ৰায়ে আগন্তুক দিনবোৰত ৰাজ্যৰ ৰাজনৈতিক আৰু আইনী মহলত যথেষ্ট প্ৰভাৱ পেলাব বুলি ধাৰণা কৰা হৈছে।

# বিটিচিৰ উপাধ্যক্ষ বিজিৎ গৌৰা

মৃত্যুৰ কাৰণ সম্পৰ্কে কোনো আনুষ্ঠানিক বিবৃতি দিয়া হোৱা নাই। ঘটনাৰ দিনা (বুধবাৰ) সন্ধিয়া এই সংবাদ বিয়পি পৰাৰ লগে লগে তামুলপুৰ আৰক্ষীৰ এখন শীৰ্ষ বিষয়াৰ দল নাৰ্জাৰীৰ বাসগৃহত উপস্থিত হয়। আৰক্ষীয়ে পৰিস্থিতি পৰ্যবেক্ষণ কৰি কোঠাটোতে বাহিৰা লোকৰ প্ৰৱেশ নিষিদ্ধ কৰে। অৱশ্যে গুণমুগ্ধ, ৰাজনৈতিক কৰ্মী আৰু শুভাকাংক্ষীসকলে বাসগৃহত সমবেত হৈ শেষবাৰৰ বাবে নেতাগৰাকীক শ্ৰদ্ধা জনায়। সমগ্ৰ কুমাৰীকাটা আৰু বিটিচি অঞ্চলত এক গভীৰ শোকাবহ পৰিৱেশৰ সৃষ্টি হয়। শোকাকুল মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে সাংবাদিকক কয়, “আমাৰ মৰমৰ বিজিৎ গৌৰা নাৰ্জাৰী আজি আমাৰ মাজত নাই। আমি সকলোৱে কামত ব্যস্ত থাকোঁতে তেওঁ ৰাইজৰ মাজত আছিল, কিন্তু হঠাৎ তেওঁৰ মনত কি আহিল আমি বুজি নাপালো। ঘৰৰ মানুহে সন্দেহ কৰাৰ পিছত অৱস্থাটো জানিব পাৰি।” দৈমাৰীয়ে লগতে উল্লেখ কৰে, “মই তেওঁক সৰুৰে পৰা চিনি পাওঁ। প্ৰায় ৩৫-৪০ বছৰ আমি একেলগে ৰাজহুৱা জীৱন কটাইছো। কালিও টেলিফোনত বহুত কথা পাতিছিলো, কিন্তু তেনে কোনো অস্বাভাৱিক কথা তেওঁৰ মনত দেখা পোৱা নাছিল। কাইলৈ মন্ত্ৰী আহি উন্নয়নমূলক কাম কৰাৰ কথা আছিল; এতিয়া আৰু উপায় নাই, আমি হাৰি গ'লো।” বৃহস্পতিবাৰে মৰণোত্তৰ পৰীক্ষা সমাপ্ত কৰি নাৰ্জাৰীৰ নশ্বৰদেহ বিজেপিৰ দলীয় কাৰ্যালয়ত শেষ শ্ৰদ্ধাঞ্জলিৰ বাবে ৰখা হয়। তাৰ পিছত পাৰিবাৰিক সূত্ৰ অনুসৰি অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। মৃত্যুৰ সময়ত নাৰ্জাৰীয়ে পত্নী, এগৰাকী কন্যা, ভাই-ভনী আৰু অগণন আত্মীয়-শুভাকাংক্ষীক এৰি থৈ যায়। তেওঁৰ মৃত্যুত বিটিচিৰ মুৰব্বী হাগ্ৰামা মহিলাৰী, প্ৰাক্তন বিটিচি প্ৰধান প্ৰমোদ বড়ো, মন্ত্ৰী বিশ্বজিৎ দৈমাৰীকে ধৰি বিজেপি আৰু বিপিএফৰ কেইবাগৰাকীও শীৰ্ষ নেতাই গভীৰ শোক প্ৰকাশ কৰে। আৰক্ষীয়ে মামলা নথিভুক্ত কৰি ঘটনাৰ ছবি স্পষ্ট কৰিবলৈ তদন্ত আৰম্ভ কৰিছে।

# বশিষ্ঠত নিজৰ চাৰ্ভিচ পিষ্টলেৰে মৃৰত

দিল্লীত বাস কৰে। তেওঁলোকৰ অনুপস্থিতিৰ সময়খিনিতে এই ঘটনা সংঘটিত কৰে লোকজনে। ঘটনাৰ খবৰ পোৱাৰ লগে লগে বশিষ্ঠ আৰক্ষী ঘটনাস্থলীত উপস্থিত হয় আৰু পৰীক্ষিত বৈশ্যৰ মৃতদেহ উদ্ধাৰ কৰে। আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নিকটৱৰ্তী চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ইতিমধ্যে এই ঘটনাৰ প্ৰকৃত কাৰণ উদঘাটন কৰিবলৈ আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। প্ৰাথমিক অনুসন্ধানত পৰীক্ষিত বৈশ্যই নিজৰ অফিচিয়েল চাৰ্ভিচ পিষ্টল ব্যৱহাৰ কৰি আত্মহত্যা কৰা বুলি নিশ্চিত কৰা হৈছে। তেওঁৰ মৃত্যুৰ খবৰে আৰক্ষী মহলতে শোকৰ ঢৌ আনি দিয়ে। সহকৰ্মী আৰু অধীনস্থসকলৰ মাজত তেওঁ এজন সৰল আৰু দায়িত্বশীল বিষয়া হিচাপে পৰিচিত আছিল বুলি জনা যায়। বশিষ্ঠ আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা পিষ্টলখন জব্দ কৰি তদন্ত অব্যাহত ৰাখিছে। পৰীক্ষিত বৈশ্যৰ আকস্মিক আত্মহত্যাই অঞ্চলটোত শোক আৰু আতঙ্কৰ সৃষ্টি কৰিছে। পৰিয়ালৰ লোকসকলক এই দুৰ্বিষহ সময়ত সান্ত্বনা দিবলৈ আৰক্ষী প্ৰশাসন আগবাঢ়ি অহাৰ লগতে ঘটনাটোৰ স্বচ্ছ তদন্ত চলোৱাৰ আশ্বাস দিছে।

# দিছপুৰ থানা বিভাজন কৰি গঠন

কাহিলীপাৰা আৰক্ষী থানাত ওদালবাক্ৰা আৰু ভগদত্তপুৰ আৰক্ষী চকী দুখন অন্তৰ্ভুক্ত কৰা হৈছে। লগতে ফটাশিল আৰু গড়চুক থানাৰ অধীনৰ ধপলীয়া অঞ্চলৰ কিছু অংশো কাহিলীপাৰা থানালৈ স্থানান্তৰ কৰা হৈছে। নতুন থানাৰ ভৱন নিৰ্মাণ নোহোৱালৈকে ওদালবাক্ৰা আৰক্ষী চকীৰ পৰা এগৰাকী পৰিদৰ্শকৰ নেতৃত্বত থানাখনৰ কাম-কাজ চলোৱা হ'ব। এই সিদ্ধান্ত অসম আৰক্ষী আইন, ২০০৭-ৰ ১১ নং ধাৰা অনুসৰি লোৱা হৈছে। নতুন গঠিত কাহিলীপাৰা থানাৰ চাৰিসীমা নিৰ্ধাৰণ কৰা হৈছে। উত্তৰে পাহাৰতলী-মৃত্যুঞ্জয় মন্দিৰ, দক্ষিণে লখৰা ব্ৰীজ-লগুন ব্ৰীজ-কেৰাকুছি, পূবে কাহিলীপাৰা-জি এম চি এইচ ৰোড আৰু পশ্চিমে শৰৎ সিংহ ৰোড-কৃষ্ণনগৰ চাৰিআলি-ধপলীয়া ৰোডলৈকে এই থানাৰ এলেকা বিস্তৃত। দিছপুৰ থানাৰ বেছিভাগ অঞ্চলকে সামৰি এই নতুন থানা গঠন কৰা হৈছে, লগতে ধপলীয়া আৰু মৰাভৰলু অঞ্চলো নতুন কাহিলীপাৰা থানাৰ অধীনলৈ অনা হৈছে। ইফালে, কাহিলীপাৰা থানা গঠনৰ লগে লগে পূব গুৱাহাটী আৰক্ষী জিলাৰ কেইবাখনো থানাৰ সীমাও পুনৰ নিৰ্ধাৰণ কৰিছে গৃহ বিভাগে। দিছপুৰ থানাৰ এলেকাত কেইবাটাও নতুন অঞ্চল সংযোজন কৰা হৈছে। সাতগাঁও থানাৰ অন্তৰ্গত বতাহঘুলি, বাঘৰবড়ী আৰু আমচিং ৰিজাৰ্ভৰ এলেকা এতিয়া দিছপুৰ থানাৰ অধীনলৈ অনা হৈছে। আনহাতে হেঙেৰাবাৰী, বৰবাৰী আৰু পাঞ্জাবাৰী অঞ্চলসমূহ গীতানগৰ আৰক্ষী থানাৰ অন্তৰ্ভুক্ত কৰা হৈছে। চচলকে ধৰি একাধিক অঞ্চলো গীতানগৰ থানালৈ স্থানান্তৰ কৰা হৈছে। উল্লেখ্য যে, গুৱাহাটী মহানগৰীত অতিৰিক্ত এখন আৰক্ষী থানা স্থাপনৰ জৰিয়তে পুলিচ প্ৰশাসনে নাগৰিকসকলক অধিক সতৰ্ক আৰু দ্ৰুত সেৱা প্ৰদান কৰাৰ লগতে গুৱাহাটীৰ আইন-শৃংখলা পৰিস্থিতি সুদৃঢ় কৰাৰ লক্ষ্য লৈছে। নতুন কাহিলীপাৰা থানাই এই অঞ্চলবোৰত থকা জনসাধাৰণৰ বাবে আৰক্ষী সেৱা সহজলভ্য কৰি তোলাৰ লগতে অঞ্চলটোৰ নিৰাপত্তা ব্যৱস্থাক অধিক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে।

# কানপুৰত প্ৰশিক্ষণ বিমান দুৰ্ঘটনা

কানপুৰ আৰক্ষী আয়ুক্ত ৰঘুবীৰ লালে প্ৰশিক্ষাৰ্থী দুই পাইলটৰ মৃত্যুৰ কথা নিশ্চিত কৰে। ঘটনাৰ খবৰ পোৱাৰ লগে লগে আৰক্ষী আৰু তদন্তকাৰী বিষয়াসকলে ঘটনাস্থলীত উপস্থিত হৈ দুৰ্ঘটনাৰ কাৰণ সন্দৰ্ভত অনুসন্ধান আৰম্ভ কৰে। এগৰাকী প্ৰত্যক্ষদৰ্শীৰ মতে, বিমানখনে হঠাৎ তীব্ৰ বেগেৰে পথাৰত বাগৰি পৰে আৰু এই দুৰ্ঘটনা সংগঠিত হয়। ঘটনাৰ পাছতে অঞ্চলটোত তীব্ৰ হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয় আৰু বৃহৎ সংখ্যক গাঁওবাসী ঘটনাস্থলীত সমবেত হয়। আকস্মিক এই দুৰ্ঘটনাই সমগ্ৰ গাঁওখনত আতংকৰ বাতাৱৰণৰ সৃষ্টি কৰে। আৰক্ষীয়ে প্ৰাথমিক তদন্ত অব্যাহত ৰাখিছে যদিও দুৰ্ঘটনাৰ সঠিক কাৰণ এতিয়াও স্পষ্ট হোৱা নাই। সম্ভাব্য যান্ত্ৰিক ত্ৰুটি বা পাইলটৰ ভুল-এই দুই দিশৰ পৰাই অনুসন্ধান চলি আছে বুলি বিষয়াসকলে জানিবলৈ দিছে। মৃত পাইলটসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে উদ্ধাৰ আৰু সকাহ কাৰ্য্যও দ্ৰুতগতিত সম্পন্ন কৰা হৈছে।

# বানপীড়িত ছাত্ৰ-ছাত্ৰীৰ বাবে

ওপৰত দুৰ্ভোগ নমাই আনাৰ লগতে ছাত্ৰ-ছাত্ৰী তথা তেওঁলোকৰ অভিভাৱকসকলৰ ওপৰত অসহনীয় আৰ্থিক বোজা জাপি দিছে। বহু শিক্ষাৰ্থীয়ে বানৰ পানীত কিতাপ, প্ৰমাণপত্ৰ, অধ্যয়নৰ সামগ্ৰী আৰু ঘৰুৱা অত্যাৱশ্যকীয় বস্তু হেৰুৱাই পেলাইছে, যাৰ ফলত শিক্ষা অব্যাহত ৰখাটো তেওঁলোকৰ বাবে অত্যন্ত কঠিন হৈ পৰিছে। শইকীয়াই কয় যে ৰাজ্য চৰকাৰে ইতিমধ্যে কিছু সাহায্যমূলক পদক্ষেপ গ্ৰহণ কৰিছে যদিও সেইবোৰ বানপীড়িত ছাত্ৰ-ছাত্ৰীৰ বাবে পৰ্যাপ্ত নহয়। তেওঁ অনুৰোধ জনায় যে ৰাজ্যপালে ৰাজ্য চৰকাৰক নিৰ্দেশ দি সকলো বিশ্ববিদ্যালয়, মহাবিদ্যালয় আৰু বিদ্যালয়লৈ প্ৰয়োজনীয় নিৰ্দেশনা প্ৰেৰণ কৰিবলৈ কোৱা হওক, যাতে এই তিনিওখন জিলাৰ বানপীড়িত গাঁৱৰ যোগ্য ছাত্ৰ-ছাত্ৰীসকলৰ নামভৰ্তি সম্পূৰ্ণৰূপে বিনামূলীয়া কৰা হয়। শইকীয়াই লগতে অনুৰোধ জনায় যে ছাত্ৰ-ছাত্ৰীসকলৰ ছেমিষ্টাৰ মাচুল, নামভৰ্তি মাচুল, পৰীক্ষাৰ মাচুল, পৰীক্ষাগাৰৰ মাচুল, গ্ৰন্থাগাৰৰ মাচুলকে ধৰি আন আন সকলো প্ৰকাৰৰ শিক্ষামূলক মাচুল আৰু বাধ্যতামূলক মাচুলসমূহ সম্পূৰ্ণ ৰেহাই দিয়াৰ ব্যৱস্থা কৰা হওক। এই ৰেহাই সুবিধা যাতে ৰাজ্যখনৰ সকলো শিক্ষানুষ্ঠানৰ ক্ষেত্ৰত সমানে প্ৰযোজ্য হয় আৰু কোনো ধৰণৰ পলম বা বৈষম্য নঘটে, তাৰ বাবেও তেওঁ ৰাজ্যপালৰ হস্তক্ষেপ কামনা কৰিছে। উল্লেখযোগ্য যে যোৱা মাহত উজনি অসমৰ এই জিলাকেইখনত সংঘটিত ভয়ংকৰ বানপানীত এতিয়ালৈকে ১০৫জন লোকৰ মৃত্যু হৈছে। বানপানীয়ে শিক্ষা প্ৰতিষ্ঠান, ঘৰ-সংসাৰ, কৃষিভূমি আৰু আন্তঃগাঁথনিৰ যথেষ্ট ক্ষতিসাধন কৰাৰ লগতে অঞ্চলটোৰ আৰ্থ-সামাজিক জীৱনক বিপৰ্যস্ত কৰি তুলিছে। এনে পৰিস্থিতিত ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা প্ৰণালীৰ সৈতে সংযুক্ত ৰাখিবলৈ চৰকাৰী সুৰক্ষা অত্যন্ত প্ৰয়োজনীয় বুলি শইকীয়াই মত প্ৰকাশ কৰে।

# বীৰ লাচিত সেনাৰ নেতা মানসজ্যোতি

ৰহমান আৰু আনোৱাৰা বেগমকো আটক কৰে আৰক্ষীয়ে। এতিয়ালৈকে আটক হোৱা পাঁচজন অভিযুক্তই তদন্তকাৰী দলক গুৰুত্বপূৰ্ণ তথ্য যোগান ধৰিব পাৰে বুলি আশা কৰিছে সূত্ৰই। অভিযোগ অনুসৰি, বীৰ লাচিত সেনাৰ শিৱসাগৰ জিলা সমিতিয়ে দাখিল কৰা এজাহাৰত মুঠ দহজন লোকৰ নাম অন্তৰ্ভুক্ত কৰা হৈছিল। তেওঁলোক হৈছে- আবিদুৰ ৰহমান, ছেলিমুৰ ৰহমান, হাবিবুৰ ৰহমান, ছুজাবুল ৰহমান, সুভাযিন ইছলাম, মুৰজিদা বেগম, ছেলিমা বেগম, মজমিনকা বেগম, আনোৱাৰা বেগম আৰু ছুবেৰা বেগম। এই দহজনৰ ভিতৰত পাঁচজনক আটক কৰা হৈছে যদিও বাকী পাঁচজনৰ সন্ধানত আৰক্ষীৰ অভিযান অব্যাহত আছে। ইফালে, SIT-এ ঘটনাৰ বিভিন্ন দিশ পৰীক্ষা কৰি থাকিলেও এই মৃত্যু আত্মহত্যা নে অন্য কাৰণত সংঘটিত-সেয়া এতিয়াও স্পষ্ট হোৱা নাই। আৰক্ষী সূত্ৰে জানিবলৈ দিছে যে চেতিয়াৰ মৃত্যুৰ আঁৰত কোনো প্ৰকৃত ঘটনা থকা নেকি, সেই সন্দৰ্ভত পৰ্যাপ্ত প্ৰমাণ সংগ্ৰহ কৰি বৈজ্ঞানিক পদ্ধতিৰে তদন্ত আগুৱাই নিয়া হৈছে। বিষুবৰৰ ঘটনাস্থলীৰ পৰা সংগ্ৰহ কৰা নমুনা আৰু চিকিৎসালয়ৰ মৰণোত্তৰ পৰীক্ষা প্ৰতিবেদনো তদন্তৰ মূল স্তম্ভ হিচাপে ব্যৱহাৰ কৰা হৈছে। মানসজ্যোতি চেতিয়াৰ মৃত্যুৰ পাছতে বীৰ লাচিত সেনাই শোক প্ৰকাশ কৰাৰ লগতে শিৱসাগৰকে ধৰি কেইবাখনো জিলাত প্ৰতিবাদী সভা অনুষ্ঠিত কৰে। সংগঠনটোৱে দাবী জনাইছে যে যাতে ই সম্পূৰ্ণ স্বচ্ছ তদন্ত হয় আৰু ভুক্তভোগী পৰিয়ালটোৱে ন্যায় পায়। অসম চৰকাৰ আৰু আৰক্ষী প্ৰশাসনে ঘটনাটো গুৰুত্ব সহকাৰে লৈছে বুলি মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ তৰফৰ পৰা ইতিমধ্যে আশ্বাস দিয়া হৈছে। সামগ্ৰিকভাৱে এই ঘটনাই অসমৰ ৰাজনৈতিক পটভূমিত নতুন বিতৰ্কৰ সূচনা কৰিছে যদিও আটক কেইগৰাকী অভিযুক্তক শিৱসাগৰৰ ন্যায়ালয়ত হাজিৰ কৰোৱাৰ লগতে তদন্ত দ্ৰুতগতিত আগুৱাই নিবলৈ আৰক্ষী প্ৰতিশ্ৰুতিবদ্ধ বুলি বিষয়াসকলে জানিবলৈ দিছে। উল্লেখ্য, ঘটনাটোৰ সম্পূৰ্ণ ছবি ওলাবলৈ আৰু কেইবাদিনো সময় লাগিব বুলি গৱেষক সূত্ৰই ইংগিত দিছে।

# কংগ্ৰেছ ‘মহিলা বিৰোধী দল’

ড° শৰ্মাই দাবী কৰে যে কংগ্ৰেছ চৰকাৰৰ সুদীৰ্ঘ শাসনকালত মহিলাসকলে পুৰুষৰ তুলনাত সমান আইনী অধিকাৰ লাভ কৰাৰ পৰা বঞ্চিত হৈ আহিছে। এই প্ৰসংগত তেওঁ কংগ্ৰেছে অতীতত শাহ বানো গোচৰৰ ঐতিহাসিক ৰায় সলনি কৰি আৰু তিনিতালাক আইনৰ বিৰোধিতা কৰি মুছলমান মহিলাসকলৰ সৈতে বিশ্বাসঘাটকতা কৰা বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে সমগ্ৰ দেশৰ মহিলা সমাজক একত্ৰিত হৈ কংগ্ৰেছ দলক সম্পূৰ্ণৰূপে বৰ্জন কৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে, ২০২৬ বৰ্ষৰ মে' মাহতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন অসম বিধানসভাই ‘ইউ চি চি বিল, ২০২৬’ গৃহীত কৰিছে। উত্তৰাখণ্ড আৰু গুজৰাটৰ পাছত অসম হৈছে সম দেৱানী বিধি প্ৰণয়ন কৰা দেশৰ তৃতীয়খন ৰাজ্য। মুখ্যমন্ত্ৰী শৰ্মাৰ মতে এই আইনখনে বিশেষকৈ সংখ্যালঘু আৰু নিপীড়িত মহিলাসকলক বহুবিবাহ আৰু বাল্যবিবাহৰ দৰে সামাজিক কুপ্ৰথাৰ পৰা সুৰক্ষা প্ৰদান কৰিব। আনহাতে, কংগ্ৰেছকে ধৰি বিৰোধী দলসমূহে এই পদক্ষেপক নিৰ্বাচনী লাভালাভ আৰু মেৰুকৰণৰ ৰাজনীতি হিচাপে আখ্যা দিছে। অল ইণ্ডিয়া মহিলা কংগ্ৰেছে মুখ্যমন্ত্ৰী শৰ্মাৰ মন্তব্যক ‘অপমানজনক’ আৰু ‘ৰাজনৈতিক স্বাৰ্থপ্ৰণোদিত’ বুলি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছে। ইয়াৰ উপৰি মুখ্যমন্ত্ৰী শৰ্মাই কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰসঙ্গত কংগ্ৰেছক কটাক্ষ কৰে। তেওঁ দাবী কৰে যে কংগ্ৰেছৰ শাসনকালত কাজিৰঙাৰ ব্যাপক ক্ষতি হৈছিল, আনহাতে বৰ্তমানৰ বিজেপি চৰকাৰে ইয়াক সুৰক্ষিত কৰি ৰাখিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে স্পষ্টভাৱে কয়, “কংগ্ৰেছে কাজিৰঙাক ধ্বংস কৰিছিল, বিজেপিয়ে ৰক্ষা কৰিছে।” তেওঁ কংগ্ৰেছক এই দুৰৱস্থাৰ বাবে ৰাজহুৱাভাৱে ক্ষমা খুজিবলৈও আহ্বান জনায়। বিৰোধী দলপতি গৌৰৱ গগৈৰ পিতৃ তথা প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈক লক্ষ্য কৰি ড° শৰ্মাই কয় যে যদি তৰুণ গগৈ আৰু পাঁচ বছৰ অসমৰ মুখ্যমন্ত্ৰী হৈ থাকিলহেঁতেন, তেন্তে কাজিৰঙাত এটাও গঁড় বাচি নাথাকিলহেঁতেন। তেওঁ বিজেপি চৰকাৰৰ কঠোৰ পদক্ষেপৰ বাবেই আজি কাজিৰঙাত গঁড় হত্যা কৰিবলৈ চোৰাং চিকাৰীয়ে সাহস নকৰা বুলি দাবী কৰে। এই মন্তব্যই কংগ্ৰেছ আৰু বিজেপিৰ মাজৰ ৰাজনৈতিক দ্বন্দ্ব তীব্ৰ কৰি তুলিছে।

# নেপালৰ বানপানীত আবদ্ধ অসমীয়াৰ

(৯১০৮০৯১৫৯ৰ নম্বৰত যোগাযোগ কৰিব পাৰি। একেদৰে হাউছ মেনেজাৰ বিনোদ কলিতাৰ সৈতে ৮৯২০৫৭০৫০৭ নম্বৰতো অসমীয়া লোকসকলে সংযোগ স্থাপন কৰিব পাৰিব। ইয়াৰ উপৰিও জৰুৰী সহায়ৰ বাবে অসম ভৱনে নিজা স্থায়ী টেলিফোন নম্বৰ ০১১-২৩০১০২৯৯, ০১১-২৩০১০২৯৮ আৰু ২৬৮৭১১১ মুকলি ৰখাৰো ব্যৱস্থা কৰিছে। এই নম্বৰসমূহৰ জৰিয়তে আবদ্ধ অসমীয়া নাগৰিকসকলে তৎক্ষণাৎ সহায়, উদ্ধাৰ সমন্বয় আৰু প্ৰয়োজনীয় পৰামৰ্শ লাভ কৰিবলৈ সক্ষম হ'ব। আবাসিক আয়ুক্তৰ কাৰ্যালয়ে প্ৰকাশ কৰা জাননীত অসম চৰকাৰৰ তৰফৰ পৰা আশ্বাস দিয়া হৈছে যে যিকোনো জৰুৰী পৰিস্থিতিত অসমীয়া লোকসকলৰ সুৰক্ষা আৰু পৰিচৰ্যা নিশ্চিত কৰিবলৈ সদায় সজাগ থকা হয়। অসম ভৱনে নেপালত আৱদ্ধ লোকসকলৰ পৰিয়ালবোৰকো সান্ত্বনা দিছে যে অসম চৰকাৰে সকলো অসমীয়া যাতে নিৰাপদে উভতি আহিব পাৰে, তাৰ বাবে প্ৰয়োজনীয় আটাইবোৰ পদক্ষেপ গ্ৰহণ কৰিব। এই জৰুৰী ব্যৱস্থাসমূহে সংকটময় মুহূৰ্তত অসম চৰকাৰৰ নিজৰ ৰাইজৰ প্ৰতি থকা দায়বদ্ধতা আৰু সংহতিকে পুনৰুত্তীৰ্ণ কৰিছে।

# ডিব্ৰুগড়ত ভাৰতীয় ৰেডক্ৰছ চ'ছাইটিৰ ৭ম বাৰ্ষিক সাধাৰণ সভা সম্পন্ন

## অতিৰিক্ত উপায়ুক্ত প্ৰাঞ্জল বৰুৱাৰ সভা পৰিচালনা




**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৮ আগষ্ট ঃ** ভাৰতীয় ৰেডক্ৰছ চ'ছাইটি, ডিব্ৰুগড় জিলা শাখাৰ ৭ম্ বাৰ্ষিক সাধাৰণ সভাখন আজি ডিব্ৰুগড় জিলাৰ আয়ুক্তৰ সভাকক্ষত অনুষ্ঠিত হয়। সভাত অধ্যক্ষ বিক্ৰম কৈৰী অনুপস্থিত থকাৰ পৰিপ্ৰেক্ষিতত ৰেডক্ৰছ চ'ছাইটিৰ উপাধ্যক্ষ তথা অতিৰিক্ত আয়ুক্ত প্ৰাঞ্জল বৰুৱাই সভাখন পৰিচালনা কৰে। সভাৰ আৰম্ভণিতে ভাৰতীয় ৰেডক্ৰছ চ'ছাইটি, ডিব্ৰুগড় জিলা শাখাৰ সভাপতি ড° পঙ্কজ কুমাৰ শ্ৰুতিকৰে উপস্থিত সকলোকে আদৰণি জনায়। যোৱা ১৯ জুলাইৰ পৰা আৰম্ভ হোৱা বানপানীৰ ফলত ক্ষতিগ্ৰস্ত অঞ্চলসমূহৰ বানপীড়িত ৰাইজৰ সহায়ৰ বাবে যিসকলে ত্যাগ আৰু সেৱাৰ মনোভাৱেৰে আগবাঢ়ি আহি অতি কম সময়ৰ ভিতৰতে অৰ্থ সাহায্য আগবঢ়ালে তেওঁলোকৰ সকলোকে ৰেডক্ৰছ ছ'চাইটিৰ তৰফৰ পৰা কৃতজ্ঞতা জনায়। এই সংগৃহীত ধন অতি তৎপৰতাৰে যোৱা ২৩ জুলাইত চৰাইদেউ জিলালৈ প্ৰেৰণ কৰা হয়। ইয়াৰ উপৰিও ৰেডক্ৰছ চ'ছাইটিৰ এগৰাকী উদীয়মান সদস্যা মিতালী বৰুৱাৰ একনিষ্ঠ প্ৰচেষ্টাত বিভিন্ন ৰাজ্যৰ পৰা আৰু বিদেশৰ পৰাও এক বুজন সংখ্যক ধন সংগ্ৰহ কৰি ৰেডক্ৰছ চ'ছাইটিক অৰ্পণ কৰাৰ বাবে তেওঁৰ এই মানৱীয় দৃষ্টিভংগীৰ বাবে ছচাইটিৰ ফালৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰে। সভাৰ আৰম্ভণিতে যোৱা বিধ্বস্ত বানত নিজৰ প্ৰাণ হেৰুওৱা দুৰ্ভগীয়া লোকসকলৰ প্ৰতি সন্মান জনাই সকলোৱে এক মিনিট সময় মৌন প্ৰাৰ্থনা জনায়। জিলাৰ উপাধ্যক্ষ তথা অতিৰিক্ত আয়ুক্ত প্ৰাঞ্জল বৰুৱাই সভাখন আনুষ্ঠানিকভাৱে পৰিচালনা কৰে। সভাত যোৱা বৰ্ষৰ ৬ষ্ঠ বাৰ্ষিক সাধাৰণ সভাৰ প্ৰতিবেদন পাঠ কৰে সহ-সম্পাদিকা ড° গায়ত্ৰী দেৱী গোস্বামীয়ে। সভাত প্ৰতিবেদনখন সৰ্বসন্মতিক্ৰমে গৃহীত হয়। ইয়াৰ পাছত সম্পাদক অনুজ কুমাৰ বৰুৱাই বিগত বৰ্ষত ডিব্ৰুগড় জিলা ৰেডক্ৰছ চ'ছাইটিৰ উদ্যোগত সম্পন্ন হোৱা বিভিন্ন সেৱামূলক আৰু জনকল্যাণমূলক কাৰ্যসূচীৰ বিস্তৃত বিৱৰণ দাঙি ধৰে। লগতে আগন্তুক দিনত গ্ৰহণ কৰিবলৈ লোৱা বিভিন্ন কাৰ্যসূচী আৰু পৰিকল্পনাৰ বিষয়েও সভাক অৱগত কৰে। কোষাধ্যক্ষ ৰাজকুমাৰ আগৰৱালাই বিগত বৰ্ষৰ হিচাপ-নিকাচ নিৰীক্ষকৰ দ্বাৰা পৰীক্ষা কৰোৱাই সভাত দাখিল কৰে। সভাই হিচাপ-নিকাচ পৰ্যালোচনা কৰি অনুমোদন জনায়। ইয়াৰ পিছত উপ-সমিতিৰ বিত্ত বিভাগৰ চেয়াৰপাৰ্চন ড° ৰুনুমা শৰ্মাই আগন্তুক বৰ্ষৰ বাবে প্ৰস্তাৱিত বাজেট সভাত দাখিল কৰে। সভাৰ অন্যতম উল্লেখযোগ্য কাৰ্যসূচী হিচাপে চ'ছাইটিৰ ডিব্ৰুগড় জিলা শাখাৰ বিশেষ ই-মেগাজিন "সেৱক" "দ্বিতীয় বছৰৰ দ্বিতীয় প্ৰকাশ" উন্মোচন কৰে ৰেডক্ৰছ চ'ছাইটিৰ উপাধ্যক্ষ প্ৰাঞ্জল বৰুৱাই। তেওঁ সম্পাদনা সমিতিৰ সদস্যসকলক অভিনন্দন আৰু ধৃতিমান বৰুৱা ধন্যবাদ জ্ঞাপন কৰে। সভাত উপস্থিত কেইবাগৰাকীও বিশিষ্ট সদস্য ক্ৰমে ড° কন্দৰ্প কুমাৰ ডেকা, জ্যোতিপ্ৰসাদ কানৈ, ড° কৰবী ডেকা হাজৰিকা, ড°ভাৰতী দত্ত, তৰুণ কুমাৰ গগৈ আৰু ড° চুলতানা হাজৰিকাই বিভিন্ন দিশত তেওঁলোকৰ দিহা পৰামৰ্শ আগবঢ়ায়। সভাপতিৰ মন্তব্যত উপাধ্যক্ষ প্ৰাঞ্জল বৰুৱাই ৰেডক্ৰছৰ সকলো কাৰ্য্যৱলীত সক্ৰিয় সহায়, সহযোগিতা আগবঢ়াব বুলি সভাত প্ৰতিশ্ৰুতি প্ৰদান কৰে। ড° ৰুনুমা শৰ্মাই শলাগৰ শৰাই আগবঢ়ায়।



# নাহৰকটীয়াৰ ব্যৱসায়ী দীপক গুপ্তাক চোকা অস্ত্ৰৰে উপৰ্যুপৰি আক্ৰমণ

## ❒ প্ৰতিবাদৰ নামত উদ্ভণ্ডালি দুস্কৃতিকাৰীৰ ❒

## প্ৰতিবাদকাৰীৰ শিলগুটি নিক্ষেপত আহত নাহৰকটীয়া আৰক্ষী

**অসম বাৰ্তা, নাহৰকটীয়া, ২৮ আগষ্ট ঃ** কালি নিশা চহৰৰ মাজ-মজিয়াতে সংঘটিত এক হিংসাত্মক ঘটনাই জোকাৰি জাই নাহৰকটীয়াক। উল্লেখ্য যে দীপক গুপ্তা নামৰ এগৰাকী ব্যৱসায়িক নিশা দাৰে আক্ৰমণ কৰি হত্যাৰ চেষ্টা চলাইছিল নাহৰকটীয়া চহৰৰ ৰেল গেটৰ সমীপৱৰ্তী ভূএগ্ৰা পট্টিৰ ছফিউল হুছেইন ভূএগ্ৰা নামৰ এজন যুৱকে। জানিব পৰা অনুসৰি ব্যৱসায়ী দীপক গুপ্তাৰ খড়াক মুন্না গুপ্তাই ঘৰলৈ গৈ থকা অৱস্থাত সন্মুখৰ পৰা বলেৰ বাহনেৰে আহি থকা ছফিউল হুছেইন ভূএগ্ৰাক লাইটৰ ডিপাৰ কিয় দিয়া নাই বুলি কোৱাত ছফিউলে গাড়ী ৰখাই মুন্না গুপ্তাক গুৰুলা গুৰুলকৈ প্ৰহাৰ কৰে, তাৰ পিছতে মুন্নাই ভতিজাক তথা ব্যৱসায়ী দীপক গুপ্তাক সকলো কথা অৱগত কৰাত ব্যৱসায়ী দীপকে ভূএগ্ৰা পট্টীৰ সন্মুখত উপস্থিত হৈ খুড়াকক কিয় মাৰিলে বুলি সোধাত ছফিউলে দীপক গুপ্তাকো দাৰে উপৰ্যুপৰি আক্ৰমণ কৰি হত্যাৰ অপচেষ্টা চলাই। ফলত গুৰুতৰ ভাবে আহত হয় দীপক গুপ্তা। মূৰৰ তিনিটাকৈ স্থান আৰু পেটত গুৰুতৰভাৱে আঘাত পোৱা দীপক গুপ্তা সংকটজনক অৱস্থাত আই চি ইউত চিকিৎসাধীন হৈ আছে। আনহাতে ব্যৱসায়ী দীপক গুপ্তাৰ আক্ৰমণকাৰী ছফিউল হুছেইন ভূএগ্ৰা নামৰ দুৰ্বিত্তটোৱে ঘটনা সংঘটিত কৰি পলায়ন কৰে ঘৰৰ পৰা। লক্ষণীয় যে পূৰ্বতে গৰু চুৰি আৰু অবৈধভাৱে গো মাংসৰ ৰমৰমীয়া ব্যৱসায় চলোৱাৰ অভিযোগত অভিযুক্ত হৈ কেইবাবাৰো জেললৈ যোৱা ছফিউল হুছেইন ভূএগ্ৰাই এই ঘটনা সংঘটিত কৰাৰ পাছতেই ভূএগ্ৰা পট্টীৰ অভিযুক্তৰ বাসগৃহত নিশাই শ শ লোক উপস্থিত হৈ বাসগৃহ ঘেৰাও কৰি পৰিস্থিতি উত্তপ্ত কৰি তোলে। ইয়াৰোপৰি বুধবাৰে নিশা ঘণ্টা ঘণ্টা ধৰি বাসগৃহ ঘেৰাও কৰাৰ লগতে আজি পুৱাৰে পৰা ৰেল গেটৰ সমীপত ৰাইজৰ ভিৰ ক্ৰমাৎ বাঢ়িবলৈ ধৰে তথা বিভিন্ন দল সংগঠনে উলাই আহি দিনৰ এক বজালৈকে ছফিউল হুছেইন ভূএগ্ৰাক আৰক্ষীয়ে গ্ৰেপ্তাৰ নকৰাক লৈ ক্ষোভিত হৈ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে আৰক্ষীৰ সন্মুখতে দোকান ভাঙি লণ্ডভণ্ড কৰে একাংশই। অৱশেষত প্ৰতিবাদৰ নামত উদ্ভণ্ডালিত লিপ্ত দুস্কৃতিকাৰীক আংশিকভাৱে লাঠি চালনা কৰি ছত্ৰভঙ্গ দিয়াই পৰিস্থিতি নিয়ন্ত্ৰণত আনিবলৈ আৰক্ষী সক্ষম হৈ যদিও প্ৰতিবাদকাৰীয়ে আৰক্ষীলৈ শিলগুটি নিক্ষেপ কৰাত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মনোৰঞ্জন ৰাজখোৱা, সহকাৰী উপ পৰিদৰ্শক বিন্দু বাউৰী, উপ পৰিদৰ্শক নিতুল বৰুৱাকে ধৰি কেইবাগৰাকীও আৰক্ষী আঘাতপ্ৰাপ্ত হয়। ইফালে, চহৰৰ মাজ মজিয়াতে সংঘটিত এই ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত চাঞ্চল্যই বিৰাজ কৰাৰ লগতে আজিৰ দিনটোত বিষয়টোৱে সৰৱ চৰ্চা লাভ কৰা পৰিলক্ষিত হয়। কোৱা বাহুল্য যে ব্যৱসায়ী দীপক গুপ্তা তথা দদায়েক মুন্না এই দুই ব্যৱসায়ীৰ বিৰুদ্ধেও স্ক্ৰেপৰ ব্যৱসায়ৰ নামত ৰেলৰে সামগ্ৰী, অইল ইণ্ডিয়া লিমিটেডৰ সামগ্ৰী, পুৰণি টাৱাৰ আদি চুৰি কৰাৰ অভিযোগ সচৰাচৰ উত্থাপিত হৈ থাকে তথা অবৈধ ব্যৱসায়ত লিপ্ত থকাৰ অভিযোগ উত্থাপিত হৈ অহা এইকেইটা ব্যৱসায়ীয়ে পূৰ্বতে ৰঙা ঘৰলৈকো যাবলগীয়া হৈছে। এনে প্ৰেক্ষাপটত দীপক গুপ্তাৰ পৰিয়ালে উল্লেখ কৰা ধৰণেৰে কেৱল লাইটৰ ডিপাৰ দিয়া নিদিয়াৰ দৰে তেনেই সৰু এটা বিষয়ক কেন্দ্ৰ কৰিয়ে যে ইমান এক ভয়াবহ পৰিস্থিতিৰ সূত্ৰপাত হ'ল তাক লৈও প্ৰশ্নৰ অৱতাৰণা হৈছে ৰাইজৰ মাজত। স্থানীয় সচেতন মহলে আৰক্ষীক উচিত তদন্তৰ জৰিয়তে এনে হিংসাত্মক ঘটনা সংঘটিত হবলৈ পোৱাৰ প্ৰকৃত কাৰণ উদ্ঘাটন কৰি পুনৰাই যাতে এনে কাণ্ড নাহৰকটীয়া নঘটে তাৰ বাবে কঠোৰ ব্যৱস্থাৰে দৃষ্টান্তমূলক শাস্তিৰ বিধান কৰিবলৈ দবী কৰাৰ সমান্তৰালকৈ সঘনাই অপৰাধত লিপ্ত থকা ৰফিউল হুচেইন ভূএগ্ৰাৰ পুত্ৰ ছফিউলৰ লগতে পৰিয়ালটোক নাহৰকটীয়াৰ পৰা উচ্ছেদ কৰিবলৈ স্থানীয় বিধায়কক ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। নাহৰকটীয়া আৰক্ষীয়ে অভিযুক্তৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ ১১৮(২)/১০৯(১)/৩১০ ধাৰাৰ অধীনত ৫৭/২০২৬ নম্বৰৰ গোচৰ ৰুজু কৰি পলাতক ছফিউলক বিচাৰি অভিযান আৰম্ভ কৰিছিল আৰু আজি আবেলি ডিব্ৰুগড়ত আত্মগোপন কৰি থকা অৱস্থাত ডিব্ৰুগড় আৰক্ষীৰ সহযোগত গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে বুলি আৰক্ষীয়ে সদৰি কৰিছে যদিও বাতৰি লিখা পৰলৈকে নাহৰকটীয়া থানালৈ অনা হোৱা নাই অভিযুক্তক। সম্প্ৰতি এই ঘটনাক এটা ফৈদে হিন্দু মুছলমানৰ ৰূপ দি নাহৰকটীয়াত এক সাম্প্ৰদায়িক তথা হিংসাত্মক পৰিবেশৰ সূচনা কৰিবলৈ অপ্ৰাণ চেষ্টা চলাই গৈছে। আৰক্ষীয়ে আইন পৰিস্থিতি নিয়ন্ত্ৰণৰ সমান্তৰালকৈ সমাজৰ এই বিভেদকামী শক্তি সমূহৰ ওপৰত চোকা দৃষ্টি ৰখাৰো এইসময়ত প্ৰয়োজনীয়তা আছে।

# ডিব্ৰুগড়ৰ গৰাখহনীয়া ৰোধৰ সন্দৰ্ভত জিলা প্ৰশাসনৰ সৈতে 'বৃহত্তৰ ডিব্ৰুগড় গৰাখহনীয়া প্ৰতিৰোধ সমিতি'ৰ গুৰুত্বপূৰ্ণ বৈঠক

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৮ আগষ্ট ঃ** ঐতিহাসিক ডিব্ৰুগড় চহৰখনক ব্ৰহ্মপুত্ৰৰ ভয়াৱহ গৰাখহনীয়াৰ পৰা স্থায়ীভাৱে ৰক্ষা কৰাৰ সন্দৰ্ভত ডিব্ৰুগড় জিলা প্ৰশাসন আৰু জলসম্পদ বিভাগৰ উচ্চস্তৰীয় বিষয়াৰ সৈতে 'বৃহত্তৰ ডিব্ৰুগড় গৰাখহনীয়া প্ৰতিৰোধ সমিতি' তথা জিলাখনৰ বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিৰ এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ উপস্থিতিত অনুষ্ঠিত এই উচ্চস্তৰীয় বৈঠকত জিলা উন্নয়ন আয়ুক্ত নন্দিতা বৰুৱা, জলসম্পদ বিভাগৰ অতিৰিক্ত মুখ্য অভিযন্তা সমীৰণ ডেকা, কাৰ্যবাহী অভিযন্তা প্ৰদীপ কুমাৰ দাস আৰু সহকাৰী কাৰ্যবাহী অভিযন্তা হৃদয়ানন্দ গগৈ উপস্থিত থাকে। বৈঠকত জলসম্পদ বিভাগৰ তৰফৰ পৰা ডিব্ৰুগড়ৰ খহনীয়া প্ৰৱণ এলেকাসমূহৰ এক দৃশ্যশ্ৰাব্য উপস্থাপন কৰা হয়। বিভাগে বৰ্তমানলৈ গ্ৰহণ কৰা প্ৰতিৰোধমূলক ব্যৱস্থা, অনুমোদিত আৰু সম্পূৰ্ণ হোৱা প্ৰকল্পসমূহৰ তথ্য দাঙি ধৰে। জলসম্পদ বিভাগৰ তথ্য অনুসৰি, ঠাকুৰবাৰীত ২০ মিটাৰ, মাইজানত ১৩০ মিটাৰ, কাহাইত ৩০ মিটাৰ, ৪ আৰু ৫ নম্বৰ স্পাৰৰ কাষত ৭৭০ মিটাৰ আৰু মোহনাঘাটৰ পৰা টিংখাঙৰ আইথানলৈকে প্ৰায় ২৪০০ মিটাৰ এলেকা খহনীয়াৰ বাবে অত্যন্ত স্পৰ্শকাতৰ হৈ পৰিছে। জলসম্পদ বিভাগৰ এই সাময়িক প্ৰতিৰোধমূলক কাম-কাজত তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰে প্ৰতিনিধিসকলে। 'বৃহত্তৰ ডিব্ৰুগড় গৰখহনীয়া প্ৰতিৰোধ সমিতি'ৰ সভাপতি তথা 'অসম আদিত্য' কাকতৰ সম্পাদক মনজিৎ বৰাই জিঅ'বেগৰ দ্বাৰা কৰা সাময়িক সুৰক্ষা ব্যৱস্থাক সমালোচনা কৰি কয় যে খহনীয়া আৰম্ভ হোৱাৰ পিছত জিঅ'বেগ দি ডিব্ৰুগড়ক বচাব নোৱাৰি। ইয়াৰ উদাহৰণ দি তেওঁলোকে কয় যে পুৰণি এছপি অফিচৰ পিছফালে থকা যোগাৰ্চ পাৰ্কৰ ভূমি খহনীয়াৰ বুকুত জাহ গ'ল। গতিকে কেৱল অস্থায়ী মেৰামতিৰে চহৰখনক স্থায়ী সুৰক্ষা দিব নোৱাৰে। দল-সংগঠনৰ তৰফৰ পৰা বগীবিল দলং নিৰ্মাণৰ সময়ত ৰে'ল বিভাগে গ্ৰহণ কৰা স্থায়ী খহনীয়া প্ৰতিৰোধী আৰ্হি আৰু মুম্বাইৰ সাগৰীয় খহনীয়া ৰোধত ব্যৱহৃত 'ব্লাষ্টেড বোল্ডাৰ' প্ৰযুক্তি ডিব্ৰুগড়তো ব্যৱহাৰ কৰিবলৈ পৰামৰ্শ দিয়ে। ১৯৫৪-৫৫ চনতে নিৰ্মাণ কৰা ৭টা পুৰণি স্পাৰৰ উচ্চতা আৰু শক্তি বৃদ্ধি কৰা, প্ৰয়োজন সাপেক্ষে ডাঙৰ স্পাৰসমূহৰ মাজত সৰু সৰু স্পাৰ নিৰ্মাণ কৰা আৰু পূৰ্বতে ব্যৱহাৰ কৰা শাল কাঠ পুতি দিয়া ভেটাৰ প্ৰযুক্তিৰ দৰে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিশেষজ্ঞসকলক আহ্বান জনোৱা হয়। সংগঠনসমূহৰ প্ৰতিনিধি দলে স্পষ্ট কৰি দিয়ে যে ডিব্ৰুগড়ক সুৰক্ষিত কৰিবলৈ চৰকাৰে এটা স্থায়ী বৃহৎ প্ৰকল্প হাতত ল'ব লাগিব। যদি চৰকাৰে পৰ্যাপ্ত পুঁজি আবণ্টন নকৰে, তেনেহ'লে ডিব্ৰুগড়ৰ ৰাইজে ৰাজপথলৈ ওলাই আহি আন্দোলন কৰিবলৈ বাধ্য হ'ব। এই গুৰুত্বপূৰ্ণ বৈঠকত 'বৃহত্তৰ ডিব্ৰুগড় গৰা খহনীয়া প্ৰতিৰোধ সমিতি'ৰ সাধাৰণ সম্পাদক উদয় শংকৰ মহন, নাগৰিক সংঘৰ সভাপতি তথা জ্যেষ্ঠ অধিবক্তা যোগেন বৰা, সম্পাদক ড°কুমুদ চন্দ্ৰ বৰা, ডিব্ৰুগড় বাৰ এছ'চিয়েশ্যনৰ সভাপতি হেমচন্দ্ৰ বৰা, সম্পাদক সত্যব্ৰত শৰ্মা, সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি বুধিন সোণোৱাল, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক ৰাতুল বুঢ়াগোহাঁই, গণমঞ্চৰ সাধাৰণ সম্পাদক শৰৎ হাজৰিকা আৰু আট্ছাৰ নেতা সুনীল কুৰ্মী আদিকে ধৰি বিভিন্ন দল-সংগঠনৰ বিষয়ববীয়াসকল উপস্থিত থাকি নিজ নিজ মতামত ব্যক্ত কৰে।



# চেলেংহাটৰ লুখুৰাখন-পানীগাঁও পথৰ কদৰ্যৰূপ

**অসম বাৰ্তা, চেলেংহাট, ২৮ আগষ্ট ঃ** যোৰহাট জিলাৰ মৰিয়ণি সমষ্টিৰ অন্তৰ্গত চেলেংহাটৰ বৈছাহাবি পথ আৰু ঐতিহাসিক ধোদৰ আলি সংযোগী লুখুৰাখন-পানী গাঁও পথৰ দুৰৱস্থাই ৰাইজক জ্বলা-কলা খুৱাইছে। উল্লেখযোগ্য যে বৃহত্তৰ এলেকাৰ জনসাধাৰণৰ আমগুৰি নগৰৰ লগত যোগাযোগৰ চমু পথ হিচাপে ব্যৱহৃত প্ৰায় ১ কিলোমিটাৰ দৈঘ্যৰ লুখুৰাখন পানী গাঁও পথটো সম্প্ৰতি অতি জৰাজীৰ্ণ হৈ পৰিছে। এই পথটোৰেদি দৈনিক স্কুল কলেজীয়া শিক্ষাৰ্থীৰ লগতে শ শ ৰাইজ আমগুৰি নগৰলৈ যাতায়ত কৰে। কিন্তু অতি নিম্নমানদণ্ডৰ কাৰ্যৰে নিৰ্মাণ কৰা এই গুৰুত্বপূৰ্ণ পথটো এতিয়া মেৰামতিৰ অভাৱত জৰাজীৰ্ণ হৈ পৰিছে। আনহাতে সাম্প্ৰতিক বানে পথটোৰ অধিক ক্ষতিসাধন কৰাত পথটোৰ অৱস্থা আৰু অধিক শোচনীয় হৈ পৰিছে। স্থানীয় জনসাধাৰণে বিধায়ক ৰূপজ্যোতি কুৰ্মী, স্থানীয় প্ৰশাসনৰ লগতে বিভাগীয় কৰ্তৃপক্ষক পথটো নিৰ্মাণৰ বাবে আবেদন নিবেদন জনাই আহিছে যদিও আজিকোপতি কোনো সুফল লাভ কৰা নাই। স্থানীয় ৰাইজে বৃহত্তৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি অনতিপলমে পথটো নিৰ্মাণ কৰিবলৈ স্থানীয় বিধায়কৰ লগতে বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে।

# ৰূপহীহাটৰ বেলগুৰি কছাৰী গাঁৱৰ ১৩ বছৰীয়া কিশোৰ নিৰুদ্দেশ

**অসম বাৰ্তা, ৰূপহীহাট, ২৮ আগষ্ট ঃ** ৰূপহীহাটৰ বেলগুৰি কছাৰী গাঁৱৰ এগৰাকী ১৩ বছৰীয়া কিশোৰ যোৱা ২১ আগষ্টৰ পৰা নিৰুদ্দেশ হৈ থকাৰ ঘটনাই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। নিৰুদ্দেশ হোৱা কিশোৰজনৰ নাম আব্দুল চামাদ। পৰিয়ালৰ সূত্ৰে জানিব পৰা মতে, যোৱা ২১ আগষ্টৰ দিনা দুপৰীয়া ঘৰৰ পৰা আব্দুল চামাদ ওলাই গৈছিল। তেতিয়াৰ পৰাই সন্ধানহীন হৈ পৰে কিশোৰজন। কিশোৰজন নিৰুদ্দেশ হোৱাৰ পিছৰে পৰা পৰিয়ালৰ লোকে আত্মীয়-স্বজনৰ ঘৰ, পৰিচিত লোকৰ লগতে সম্ভাব্য বিভিন্ন স্থানত বিচাৰ-খোঁচাৰ চলাই আহিছে যদিও বৰ্তমানলৈকে তেওঁৰ কোনো সন্ধান লাভ কৰা নাই। কিশোৰজনৰ নিৰুদ্দেশৰ ঘটনাক লৈ পৰিয়ালৰ মাজত উৎকণ্ঠা বৃদ্ধি পাইছে। পৰিয়ালৰ লোকে ঘটনা সন্দৰ্ভত ৰূপহীহাট আৰক্ষী থানাত এক জাননী দাখিল কৰিছে। কোনো সদাশয় লোকে আব্দুল চামাদৰ কোনো সন্ধান পালে ৰূপহীহাট আৰক্ষী থানা বা পৰিয়ালৰ লোকৰ এই ৮৪৭২০৩২৯৭০û ৯৩৯৫২২৭৮৮৩ নম্বৰত যোগাযোগ কৰিবলৈ কাতৰ আহ্বান জনাইছে পৰিয়ালটিয়ে।

# ৰূপহী মডেল হাস্পতালত চৰম গাফিলতিৰ অভিযোগ

## প্ৰচণ্ড গৰমত বিদ্যুৎহীন হৈ যমৰ-যাতনা ৰোগীৰ◆দুটাকৈ জেনেৰেটৰ থকাৰ পিছতো নাই ব্যৱস্থা

**অসম বাৰ্তা, ৰূপহীহাট, ২৮ আগষ্ট ঃ** ৰূপহীহাটৰ ৰূপহী মডেল হাস্পতালত কৰ্তৃপক্ষৰ চৰম গাফিলতিৰ অভিযোগ উত্থাপন হৈছে। প্ৰচণ্ড গৰমৰ মাজতে পুৱাৰে পৰা হাস্পতালখনত বিদ্যুৎ সেৱা ব্যাহত হৈ পৰাত চিকিৎসাধীন ৰোগী আৰু তেওঁলোকৰ পৰিয়ালৰ লোকসকলে এক অসহনীয় পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হৈছে। বিদ্যুৎ নথকাৰ ফলত হাস্পতালৰ ৱাৰ্ডসমূহত প্ৰচণ্ড গৰমে ৰোগীসকলক জুৰুলা কৰাৰ অভিযোগ উঠিছে। উপায়বিহীন হৈ একাংশ ৰোগীৰ পৰিয়ালৰ লোকে কাৰ্টুন আদি ফালি হাতেৰে বতাহ দি ৰোগীক সঁকাহ দিয়াৰ চেষ্টা কৰিবলগীয়া হয়। বিশেষকৈ অসুস্থ আৰু চিকিৎসাধীন ৰোগীসকলে গৰমৰ মাজত যথেষ্ট কষ্ট ভোগ কৰিবলগীয়া হোৱা বুলি অভিযোগ কৰিছে পৰিয়ালৰ লোকসকলে। ইফালে, বিদ্যুৎ নথকাৰ বিষয়টো হাস্পতাল কৰ্তৃপক্ষক অৱগত কৰাৰ পিছতো সময়মতে কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন কৰিছে ৰোগী আৰু অভিভাৱকসকলে। আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টো হৈছে হাস্পতালখনত দুটাকৈ জেনেৰেটৰ থকাৰ পিছতো বিদ্যুৎ সেৱা ব্যাহত হোৱাৰ সময়ত সেইবোৰ ব্যৱহাৰ কৰি ৰোগীসকলক সকাহ দিয়াৰ ব্যৱস্থা নকৰাক লৈও প্ৰশ্ন উত্থাপন হৈছে। প্ৰচণ্ড গৰমৰ সময়ত চিকিৎসাধীন ৰোগীসকলৰ প্ৰতি এনে অৱহেলা কোনো কাৰণতে গ্ৰহণযোগ্য নহয় বুলি ক্ষোভ প্ৰকাশ কৰিছে ৰোগীৰ আত্মীয়সকলে। হাস্পতাল কৰ্তৃপক্ষই বিষয়টো গুৰুত্বসহকাৰে লৈ শীঘ্ৰে বিদ্যুৎ সেৱা স্বাভাৱিক কৰাৰ লগতে জেনেৰেটৰ ব্যৱস্থা কাৰ্যক্ষম কৰি ৰোগীসকলক সকাহ দিয়াৰ দাবী জনাইছে ভুক্তভোগীসকলে।



# জাগুনত নাৰকীয় ঘটনা; যুৱতীক দলবদ্ধ ধৰ্ষণ চাৰি পাষণ্ডৰ

**অসম বাৰ্তা বিশেষ, জাগুন, ২৮আগষ্ট ঃ** শেহতীয়াকৈ তিনিচুকীয়া জিলাৰ জাগুনত সংঘটিত হোৱা এক নাৰকীয় ঘটনাৰ তথ্য পোহৰলৈ আহিছে। এগৰাকী ১৮/১৯ বছৰীয়া যুৱতীক নিচা জাতীয় দ্ৰব্য মিহলি শীতল পানীয় সেৱন কৰোৱাই দলবদ্ধ ধৰ্ষণ কৰে চাৰিটা নৰপিশাচে। প্ৰাপ্ত তথ্য অনুসৰি জাগুন আৰক্ষী চকীৰ অন্তৰ্গত নামফাই লিছাং গাঁৱত ১৪ আগষ্টৰ দিনা নিশা জাগুন কাৰপুমপুলি গাঁৱৰ নিবাসী আকাশ তামাংৰ সৈতে আন তিনিটা কুলাংগাৰে এই জঘন্য কাণ্ড সংঘটিত কৰিছিল। কাণ্ড সংঘটিত কৰাৰ পিছৰে পৰাই আটাইকেইটা পাষণ্ড পলায়ন কৰি আত্মগোপন কৰিছিল যদিও অৰুণাচল প্ৰদেশৰ চৌখাম নামে ঠাইত আত্মগোপন কৰি থকা আকাশ তামাঙ নামৰ এটা পাষণ্ডক অৰুণাচল প্ৰদেশ আৰক্ষীৰ সহযোগত জাগুন আৰক্ষীয়ে মঙ্গলবাৰে আটক কৰিবলৈ সক্ষম হয়। এই জঘন্য কাণ্ডৰ সৈতে জড়িত আন তিনি ধৰ্ষণকাৰী বৰ্তমানেও আত্মগোপন কৰি আছে কোনো অজ্ঞাত স্থানত। আকাশ তামাংক ন্যায়ালয়ত হাজিৰ কৰোৱা হৈছিল যদিও জেল হাজোতলৈ প্ৰেৰণ কৰাৰ সলনি অধিক তথ্য সংগ্ৰহৰ স্বাৰ্থত জাগুন আৰক্ষীয়ে চাৰি দিনৰ বাবে পুনৰ নিজৰ জিম্মাত লয়। ভুক্তভোগী যুৱতী গৰাকীয়ে সংবাদ মাধ্যমত নিজ ভাষ্য প্ৰদানত জনায় যে উক্ত ঘটনা সংঘটিত হয় অনিতা আন্তিৰ ঘৰত বাৰ্থডে পাৰ্টিত। ঘটনা সংঘটিত হোৱাৰ পাছতে এই অনিতা আন্তিয়ে যুৱতী গৰাকীক উক্ত ঘটনা সন্দৰ্ভত মুখ বন্ধ ৰাখিবলৈ কয় আৰু যদি মুখ খোলে তাইৰে বিপদ হব বুলি একপ্ৰকাৰে ভাবুকি প্ৰদান কৰে। ইয়াৰ বিনিময়ত যুৱতীগৰাকীক কিবা প্ৰয়োজন হলে মোক কলেই প্ৰায়োজন পূৰণ কৰাৰ আশ্বাস দিয়ে অনিতা আন্তিয়ে। এই নিকৃষ্ট কাণ্ডৰ সৈতে এই অনিতা আন্তিও পৰোক্ষ বা প্ৰত্যক্ষভাৱে ভাৱে জড়িত আছিল নেকি? উক্ত ঘটনা পোহৰলৈ অহাৰ পিছতে আৰক্ষী আৰু ৰাইজৰ ৰোষত পৰাৰ ভয়ত অনিতা আন্তীয়েও আত্মগোপন কৰি আছে বুলি জানিব পৰা গৈছে। এই জঘন্য কাণ্ড সংঘটিত কৰা চাৰি নৰপিশাচৰ মাজৰ এজন এটা জাতীয়তাবাদী ছাত্ৰ সংগঠনৰ সক্ৰিয় সদস্য বুলি বিশেষ সূত্ৰে শেহতীয়া এক তথ্য পোৱা গৈছে। এই তথ্য পোহৰলৈ অহাৰ পাছতে উক্ত জাতীয়তাবাদী ছাত্ৰ সংগঠনটোৰ কেইজনমান সদস্যই সমগ্ৰ ঘটনাটো গাপ দিয়াৰ আপ্ৰাণ চেষ্টা চলোৱাৰ অভিযোগ উত্থাপন হৈছে।

# মানাহত বেঁকী পৰীয়া শাখা সাহিত্য সভা গঠন

## শ্যামল পালক সভাপতি, ইয়াৰফুল ইছলামক সাধাৰণ সম্পাদক হিচাপে দায়িত্ব অৰ্পণ



**অসম বাৰ্তা, শালবাৰী, ২৮ আগষ্ট ঃ** অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ সংৰক্ষণ, প্ৰচাৰ আৰু উন্নতি সাধনৰ মহান উদ্দেশ্য আগত ৰাখি অসম সাহিত্য সভাৰ অন্তৰ্গত মানাহৰ স্মাইলিং টাছকাৰ ইলিফেণ্ট কেম্পত শ্যামল পালৰ সভাপতিত্বত অনুষ্ঠিত সাধাৰণ সভাত বেঁকী পৰীয়া শাখা সাহিত্য সভা গঠন কৰা হয়। ভাষা-সাহিত্যৰ বিকাশৰ লগতে নতুন প্ৰজন্মক অসমীয়া ভাষা আৰু সাহিত্যৰ সৈতে অধিক নিবিড়ভাৱে সংযুক্ত কৰাৰ লক্ষ্যৰে এই নতুন সমিতিখন গঠন কৰা হয়। নৱগঠিত শাখা সাহিত্য সভাখনৰ সভাপতি হিচাপে শ্যামল পাল, জিয়াউৰ ৰহমানক উপ সভাপতি, ইয়াৰফুল ইছলামক সম্পাদক, হিমাংশু অধিকাৰীক সহকাৰী সম্পাদক, নজৰুল আলীক সাংগঠনিক সম্পাদক, জাহিদুল ইছলামক পত্ৰিকা সম্পাদক, জাহিদুল ইছলামক গ্ৰন্থ প্ৰশাসনক আৰু ছুৰহাব আলীক ধন ভৰালী হিচাপে লৈ মুঠ ২১ জনীয়া বেঁকী পৰীয়া শাখা সাহিত্য সভা গঠন কৰে। স্থানীয় ভাষাপ্ৰেমী, সাহিত্যসেৱী সাংবাদিক, শিক্ষক সমাজ আৰু সচেতন ব্যক্তিসকলৰ সহযোগিতাত গঠিত এই সমিতিয়ে অঞ্চলটোত অসমীয়া ভাষা আৰু সাহিত্যৰ চৰ্চাক অধিক গতিশীল কৰি তুলিব বুলি আশা প্ৰকাশ কৰা হৈছে। সমিতি গঠনৰ মূল উদ্দেশ্য হৈছে অসমীয়া ভাষাৰ শুদ্ধ ব্যৱহাৰ আৰু প্ৰচাৰ, সাহিত্যচৰ্চাৰ অনুকূল পৰিৱেশ সৃষ্টি, নৱপ্ৰজন্মৰ মাজত পঢ়াৰ অভ্যাস গঢ়ি তোলা তথা অঞ্চলটোৰ সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনক অধিক সমৃদ্ধ কৰা। ইয়াৰ উপৰি বিভিন্ন সাহিত্যিক অনুষ্ঠান, আলোচনা চক্ৰ, কবিতা আবৃত্তি, গল্প-কবিতা পাঠ, গ্ৰন্থ আলোচনা আৰু সাংস্কৃতিক কাৰ্যসূচীৰ জৰিয়তে সমাজৰ বিভিন্ন স্তৰৰ লোকক সাহিত্যৰ সৈতে জড়িত কৰাৰ পৰিকল্পনা গ্ৰহণ কৰা হ'ব বুলি জানিব পৰা গৈছে। বিশেষকৈ বৰ্তমান সময়ত মাতৃভাষাৰ প্ৰতি নতুন প্ৰজন্মৰ আগ্ৰহ বৃদ্ধি কৰাটো অতি প্ৰয়োজনীয় বুলি মত প্ৰকাশ কৰিছে সাহিত্যপ্ৰেমীসকলে। ডিজিটেল যুগত অসমীয়া ভাষাৰ সঠিক ব্যৱহাৰ, সাহিত্যৰ প্ৰতি আগ্ৰহ সৃষ্টি আৰু নিজস্ব ভাষা-সংস্কৃতিৰ ঐতিহ্য সংৰক্ষণৰ ক্ষেত্ৰত শাখা সাহিত্য সভাখনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে। নৱনিযুক্ত সভাপতি শ্যামল পাল আৰু সাধাৰণ সম্পাদক ইয়াৰফুল ইছলামৰ নেতৃত্বত শাখা সাহিত্য সভাখনে ভাষা-সাহিত্যৰ উন্নয়নৰ স্বাৰ্থত সকলোকে একত্ৰিত কৰি আগবাঢ়ি যোৱাৰ সংকল্প গ্ৰহণ কৰিছে। অঞ্চলটোৰ বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু যুৱ সমাজক সাহিত্যচৰ্চাৰ প্ৰতি উৎসাহিত কৰাৰ ক্ষেত্ৰতো সমিতিখনে বিশেষ পদক্ষেপ ল'ব বুলি আশা কৰা হৈছে। মানাহত বেঁকী পৰীয়া শাখা সাহিত্য সভাৰ গঠনক স্থানীয় সাহিত্যপ্ৰেমী আৰু সচেতন মহলে আদৰণি জনাইছে। সংশ্লিষ্টসকলৰ মতে, সঠিক পৰিকল্পনা আৰু সৰ্বস্তৰৰ ৰাইজৰ সহযোগিতা লাভ কৰিলে এই নতুন শাখা সাহিত্য সভাই আগন্তুক দিনত অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নতি সাধনত এক উল্লেখযোগ্য ভূমিকা পালন কৰিবলৈ সক্ষম হ'ব।

## ● বহু ভূৱা চীম কাৰ্ডসহ তিনিজনক গ্ৰেপ্তাৰ ●

# লাহৰীঘাটৰ বিভিন্ন অঞ্চলত আৰক্ষীৰ অভিযান

**অসম বাৰ্তা, লাহৰীঘাট, ২৮ আগষ্ট ঃ** আজি লাহৰীঘাট সমজিলা আৰক্ষী অধীক্ষক অমৰ জ্যোতি শইকীয়াৰ নেতৃত্বত ভূৰাগাঁৱৰ এখন কম্পিউটাৰ দোকানত অভিযান চলাই বহু পৰিমাণৰ ছিম কাৰ্ডৰ লগতে দুজনকৈ ব্যক্তিক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ইপিনে লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত দাতীয়ালবড়ী(বৰবড়ী) চাৰিআলিতো এখন দোকানত অভিযান চলাই বহু পৰিমাণৰ ছিম কাৰ্ডসহ এজনক গ্ৰেপ্তাৰ কৰে আৰক্ষীৰ দলে। উল্লেখ্য যে, ভূৰাগাঁও আৰক্ষী থানাৰ অন্তৰ্গত ভূৰাগাঁৱৰ পাঁচআলিত কম্পিউটাৰ দোকানত অভিযান চলাই ১০০ ৰ ওপৰত বিভিন্ন কোম্পানীৰ ভূৱা চীম কাৰ্ড আৰু বহু আপত্তিজনক নথিপত্ৰ জব্দ কৰে। ইয়াৰ লগতে দোকানৰ স্বত্বাধিকাৰী দুই ভাই-ককায়েকক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। আৰক্ষীৰ জালত পৰা দুই ভাই-ককায়েক ক্ৰমে জাহিদ আলম আৰু শ্বফিকুল ইছলাম বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে। দুয়ো চাইবাৰ অপৰাধৰ লগত জড়িত আছে বুলি সন্দেহ প্ৰকাশ কৰি আৰক্ষীয়ে দোকানখনত পোৱা বহু আপত্তিজনক সামগ্ৰীৰ লগতে দুয়োকে গ্ৰেপ্তাৰ কৰিছে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে অধিক তথ্যৰ বাবে তদন্ত অব্যাহত ৰাখিছে। সমান্তৰালভাৱে লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত দাতীয়ালবড়ী (বৰবড়ী) চাৰিআলিস্থিত মাইনুল ট্ৰেভেল এজেঞ্চি নামৰ এখন দোকানত অভিযান চলাই বহু ছিম কাৰ্ড, বহু আপত্তিজনক নথিপত্ৰৰ লগতে কিছু নগদ ধন জব্দ কৰে। লগতে দোকানখনৰ স্বত্বাধিকাৰ মাইনুল হকক গ্ৰেপ্তাৰ কৰে। ধৃত মাইনুল হকক মৈৰাবাৰী আৰক্ষীত লৈ যায় আৰু অধিক তথ্যৰ বাবে তদন্ত অব্যাহত ৰাখিছে আৰক্ষীয়ে।

**ভাদৰ শুক্লা একাদশীৰ পূৰ্বে আয়োজন কৰিব নোৱাৰিব কৰম পৰৱ; কাঢ়া নিৰ্দেশ শীৰ্ষ নেতৃত্বৰ**

# কৰম পৰৱৰ পৰম্পৰা, গৰিমা আৰু ঐতিহ্য অক্ষুণ্ণ ৰখাৰ আহ্বান 'আটছা'ৰ

**অসম বাৰ্তা, লীলাবাৰী, ২৮ আগষ্ট ঃ** চাহ জনগোষ্ঠী লোকসকলৰ ঐতিহ্য, পৰম্পৰা, লোকাচাৰ, কলা-সংস্কৃতি আৰু সামাজিক জীৱনৰ সৈতে গভীৰভাৱে জড়িত কৃষিভিত্তিক উৎসৱ হৈছে কৰম পৰৱ। ভাদ মাহৰ শুক্লা একাদশী তিথিত পৰম্পৰাগতভাৱে পালন কৰি অহা উৎসৱটি জনগোষ্ঠীটোৰ স্বকীয়, নিভাঁজ সাংস্কৃতিক পৰিচয়। কৰম পৰৱৰ পৰম্পৰা আৰু গৰিমা ৰক্ষাৰ দাবীত দীৰ্ঘদিনীয়া আন্দোলন আৰু দাবীৰ ফলশ্ৰুতিত ৰাজ্য চৰকাৰে পৰম্পৰাগত কৰম পৰৱৰ দিনা অৰ্থাৎ ভাদ মাহৰ শুক্লা একাদশী তিথিৰ দিনটো চৰকাৰী ছুটী হিচাপে ঘোষণা কৰিছে। অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ 'আটছা'ৰ কেন্দ্ৰীয় নেতৃত্বই এক জাননী যোগে অসমৰ চাহ জনগোষ্ঠী ৰাইজক কৰম পৰৱৰ পৰম্পৰা, গৰিমা আৰু ঐতিহ্য অক্ষুণ্ণ ৰখাৰ আহ্বান জনাইছে। সংগঠনটোৰ সভাপতি জগদীশ বৰাইক আৰু সাধাৰণ সম্পাদক সুনীল তিৰ্কীৰ দ্বাৰা স্বাক্ষৰিত জাননীখনত আক্ষেপ প্ৰকাশ কৰি কোৱা হৈছে যে, একাংশ তথাকথিত বুদ্ধিজীৱী আৰু কৰম পৰৱ উদযাপনৰ সৈতে জড়িত কিছু আয়োজকে কৰম পৰৱৰ ঐতিহ্য, পৰম্পৰা আৰু গৰিমাক উপেক্ষা কৰি ভাদ মাহৰ শুক্লা একাদশী তিথিৰ পূৰ্বেই কৰম পৰৱ উদযাপন কৰাৰ প্ৰৱণতা আৰম্ভ কৰিছে আৰু এনে কাৰ্যই জনগোষ্ঠীটোৰ মাজত প্ৰচলিত পৰম্পৰা আৰু সাংস্কৃতিক স্বকীয়তাক বিকৃত কৰাৰ লগতে উত্তৰ-প্ৰজন্মৰ মাজত উৎসৱটিৰ প্ৰকৃত তাৎপৰ্যৰ ক্ষেত্ৰত বিভ্ৰান্তিৰ সৃষ্টি কৰিব পাৰে। চাহ জনগোষ্ঠী সমাজৰ জাতীয় উৎসৱ কৰম পৰৱৰ তাৎপৰ্য, ঐতিহ্য, পৰম্পৰা আৰু গৰিমা অক্ষুণ্ণ ৰাখি ভাদ মাহৰ শুক্লা একাদশী তিথিৰ দিনটোৰ পৰাই কৰম পৰৱ উদযাপনৰ কাৰ্যসূচী গ্ৰহণৰ বাবে জাননীখনৰ জৰিয়তে অসম চাহ জনজাতি ছাত্ৰ সন্থাই ৰাজ্যখনৰ কৰম পৰৱ আয়োজক সমিতিলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে, অহা ২২ ছেপ্টেম্বৰ অৰ্থাৎ ভাদ মাহৰ শুক্লা একাদশীৰ দিনাৰে পৰা পৰম্পৰাগত নীতি-নিয়ম আৰু সাংস্কৃতিক ৰীতি-নীতি অনুসৰি উৎসৱটি পালন কৰিবলৈ সংগঠনটিয়ে আহ্বান জনাইছে। যদিহে কোনো ব্যক্তিবিশেষ অথবা আয়োজক সমিতিয়ে 'আটছা'ৰ আহ্বানক অৱমাননা কৰি কৰম পৰৱৰ পৰম্পৰাগত তথা নিৰ্ধাৰিত সময়ৰ পূৰ্বে উদযাপন কৰে, তেন্তে জনগোষ্ঠীটোৰ জাতীয় উৎসৱৰ ঐতিহ্য, পৰম্পৰা আৰু কলা-সংস্কৃতিক বিকৃত কৰাৰ অভিযোগত অসম চাহ জনজাতি ছাত্ৰ সন্থাই প্ৰচলিত আইন অনুসৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিব। সংগঠনটোৰ শীৰ্ষ নেতৃত্বই বিষয়টোৰ সন্দৰ্ভত বিশেষ দৃষ্টি ৰাখি পৰম্পৰাগতভাৱে কৰম পৰৱ উদ্‌যাপন নিশ্চিত কৰা আৰু প্ৰয়োজনীয় ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ উদ্দেশ্যে 'আটছা'ৰ সমূহ কেন্দ্ৰীয় বিষয়ববীয়া, জিলা সমিতি আৰু শাখা সমিতিৰ সভাপতি-সম্পাদকসকলক যথোচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ জাৰি কৰিছে।

# গোসাঁইগাঁৱৰ বড়োলেণ্ড চাইঞ্চ একাডেমীত নৱাগত আদৰণি সভা

**অসম বাৰ্তা, গোসাঁইগাঁও, ২৮ আগষ্ট ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও চহৰ সংলগ্ন পদ্মবিলত অৱস্থিত বড়োলেণ্ড চাইঞ্চ একাডেমীৰ নৱাগত আদৰণি সভা আজি বিবিধ কাৰ্য্যসূচীৰে সম্পন্ন হয়। কেইগৰাকী মান উচ্চ শিক্ষিত স্থানীয় যুৱকৰ উমৈহতীয়া আৰু আশাশুধীয়া প্ৰচেষ্টাত ২০২১ চনত স্থাপিত হৈছিল এই শিক্ষা প্ৰতিষ্ঠান খন। গুণগত আৰু মানদণ্ড সম্পন্ন শিক্ষা প্ৰদানৰ জৰিয়তে মানৱ সম্পদ গঢ়াৰ লক্ষ্যৰে স্থাপন কৰা শিক্ষানুষ্ঠান খনত সম্প্ৰতি বিজ্ঞান আৰু কলা উভয় শাখাতে শিক্ষা প্ৰদান কৰি থকা হৈছে। একাদশ শ্ৰেণীত নতুনকৈ নাম ভৰ্তি কৰা শিক্ষাৰ্থী সকলক আদৰণি জনোৱাৰ উদ্দেশ্যে অনুষ্ঠিত অনুষ্ঠানটোত উদ্বোধনী ভাষণ দিয়ে কৃষি বৈজ্ঞানিক মুজাহাৰুল ইছলামে। সভাত গোসাঁইগাঁও মহকুমাৰ মহকুমাধিপতি এম এন মাংগাংচায়ে ভাষণত ছাত্ৰ ছাত্ৰী সকলক আই এছ এছ, আই পি এছ বিষয়া হোৱাৰ বাবে আহ্বান জনায় আৰু আজিৰ প্ৰতিযোগিতা বাবে নিজকে প্ৰস্তুত কৰি ৰখাৰ বাবে কঠোৰ পৰিশ্ৰম কৰিব লাগিব বুলি কয়। সভাত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি গোসাঁইগাঁও উকীল সন্থাৰ সহকাৰী সম্পাদক অধিবক্তা মাফিজুৰ ৰহমান, গোসাঁইগাঁও মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ মুৰব্বী ড° বিনয় বসুমতাৰী, গোসাঁইগাঁও প্ৰেছ ক্লাবৰ সভাপতি হাফিজুৰ ৰহমান, বড়োলেণ্ড সাংবাদিক সংস্থাৰ সভাপতি শঙ্কৰ চৌধুৰী, অৱসৰী শিক্ষক ইউনুছ আলী সেখ আদি ব্যক্তি সকলে ছাত্ৰ ছাত্ৰী সকলক উদ্দেশ্যি অনুপ্ৰেৰণা মূলক বক্তব্য আগবঢ়ায়। শিক্ষাৰ্থী সকলে অধ্যয়নত মনোনিবেশ কৰাৰ লগতে শাৰীৰিক তথা মানসিক ভাবে নিজক সন্তুলিত কৰি ৰখাৰ বাবে খেল-ধেমালি, যোগ চৰ্চা, গান-বাজনা চৰ্চা আদিৰ প্ৰয়োজনীয়তাৰ ওপৰত মন্তব্য কৰে। শিক্ষাৰ্থী সকলে পিতৃ-মাতৃ, গুৰুজন ব্যক্তিক যথাযোগ্য সন্মান, কনিষ্ঠ জনক মৰম-চেনেহ আদি সংস্কাৰ সমূহ মানি চলাৰ ক্ষেত্ৰতো মনোনিবেশ কৰাৰ বাবে অতিথি সকলে পৰামৰ্শ আগবঢ়ায়। বৰ্তমান সমাজত মাৰাত্মক ব্যাধি হিচাপে পৰিগণিত হোৱা ড্ৰাগছ, মাদক দ্ৰব্যৰ অবাধ পয়োভৰ আৰু মোবাইল ফোনৰ অপব্যৱহাৰৰ পাকচক্ৰত যাতে শিক্ষাৰ্থীসকল নপৰে তাৰ বাবে শিক্ষানুষ্ঠান কৰ্তৃপক্ষই শিক্ষাৰ্থীসকলক এনেবিলাক বিষয়ত সজাগ আৰু সচেতন কৰাৰ বাবে মাজে সময়ে সজাগতামূলক অনুষ্ঠান অনুষ্ঠিত কৰাৰো পৰামৰ্শ প্ৰদান কৰে। ভাষণৰ মাজে মাজে শিক্ষাৰ্থী সকলৰ দ্বাৰা প্ৰদৰ্শিত জনগোষ্ঠীয় নৃত্য-গীতৰ অনুষ্ঠানে সমবেত সকলোকে মনোৰঞ্জনৰ খোৰাক যোগায়। সভাৰ আদিতে অতিথি সকলক চিনাকি কৰাই দিয়াৰ লগতে একোখনকৈ ফুলাম গামোচাৰে আদৰণি জনোৱা অনুষ্ঠানটিৰ আঁত ধৰে প্ৰধান শিক্ষক হাচিবুৰ ৰহমানে। অনুষ্ঠানত বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য জাহাঙ্গীৰ আলম সেখ, শিক্ষক-শিক্ষয়িত্ৰী সকল আৰু ছাত্ৰ ছাত্ৰী সকলে উপস্থিত থাকে।

# মূল্যবৃদ্ধিৰ প্ৰতিবাদত মাজুলীত আছুৰ বিক্ষোভ




**অসম বাৰ্তা, উজনী মাজুলী, ২৮ আগষ্ট ঃ** অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ অভাৱনীয় মূল্যবৃদ্ধি নিয়ন্ত্ৰণত চৰকাৰ ব্যৰ্থ হোৱাৰ অভিযোগ তুলি আৰু মূল্যবৃদ্ধি ৰোধৰ দাবীত সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত আজি ৰাজ্যজুৰি ৰূপায়ণ কৰা বিক্ষোভ কাৰ্যসূচীৰ অংশ হিচাপে মাজুলীতো প্ৰতিবাদ সাব্যস্ত কৰে সদৌ মাজুলী জিলা ছাত্ৰ সন্থাই। জিলা সদৰ গড়মূৰৰ আয়ুক্ত কাৰ্যালয়ৰ সন্মুখত জিলা ছাত্ৰ সন্থাই 'বিক্ষোভ সমদল' কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদত মূল্যবৃদ্ধিৰ ফলত সাধাৰণ ৰাইজৰ জীৱনযাত্ৰা ব্যাহত হোৱা বুলি অভিযোগ উত্থাপন কৰি চৰকাৰক মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ বাবে শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ দাবী জনায় প্ৰতিবাদকাৰীসকলে। জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি প্ৰাঞ্জল শইকীয়া আৰু সাধাৰণ সম্পাদক দিপাংকৰ ৰাজখোৱাৰ নেতৃত্বত অনুষ্ঠিত প্ৰতিবাদী কাৰ্যসূচীত সদৌ অসম ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক বিতোপন শৰ্মা, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য ৰংগৰস মহন্ত, জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা পবিত্ৰ গোস্বামীৰ লগতে শতাধিক ছাত্ৰকৰ্মীয়ে অংশগ্ৰহণ কৰে। ইফালে, স্বাস্থ্যমন্ত্ৰী অশোক সিংহল মাজুলী জিলা আয়ুক্ত কাৰ্যালয়ত উপস্থিত থকাৰ সময়তে আছুৱে জিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মুখত এই প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদৰ সময়ত আৰক্ষীয়ে প্ৰতিবাদকাৰীসকলক বাধা প্ৰদান কৰাক লৈ কিছু সময়ৰ বাবে পৰিস্থিতি উত্তপ্ত হৈ পৰে।

# চাপৰমুখত ৰহা আৰক্ষী থানা উদ্যোগত বৃহৎ সজাগতা সভা

**পাঁচটা সামাজিক ব্যাধিৰ বিৰুদ্ধে আলোচনা**

**অসম বাৰ্তা, ৰহা, ২৮ আগষ্ট ঃ** ৰহা আৰক্ষী থানাৰ উদ্যোগত আৰু থানা স্তৰৰ নাগৰিক সমিতিৰ সহযোগত আজি চাপৰমুখৰ বি বি হাজৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত "ড্ৰাগছ নিবাৰণ, বাল্যবিবাহ, মানৱ সৰবৰাহ, চাইবাৰ অপৰাধ আৰু ঘৰুৱা হিংসা" এই পাঁচটা গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোচনা কৰা হয়। বিদ্যালয়খনৰ প্ৰেক্ষাগৃহত দিনৰ ১ বজাৰ পৰা অনুষ্ঠিত হোৱা এই সভাত বিদ্যালয়খনৰ প্ৰায় এক শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। উক্ত সভাত ৰহা আৰক্ষী থানাৰ বিষয়া জ্যোতিষ কুমাৰ নাথ, ৰহা আৰক্ষী থানা স্তৰ নাগৰিক সমিতিৰ সভাপতি সুবৰ্ণ সিং, বিশিষ্ট সমাজসেৱক জনাৰ্দন শইকীয়া, চাপৰমুখ আৰক্ষী চকীৰ বিষয়া অভিজিত ৰাভা, ৰহা নগৰ সমিতিৰ প্ৰাক্তন পৌৰপতি মন




জ্যোতি বৰা, বিশিষ্ট সমাজসেৱক মণিৰাম দাস, বিকাশ আগৰৱালা, ৰহা আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক ভাৰত বৰুৱা, বিদ্যালয়খনৰ অধ্যক্ষা মালাৰাণী বৰা, সাংবাদিক নৱজ্যোতি ভূঞা লগতে শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী সকল উপস্থিত থাকে। সভাত বক্তা সকলে ড্ৰাগছৰ কৰাল গ্ৰাসৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক সাৱধান কৰি দিয়ে। ৰহা থানাৰ বিষয়া জ্যোতিষ কুমাৰ নাথে কয় - "এটা ভুল সিদ্ধান্তই এটা জীৱন শেষ কৰি দিব পাৰে। ড্ৰাগছে মগজু আৰু শৰীৰ দুয়োটাই শেষ কৰে।" একেদৰে বাল্যবিবাহৰ কু-প্ৰভাৱ, মানৱ সৰবৰাহৰ নতুন কৌশল, চাইবাৰ অপৰাধৰ পৰা কেনেদৰে ৰক্ষা পাব পাৰি আৰু ঘৰুৱা হিংসাৰ বিৰুদ্ধে থকা আইনী ব্যৱস্থাৰ বিষয়ে বিতংভাৱে বুজাই কোৱা লগতে চাইবাৰ অপৰাধ সন্দৰ্ভত কয় যে, অচিনাকি লিংকত ক্লিক নকৰিব, OTP আৰু বেংকৰ তথ্য কাকো নিদিব। ছ'চিয়েল মিডিয়াত ফটো দিওঁতে সাৱধান হ'ব লাগে। ইয়াৰ পিছতে থানা স্তৰৰ নাগৰিক সমিতিৰ সভাপতি সুবৰ্ণ সিঙে ৰাইজক আহ্বান জনাই কয় যে, আপোনালোকৰ ওচৰ-পাজৰত যদি এনে কোনো অপৰাধৰ খবৰ পায়, তেন্তে লগে লগে ১০০ নম্বৰত বা ৰহা থানাত খবৰ দিয়ক। আপোনালোকৰ নাম গোপনে ৰখা হ'ব। যিকোনো ধৰণৰ অপৰাধৰ তথ্য আৰক্ষীক দি সহযোগিতা কৰিবলৈ আৰক্ষীৰ তৰফৰ পৰা আহ্বান জনোৱা হয়। সদৌ শেষত বিদ্যালয়ৰ অধ্যক্ষা মালাৰাণী বৰা ভাষণৰে অনুষ্ঠানটি সফল সামৰণি পৰে।

# বিশ্বনাথত নাবলিদান দিৱস আৰু বিশেষ অভিনন্দন অনুষ্ঠান

**অসম বাৰ্তা, জিনজিয়া, ২৮ আগষ্ট ঃ** অসম গোৰ্খা সন্মিলন বিশ্বনাথ জিলা সমিতিৰ উদ্যোগত আজি জিলা কাৰ্যালয় প্ৰাংগণত আজাদ হিন্দ ফৌজৰ প্ৰথম শ্বহীদ মেজৰ দুৰ্গা মল্লৰ পবিত্ৰ পুণ্য তিথি উপলক্ষে বলিদান দিৱস আৰু বিশেষ অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰা হয়। জিলা সভাপতি হৰিপ্ৰসাদ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে অসম গোৰ্খা সন্মিলন কেন্দ্ৰীয় সমিতিৰ মূল সচিব শ্ৰীযুত জয় কুমাৰ উপস্থিত থাকে। নিৰ্দিষ্ট বক্তা হিচাপে কেন্দ্ৰীয় সমিতিৰ সচিব শ্ৰীযুত দীপক গজুৰেল আৰু বন্তিপ্ৰজ্বলক হিচাপে কেন্দ্ৰীয় সমিতিৰ মহিলা মূল সচিব দীপা ক্ষেত্ৰী উপস্থিত থাকে। অনুষ্ঠানত অতিথি হিচাপে কেন্দ্ৰীয় সদস্য অৰুণ উপাধ্যায়, মহেন্দ্ৰ বস্নেত, অ.নে.সা.স.ৰ উপ-সভাপতি মদন থাপা, পূৰ্বাঞ্চল তামাং বৌদ্ধ সংঘৰ কাৰ্যকৰী সভাপতি গোপাল লামা, জিলা উপদেষ্টা তথা শিশুবন্ধু লীলা গজুৰেল, উপদেষ্টা প্ৰদীপ শৰ্মা আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। আজিৰ অনুষ্ঠানত বলিদান দিৱসৰ লগতে বিশেষ অভিনন্দন জনোৱা হয়। বিশ্বনাথ বিধানসভা সমষ্টিৰ সন্মানীয় বিধায়ক পল্লৱ লোচন দাস আৰু বিহালী বিধানসভা সমষ্টিৰ বিধায়ক মুনীন্দ্ৰ দাসক নৱ-নিৰ্বাচিত বিধায়ক হিচাপে অভিনন্দন জনোৱা হয়। ইয়াৰ উপৰিও কলাৰত্ন সন্মান আৰু আন্তঃৰাষ্ট্ৰীয় সন্মান লাভ কৰাৰ বাবে কলাশ্ৰী বিনোদ খনাল, সমাজ প্ৰাণ সন্মান লাভ কৰাৰ বাবে জয় কুমাৰ সূতাৰ, আন্তঃৰাজ্যিক সন্মান প্ৰাপক প্ৰেম বিশ্বকৰ্মা আৰু অনাৰেৰী ড'ক্টৰেট ডিগ্ৰী লাভ কৰাৰ বাবে চিত্ৰ প্ৰসাদ পৌডেলক সম্বৰ্ধনা জনোৱা হয়। জিলা কাৰ্যালয়লৈ আলমাৰী প্ৰদান কৰাৰ বাবে উত্তৰ গলীয়া শাখা সমিতি আৰু প'ডিয়াম প্ৰদান কৰাৰ বাবে কৈলাজুলি শাখা সমিতিক সন্মান জনোৱা হয়। শিক্ষা আৰু অন্যান্য ক্ষেত্ৰত কৃতিত্ব অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীসকলকো অভিনন্দন জনোৱা হয়। ইয়াৰ ভিতৰত চিকিৎসক হিচাপে টিনাশ্ৰী দেৱী, দীপান্বিতা গজুৰেল আৰু সমন্বয় লুইটেল, APSC পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ বাবে সিদ্ধাৰ্থ শৰ্মা, ইঞ্জিনিয়াৰিং পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ বাবে সংগীতা বিশ্বকৰ্মা আৰু উছু খেলত পাৰদৰ্শিতা দেখুওৱাৰ বাবে ৰাহুল ঘোৰাছানে আৰু দীক্ষা তিৱাৰীক অভিনন্দন জনোৱা হয়। লগতে কাৰ্যালয়লৈ প্ৰয়োজনীয় সামগ্ৰী প্ৰদান কৰা প্ৰেম ক্ষেত্ৰী, স্বৰূপ উপাধ্যায়, হৰি শৰ্মা ফুৱেল, গোপাল ক্ষেত্ৰী, শান্তাৰাম লামা, ৰাজু ক্ষেত্ৰী আদিক মানপত্ৰ সহ অভিনন্দন জনোৱা হয়। অনুষ্ঠানৰ আৰম্ভণিতে শ্বহীদ দুৰ্গা মল্লৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰা হয়। তাৰ পাছত সাংগঠনিক সচিব সুৰেশ লুইটেলে গীত পৰিৱেশন কৰে। নিৰ্দিষ্ট বক্তাই অমৰ শ্বহীদৰ জীৱন দৰ্শনৰ পৰা সাংগঠনিক গতিবিধি সম্পৰ্কে বক্তব্য ৰাখে। অভিনন্দন কাৰ্যসূচীৰ পাছত মুখ্য অতিথি আৰু বিশ্বনাথ সমষ্টিৰ বিধায়কে ভাষণ প্ৰদান কৰে। অনুষ্ঠানত জিলা সমিতিৰ অন্তৰ্গত শাখা সমিতিৰ সভাপতি, সচিব, গলীয়া গাওঁ উন্নয়ন সমিতি, গলীয়া মহিলা সমিতিৰ বিষয়ববীয়া আৰু বহু প্ৰবুদ্ধ ব্যক্তি উপস্থিত থাকে। জিলা মহিলা প্ৰকোষ্ঠৰ সভানেত্ৰীৰ নেতৃত্বত বহু মহিলা সদস্যাই অংশগ্ৰহণ কৰে। সমগ্ৰ অনুষ্ঠানটো জিলা বিষয়ববীয়া সকলৰ সহযোগত মূল সচিব হেমন্ত ভট্টৰায়ে পৰিচালনা কৰে।

**অহা ২৭ মে' তাৰিখত গুৱাহাটীত আক্ৰাছুৰ কোনো ধৰণৰ সভা সমিতি নাই**

# কাজলগাঁৱত আক্ৰাছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা

**অসম বাৰ্তা, বাসুগাঁও, ২৮ আগষ্ট ঃ** আজি চিৰাঙ জিলাৰ কাজলগাওঁ বন বিভাগৰ অতিথিশালাত আক্ৰাছু'ৰ সভাপতি দীপেন ৰায়ৰ সভাপতিত্বত আক্ৰাছুৰ এখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। উক্ত সভাত কোচৰাজবংশী জনজাতিকৰণ, পৃথক কমতাপুৰ ৰাজ্য গঠন, KLOৰ জীৱন সিংহৰ সমস্যাৰ লগতে কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় অতি সোনকালে সমাধান কৰাৰ বাবে সভাৰ জৰিয়তে চৰকাৰলৈ আহ্বান জনায়। আজিৰ সভাতে ৰাজ্য চৰকাৰৰ লগতে কেন্দ্ৰীয় চৰকাৰে যেতিয়ালৈকে কোচৰাজবংশী জনগোষ্ঠীৰ সমস্যাসমূহ সমাধান নকৰে তেতিয়ালৈকে আক্ৰাছুৰ আন্দোলন চলি থাকিব বুলি সভাপতি দ্বীপেন ৰায় আৰু সম্পাদক সুনধৰ ৰায়ে সংবাদমাধ্যমৰ আগত প্ৰকাশ কৰে। লগতে কিছুদিন আগতে সংবাদমাধ্যমত প্ৰচাৰ হোৱা ২৭ মে তাৰিখত গুৱাহাটীত আক্ৰাছুৰ দীপেন ৰায়ৰ কাৰ্যনিৰ্বাহক সভা থকা বিষয়টোত আক্ৰাছুৰ কোনো ধৰণৰ সভা সমিতি নাই বুলি সুনধৰ ৰায়ে আজিৰ সভাৰ জৰিয়তে সংবাদমাধ্যমৰ আগত প্ৰকাশ কৰে। অসম বিধানসভাত এইবেলি পোন প্ৰথমবাৰৰ বাবে কোচৰাজবংশী ভাষাত শপত গ্ৰহণ কৰা তিনিগৰাকী বিধায়ক ক্ৰমে গোলকগঞ্জ সমষ্টিৰ অশ্বিনী ৰায়সৰকাৰ, বিলাসীপাৰা সমষ্টিৰ জীবেশ ৰায় আৰু বাওখুংগ্ৰী সমষ্টিৰ বিধায়ক ৰূপম চন্দ্ৰ ৰায়ক আজিৰ সভাৰ জৰিয়তে সংবাদ মাধ্যমযোগে বিশেষভাৱে ধন্যবাদ জনায় আক্ৰাছুৰ নেতৃবৰ্গই। লগতে আন সাত গৰাকী কোচৰাজবংশী জনগোষ্ঠীৰ বিধায়ককো অভিনন্দন জনায় আক্ৰাছুৱে। এই বাৰ জনগোষ্ঠীটোৰ পৰা প্ৰতিনিধিত্ব কৰা বিধায়কসকলৰ জৰিয়তে জাতিটোৰ সমস্যাসমূহ সমাধানৰ আহ্বান জনায় আজিৰ সভাই।

# নাজিৰাত চোলা মণ্ডল ইনভেষ্টমেণ্ট ফাইনেন্স কোম্পানীৰ ফালৰ পৰা বান সাহায্য বিতৰণ

**অসম বাৰ্তা, নামতি, ২৮ আগষ্ট ঃ** শিৱসাগৰ জিলাৰ বিভিন্ন অঞ্চলত বান সাহায্য বিতৰণ কৰি আজি নাজিৰাৰ হুলাংকাটনী, বিহুবৰ কমলচাপৰি আৰু শিমলুগুৰিৰ ৰামু গাঁৱৰ বান পীড়িত ৰাইজৰ মাজত অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী বিতৰণ কৰে। চোলা ফাইনেন্স কোম্পানীৰ কৰ্প'ৰেট সামাজিক দায়বদ্ধতা (CSR) ৰ ফালৰ পৰা ৫০লাখ টকাৰ পোৱা এটা পেকেজেৰে ১২৫০টা পৰিয়ালৰ মুখত হাঁহি বিৰিঙাই তুলিবৰ কাৰণে প্ৰয়াস কৰিছে। চেন্নাইৰ পৰা শিৱসাগৰ জিলাৰ বান পীড়িত ৰাইজক সহায়ৰ বাবে চোলা মণ্ডল ইনভেষ্টমেণ্ট ফাইনেন্স কোম্পানীৰ আঞ্চলিক ব্যৱসায়িক প্ৰবন্ধক (RBM) কমল কৃষ্ণ গগৈৰ নেতৃত্বত শিৱসাগৰ জিলা শাখাৰ সহযোগত ছজনীয়া এটি দলে আহি ৰাইজৰ মাজত অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ বিতৰণ কৰি সহায়ৰ হাত আগবঢ়ায়। তেখেতে লগতে কয় চোলা মণ্ডল ইনভেষ্টমেণ্ট ফাইনেন্স কোম্পানী সমাজৰ লগত জড়িত থকা এটা কোম্পানী যেতিয়াই ৰাইজৰ মাজলৈ দুৰ্যোগ আহে ফাইনেন্স কোম্পানী ৰাইজৰ লগত সদায় থাকে। ৰাইজে যিমান দিছে কোম্পানীয়েও তাৰ বাবদ ৰাইজক যিমান পাৰি সহায় কৰি যাবলৈ যত্ন কৰিছে বুলি মতপোষণ কৰে।

# নাজিৰা অ' এন জি চিৰ আৱাসিক এলেকাত থকা একমাত্ৰ অসমীয়া মাধ্যমৰ বিদ্যালয়ত অ' এন জি চি গুৰুত্বহীনতা

**অসম বাৰ্তা, নামতি, ২৮ আগষ্ট ঃ** নাজিৰাত বানপানীয়ে বিস্তৰ ক্ষতিসাধন কৰা আদৰ্শ বিদ্যা ভৱনত সহায়ৰ হাত আগবঢ়ায় আশায়ে ফাউণ্ডেচনে। আশায়ে ফাউণ্ডেশ্বনৰ উপ-সভাপতি দেৱজিৎ দাস, সম্পাদক চাহিল আনচাৰী, কোষাধ্যক্ষ চেম আহমেদৰ সহিতে স্বেচ্ছাসেৱী সংগঠনৰ সদস্যসকল আজি বহু শিক্ষন সামগ্ৰীৰ সৈতে উপস্থিত হয়। প্ৰতিজন ছাত্ৰ ছাত্ৰীক তেওঁলোকে নিজ হাতেৰে প্ৰদান কৰে সামগ্ৰী সমূহ। অ' এন জি চি অসম সম্পদ, নাজিৰাৰ চূড়ান্ত গাফিলতি আৰু দায়িত্বহীনতাত দুৰ্ভোগ ভুগিছে নাজিৰাৰ বানে গৰকা আদৰ্শ বিদ্যা ভৱনে। যোৱা ১৯ জুলাইৰ পৰা দিখৌ নদীৰ জলপ্ৰলয়ৰ ফলত নাজিৰা সম জিলাত বিৰাজ কৰিছিল অবৰ্ণনীয় পৰিস্থিতিয়ে। এই বানত সৰ্বস্বান্ত হোৱা নাজিৰাৰ অ' এন জি চিৰ আৱাসিক এলেকাত তথা একমাত্ৰ অসমীয়া মাধ্যমৰ বিদ্যালয় আছিল নাজিৰা আদৰ্শ বিদ্যা ভৱন। কিন্তু বৰ্তমানলৈকে বানপানীৰ বাবে বিদ্যালয় খনৰ বহু ক্ষতি হোৱাৰ পিছতো অ' এন জি চি অসম সম্পদৰ কৰ্তৃপক্ষৰ তৰফৰ পৰা সহায়ৰ হাত আগবঢ়োৱা দেখিবলৈ পোৱা নগ'ল। নাজিৰা অ'এনজিচি অসম সম্পদৰ মুখ্য কাৰ্যালয়ৰ আবাসিক এলেকাত অৱস্থিত আদৰ্শ বিদ্যাভৱনত আজি শৈক্ষিক সামগ্ৰী বিতৰণ কৰে আশায়ে ফাউণ্ডেশ্বনে। লগতে আশায়ে ফাউণ্ডেশ্বন সামাজিক সংগঠনৰ বিষয়ববীয়াসকলে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু শিক্ষাৰ্থীৰ সকলৰ লগত মত-বিনিময় কৰে। লগতে তেওঁলোকে কয় অনাগত দিনত যিমান দূৰ সম্ভৱ বিদ্যালয়খনক সহায়ৰ হাত আগবঢ়াব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে।

**সোমবাৰে নিশা উদ্যোগটোৰ ভিতৰত নিহত হৈছিল গৌতম দাস নামৰ এজন চালক**

# পলাশবাৰীৰ চেঞ্চুৰী প্লাই উদ্যোগত বিধায়ক হিমাংশু শেখৰ বৈশ্য

## পৰিস্থিতিৰ বুজ লৈ বৈঠকত মিলিত

**অসম বাৰ্তা, ছয়গাঁও, ২৮ আগষ্ট ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিত যোৱা ২৪ আগষ্টৰ নিশা পলাশবাৰীৰ চেঞ্চুৰী প্লাই নামৰ উদ্যোগটোত সংঘটিত হোৱা শোকাৱহ দুৰ্ঘটনাৰ পাছত বৃহস্পতিবাৰে উদ্যোগটোত উপস্থিত হয় পলাশবাৰী সমষ্টিৰ বিধায়ক হিমাংশু শেখৰ বৈশ্য। বিধায়কগৰাকীয়ে উদ্যোগটো পৰিদৰ্শন কৰি দুৰ্ঘটনাস্থলীৰ পৰিস্থিতি বুজ লোৱাৰ লগতে উদ্যোগটোৰ সুৰক্ষা ব্যৱস্থা পৰ্যবেক্ষণ কৰে। ইয়াৰ পিছতে কোম্পানীৰ মেনেজমেণ্টৰ সৈতে এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয় বিধায়ক হিমাংশু শেখৰ বৈশ্য। উদ্যোগটোত কৰ্মৰত শ্ৰমিকসকলৰ সুৰক্ষাক সৰ্বাধিক গুৰুত্ব প্ৰদান কৰি আগলৈ যাতে এনে ধৰণৰ অনাকাংক্ষিত ঘটনা সংঘটিত নহয়, তাৰ বাবে কোম্পানী কৰ্তৃপক্ষক কঠোৰভাৱে সতৰ্কবাণী কৰি দিয়ে। ইয়াৰ উপৰিও উদ্যোগটোত থকা বিভিন্ন সুৰক্ষা সম্পৰ্কীয় সমস্যা শীঘ্ৰে সমাধান কৰাৰ লগতে প্ৰয়োজনীয় সুৰক্ষা ব্যৱস্থা উন্নত কৰিবলৈ কোম্পানী আৰু মেনেজমেণ্টক বিধায়ক গৰাকীয়ে নিৰ্দেশ দিয়ে। বৈঠকত শ্ৰমিকসকলৰ বিভিন্ন সমস্যা আৰু শ্ৰমিকসকলৰ অধিকাৰ সম্পৰ্কতো বিস্তৃতভাৱে আলোচনা কৰে বিধায়ক হিমাংশু শেখৰ বৈশ্যই। উদ্যোগটোত কৰ্মৰত প্ৰতিগৰাকী শ্ৰমিকৰ নিৰাপত্তা নিশ্চিত কৰাৰ লগতে ভৱিষ্যতে যাতে এনে দুৰ্ঘটনা পুনৰ সংঘটিত নহয়, সেই দিশত কোম্পানী কৰ্তৃপক্ষই অধিক সজাগ হৈ কাম কৰিব লাগিব বুলি মন্তব্য কৰে বিধায়কগৰাকীয়ে। বিধায়ক গৰাকীৰ লগত পলাশবাৰীৰ চক্ৰ বিষয়া ডঃ অংকীতা শৰ্মাৰ উপৰিও ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

**অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ বিৰুদ্ধে আছুৰ বিক্ষোভ সমদল**

# বিজনীত সদৌ চিৰাং জিলা ছাত্ৰ সন্থাৰ বিক্ষোভ সমদল




**অসম বাৰ্তা, বিজনী, ২৮ আগষ্ট ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে চিৰাং জিলাৰ বিজনীতো আছুৰ বিক্ষোভ সমদল কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সদৌ চিৰাং জিলা আছুৰ উদ্যোগত আৰু বিজনী আঞ্চলিক আছুৰ সহযোগত এই বিক্ষোভ সমদল কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। বিজনী আঞ্চলিক আছুৰ কাৰ্যালয়ৰ পৰা উলিওৱা এই বিক্ষোভ সমদলত আছুৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক সুদীপ চন্দ, চিৰাং জিলা আছুৰ সভাপতি বিশ্বজিৎ ৰায়সহ জিলা ছাত্ৰ সন্থাৰ বিষয়ববীয়া আৰু বিজনীৰ বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। প্ৰতিবাদকাৰীসকলে সমগ্ৰ বিজনী চহৰ পৰিভ্ৰমণ কৰে। হাতে হাতে বিভিন্ন দাবী সম্বলিত প্লেকাৰ্ড লৈ প্ৰতিবাদকাৰীসকলে চৰকাৰবিৰোধী শ্লোগানেৰে মূল্যবৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে।

# অসম মহিলা বিশ্ববিদ্যালয়ত কবি, শিশু সাহিত্যিক অৰূপজ্যোতি হাজৰিকাৰ গ্ৰন্থ দান

**অসম বাৰ্তা, জাঁজী, ২৮ আগষ্ট ঃ** গ্ৰন্থ পঢ়ক আৰু পঢ়ুৱাওক সজাগতাৰ আন্দোলনৰ নেতা তথা কবি, শিশু সাহিত্যিক অৰূপজ্যোতি হাজৰিকাই আজি অসম মহিলা বিশ্ববিদ্যালয়ত মূল্যবান গ্ৰন্থ প্ৰদান কৰে। গ্ৰন্থ প্ৰদানৰ প্ৰাকক্ষণত উপাচাৰ্য অজন্তা বৰগোহাঁই ৰাজখোৱাৰ লগত আলোচনা কৰে। তাৰ পিছত পুথিভঁৰালী অন্যান্য ফুকন আৰু ৰিমজিম গগৈক গ্ৰন্থ প্ৰদান কৰে। সাম্প্ৰতিক ম'বাইল, ইণ্টাৰনেট, কৃত্ৰিম বুদ্ধিমত্তাই সমাজখন আগুৰি থকাৰ সময়তে এই গ্ৰন্থ পঢ়ক আৰু পঢ়ুৱাওক সজাগতাৰ কাৰ্যসূচীয়ে মান্যতা লাভ কৰিছে। ২০১৪ চনৰ পৰা কৰি অহা এই কাৰ্যসূচীৰ সফলতাৰ বিষয়ে হাজৰিকাই কয় যে কভিডৰ সময়ৰ পৰা কাকত আলোচনীৰ ওপৰত কিছু প্ৰভাৱ পৰিছিল যদিও সাম্প্ৰতিক লাহে লাহে ছাত্ৰ-ছাত্ৰীয়ে পঢ়াৰ পৰিৱেশ গঢ়ি তুলিছে। কোনো কোনো অঞ্চলত পঢ়াৰ পৰিৱেশ কমিছে কোনো কোনো অঞ্চলত বাঢ়িছে। এনেকৈ সমাজখন আগবাঢ়ি গৈ থাকিব। তথাপি গ্ৰন্থৰ প্ৰভাৱ সদায় থাকিব। গ্ৰন্থৰ অবিহনে সমাজ অসম্পূৰ্ণ। হাজৰিকা শিকলি সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানৰো মুখ্য সম্পাদক। এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে বিজু বৰা, দেৱবিকাশ দত্ত, দিব্যাজ্যোতি দেউৰী, কাব্যশ্ৰী দত্ত কাৰ্যসূচীক বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই শলাগ লয়।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন